কৰ্ম মোৰ সংস্কৃতি

# বাখৰ

ষষ্ঠবিংশতিতম সংখ্যা, ২০১৯ - ২০২০



অসম জাতীয় বিদ্যালয়ৰ বছৰেকীয়া প্ৰকাশ

# বাখৰ

## বছৰেকীয়া প্ৰকাশ

### ষষ্ঠবিংশতিতম সংখ্যা ২০১৯-২০


**সম্পাদনা সমিতি**

সংস্থিতা শৰ্মা
সংযুক্তা কাকতি
অভিশ্ৰুতি শৰ্মা
ৰাছেল মালিক
ৰুদ্ৰাক্ষী দত্ত চৌধুৰী
মাধুৰ্য্য জয়ন্ত কলিতা
মানস প্ৰতিম ডেকা
স্নেহা কলিতা
নীলাভ পাঠক
ৰিতম কুমাৰ বৈশ্য
দৰ্শিতা চৌধুৰী

**সম্পাদনা উপদেষ্টা সমিতি**

পল্লৱী গোস্বামী
অমৰজ্যোতি কলিতা
বনানী ডেকা
অলকা গোস্বামী
গোপেন বৰ্মন
পূৰবী ৰাণী বড়া
ৰুণুমী কলিতা

**যুথিকা পাটোৱাৰী (আহ্বায়িকা)**

BAKHAR : The Annual Journal of Assam Jatiya Bidyalay.
Published by Assam Jatiya Bidyalay, Guwahati 781020.

**প্ৰকাশ**
১ জানুৱাৰী, ২০২১ চন

**বেটুপাতৰ কথকতা**
দুঃসময়ে ৰুধিব নোৱাৰে কৈশোৰৰ দূৰন্ত আশা...

**বেটুপাতৰ শিল্পী**
নীলাভ পাঠক, অষ্টম 'খ'

**সামগ্ৰিক পৰিকল্পনা**
যুথিকা পাটোৱাৰী, পল্লবী গোস্বামী, অলকা গোস্বামী
সম্পাদনা উপদেষ্টা সমিতি, 'বাখৰ'

**অলংকৰণ**
পূৰবী ৰাণী বড়া, কন্দৰ্প শৰ্মা, হিমাদ্ৰী লস্কৰ, সংযুক্তা কাকতি, নীলাভ পাঠক

**ডিটিপি**
প্ৰশান্ত বৰঠাকুৰ

**মুদ্ৰণ**
অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ ছপাশাল
নুনমাটি, গুৱাহাটী ৭৮১০২০

**কৃতজ্ঞতা**
◈ অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ মাননীয় সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী,
সচিব ডা° নাৰায়ণ শৰ্মা, অসম জাতীয় বিদ্যালয়ৰ মাননীয় ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা,
শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামী
অধ্যক্ষ ঘনশ্যাম মেধি, উপাধ্যক্ষদ্বয় অপৰাজিতা বৰা আৰু ৰবীন্দ্ৰ বৰ্মন।
◈ অসম জাতীয় বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী।

◈ বিশেষ কৃতজ্ঞতা
অসীম কৃষ্ণ বৰুৱা, ৰঘুনাথ কুমাৰ, ধ্ৰুৱ শৰ্মা, কুঞ্জৰ দাস, বিনয় বিকাশ গগৈ, উৎপল ডেকা, জুলি শইকীয়া
—স.স.বা.।

# বাখৰ

## বছৰেকীয়া প্ৰকাশ

### ষষ্ঠবিংশতিতম সংখ্যা

### ২০১৯-২০

কৰ্ম মোৰ সংস্কৃতি

## সূচীপত্ৰ


| | |
|---|---|
| বিদ্যালয় সংগীত | ৬ |
| বিদ্যালয় সংগীতৰ স্বৰলিপি | ৭ |
| আমি সুঁৱৰিছোঁ | ৮ |
| অধ্যক্ষৰ কলম... | ৯ |


## মৌ-মেল


১৩-২৮

- গাড়ীবিলাকৰ চকা নাথাকি যদি চৰাইৰ নিচিনা পাখি থাকিলেহেঁতেন তেতিয়া কি হ'লহেঁতেন?
- বতাহ দিলে গছবোৰে কিয় নাচি থাকে?
- এদিন যদি মাৰাৰ সলনি তোমাক পাকঘৰত কাম কৰিব দিয়ে তুমি কি ৰান্ধিবা?
- ক'ৰোনা দেখিছানে?
- লকডাউন


# সম্পাদকীয়

"যেতিয়া বয়সপ্ৰাপ্তি হয়, চুলিবিলাকে যেতিয়া ৰূপালী বৰণ লয়, অৱসাদ, নিদ্ৰাৰ আৱেশত যেতিয়া চকু জাপ খাব খোজে, কিতাপ এখন মেলি লৈ জুইৰ কাষত বহি লাহে লাহে কিতাপখন পঢ়ি যাবা... মনটো ভাল লাগি যাব"—এয়া কবি ডব্লিউ বি য়েটছৰ উক্তি। গ্ৰন্থই নিঃসংগতা দূৰ কৰে। এখন সমাজ সঠিক দিশত অগ্ৰসৰ হোৱাত সাহিত্যই মহত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। একেদৰে শিক্ষাৰ্থীৰ মনৰ প্ৰস্ফুটিত ভাববোৰ প্ৰকাশ কৰাৰ লগতে জীৱনৰ উৎকৰ্ষ সাধনৰ মাধ্যম হ'ল শিক্ষানুষ্ঠানৰ আলোচনীখন। ক'বলৈ গ'লে সাহিত্যৰ বৰপথাৰখনত বীজ ৰোপণ কৰিবলৈ আমাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে 'বাখৰ' হৈছে এখন সাৰুৱা কঠীয়াতলী।

'বাখৰ'—কেৱল এখন আলোচনীৰ নামেই নহয়, এটি আৱেগো। একুৰি ছটা বৰ্ষ অতিক্ৰম কৰা চিৰসেউজ 'বাখৰ'ৰ প্ৰতিটো পৃষ্ঠাই প্ৰতিফলিত কৰে বিদ্যালয়ৰ বছৰজোৰা সাধনা, কিছু অভিজ্ঞতা। সাধাৰণ জীৱন-যাত্ৰা ব্যাহত হোৱা চলিত বৰ্ষৰ ব্যতিক্ৰমী বিশ্ব পৰিক্ৰমাত স্তব্ধ হোৱা নাই এই বাখৰুৱা যাত্ৰা। জটিল সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি মানসিক উদ্যমেৰে 'বাখৰ'ৰ এই সংখ্যা প্ৰকাশৰ বাবে আমি যত্নপৰ হৈছোঁ। অতিমাৰীয়ে কোঙা কৰা দুঃসময়ৰ স্বাক্ষৰ বহন কৰিব 'বাখৰ'ৰ পাতে। কিছু নিয়মীয়া শিতান বাদ দিও 'বাখৰ'ক এক পৰিপূৰ্ণতা প্ৰদান কৰিবলৈ প্ৰয়াস কৰিছোঁ।

সময়ৰ দুৰন্ত গতিত ধাৱমান 'বাখৰ'ৰ বোকোচাত উঠি এক নতুন দিগন্তৰ সন্ধানত আমি অগ্ৰসৰ হৈছোঁ। আমাৰ হেঁপাহৰ সোণোৱালী ক্ষণবোৰ ঘূৰি আহক, কৰ্মময় হওক জীৱন। সম্ভাৱনাবোৰ সফলতালৈ ৰূপান্তৰিত হওক, তাৰেই কামনাৰে 'বাখৰ'ৰ এই সংস্কৰণটি পঢ়ুৱৈৰ বাবে আগবঢ়ালোঁ।

**সম্পাদনা সমিতি**
**ষষ্ঠবিংশতিতম সংখ্যা, 'বাখৰ'**

# সূচীপত্ৰ

## কবিতাৰ ছন্দ

২৯-৩৪

- জন্তুৰ মাত
- সময়
- মোৰ মৰমৰ আইতা
- আমাৰ বিদ্যালয়
- বগা পাৰ
- ব'হাগ
- বৰ্তমান
- মোৰ ভাইটি
- বাখৰ
- অ' পখিলা
- বিষ্ণু... সাংস্কৃতিক জগতৰ...
- এনেকৈয়ে ঋতু সলনি হয়
- অসম...
- খুশ তো আখিৰ হূঁ মৈঁ
- মাতৃভাষা

## গল্প সম্ভাৰ

৩৫-৪৪

- বুধিয়ক হাঁহ
- পঢ়িলে পাছ, নপঢ়িলে ফেইল
- জোনাকী পৰুৱা
- সপোন
- বন্ধুত্ব
- আশা
- শিক্ষক আৰু জিণ্টু
- অনুতাপ
- মৌনতা
- ভাইৰাছ আৰু সপোন

## ৰোমন্থন

৫০-৫৩

- এৰি অহা বিদ্যালয়ৰ স্মৃতি আৰু নতুন বিদ্যালয়ৰ কিছু অনুভৱ
- এই যাত্ৰা...
- স্মৃতি

## দিহিঙে-দিপাঙে

৪৫-৪৯

- আমাৰ পবিতৰা ভ্ৰমণ
- কলকাতা ভ্ৰমণ
- ভ্ৰমণৰ আনন্দ
- আনন্দেৰে ভৰপূৰ গৰম বন্ধৰ দিনকেইটা...

## প্ৰবন্ধ

৫৪-৬৫

- অসমীয়া জাতি গঠনত সত্ৰসমূহৰ ভূমিকা
- আইদেউ সন্দিকৈ
- কৰচ
- राष्ट्र भाषा का महत्व
- বিশ্বৰ কেইটামান আশ্চৰ্য্যকৰ উৎসৱ
- Walt Disney– "Role of Mathematics in our Daily Life

## শিক্ষকৰ কলম

৬৬-৭৮

- 'নেপ-২০২০' বনাম প্ৰাক্-বিদ্যালয় শিক্ষা
- শাৰীৰিক যোগ্যতা, সুস্থতা আৰু জীৱনশৈলী
- সঞ্জীৱ, তোমাক মনতে ৰাখিছোঁ...
- আত্মানুসন্ধান
- মন্থন
- জ্ঞানৰ মহত্ব
- শিশুৰ আৱেগিক বিকাশ
- अमृता प्रीतम की कालजयी उपन्यास 'पिंजर' : एक झलक

## প্ৰকল্প

৭৯-৮০, ৯৭

- নৰ্দমাৰ আৱৰ্জনাৰ পৰা প্লাষ্টিক পৃথকীকৰণ
- মন কৰিলেই ছন, জাবৰেও দিয়ে ধন

- ৮১ পৃষ্ঠাৰ পৰা ৯৬ পৃষ্ঠালৈ ফটো

- বিদ্যালয়ৰ উল্লেখযোগ্য দিন (২০১৯-২০২০) ৯৮
- বিদ্যালয়ৰ বাহিৰৰ বিভিন্ন প্ৰতিযোগিতাত শিক্ষাৰ্থীৰ অংশগ্ৰহণৰ সফলতাৰ খতিয়ান ৯৯
- অতিথিৰ কলমত অসম জাতীয় বিদ্যালয় ১০১
- ২০২০ শিক্ষাবৰ্ষৰ বিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল ১০৩

# বিদ্যালয় সংগীত

**ৰচনা : ডা° নাৰায়ণ শৰ্মা** **সুৰ : ৰমেন বৰুৱা**

*আলোক সন্ধানীৰ আশাৰ আলয়*
*অসম জাতীয় বিদ্যালয়।*

*সুবাস লওঁ আমি কেঁচা মাটিৰ*
*পৰশ নেবোঁ আমি ওপজা ভেটিৰ।*
*সুন্দৰ সমাজৰ সপোন ৰচি*
*পূজাৰী আমি কৰ্ম-সংস্কৃতিৰ।*

*আত্ম-বিশ্বাস আৰু সততাৰে*
*জ্ঞান বিজ্ঞানৰ সাধনাৰে*
*জগত সভাত আমি পোহৰ বিলাম*
*আই অসমীৰ আমি মুখ উজলাম।*

*স্বদেশ-স্বজাতিৰ মান ৰাখিম*
*নৱ নৱ চিন্তাৰ জোৱাৰ আনিম*
*অপাৰ দিগন্তত দৃষ্টি ৰাখি*
*আধুনিক পৃথিৱী আমিয়ে গঢ়িম।* ◈

# বিদ্যালয় সংগীতৰ স্বৰলিপি

**স্থায়ী**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| ধস | :স | :স | সৰ | গপ | -ধ | প | গৰ | ৰগ | :ৰ | সৰ | গপ |
| আলোক | স | ন্ধা | নীৰ | আশাৰ | আ | ল | য় | অসম | জা | তী | য় |
| বি | দ্যা | লয় | | | | | | | | | |

**অন্তৰা**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| পপ | :প | প | পপ | পধ | :প | ধ | - | মম | :ম | প | ধপ |
| সুবাস | লওঁ | আ | মি | কেঁচা | মা | টিৰ | | পৰশ | নে | ৰোঁ | আমি |
| মপ | ধম | প | - | | | | | | | | |
| ওপ | জাভে | টি | ৰ | | | | | | | | |
| গ | গ | গ | মপ | মপ | মগ | ৰ | - | নন | নপ | ন | - |
| সুন্ | ন্দৰ | সমা | জৰ | সপোন | ৰ | চি | - | পূজা | ৰীআ | মি | - |
| স | স | ৰ | ৰ | গ | - | - | ৰ | স | - | - | - |
| ক | ৰ্ম | সং | স্কৃ | তি | - | - | - | ৰ | - | - | - |

**সঞ্চাৰী**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| স | সপ | :ধ | প | সস | ৰস | ন | - | নৰ | :ন | ৰ | ৰ |
| আ | ত্মাবি | শ্বাস | আৰু | সত | তা | ৰে | - | জ্ঞান | বি | জ্ঞা | নৰ |
| সাধ | না | ৰে | - | | | | | | | | |
| ম | ম | ম | পধ | মপ | :ম | ম | পণ | ণধ | ধপ | পম | মগৰ |
| জগত্ | স | ভাত | আমি | পোহৰ | বি | লা | ম | আই | অস | মীৰ | আমি |
| গৰ | গপ | গ | - | ৰগ | :ৰ | সৰ | গপ | সৰমৰ | :স | স | - |
| মুখ | উজ | লা | ম | আই | অ | স | মীৰ | মুখ | উজ | লা | ম |

**২য় অন্তৰা**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| পপ | :প | প | পপ | পধ | প | ধ | - | মম | :ম | প | ধপ |
| স্বদেশ | স্ব | জা | তিৰ | মান | ৰা | খি | ম | নৱ | নৱ | চি | ন্তাৰ |
| মপ | ধম | প | - | | | | | | | | |
| জোৰাৰ | আ | নি | ম | | | | | | | | |
| স | গ | গ | মপ | মপ | মগ | ৰ | - | নন | নপ | ন | ন |
| অপাৰ | দি | গ | ন্তত | দৃ | ষ্টি | ৰা | খি | আধু | নিক | পৃথি | ৱী |
| স | স | ৰ | ৰ | গ | - | - | ৰ | স | - | - | - |
| আ | মি | য়ে | গ | ঢ়ি | - | - | - | ম | - | - | - |

# আমি সুঁৱৰিছোঁ

## অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ বনমালী তালুকদাৰলৈ শ্ৰদ্ধাঞ্জলি



অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, অসমৰ এগৰাকী বিশিষ্ট শিক্ষাবিদ তথা ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক বনমালী তালুকদাৰ ছাৰৰ যোৱা ৩১ জানুৱাৰী তাৰিখে গুৱাহাটীৰ জু-নাৰেংগীত থকা নিজ বাসভৱনত ৮৫ বছৰ বয়সত দেহাৱসান ঘটে। ১৯৭৪ চনত গুৱাহাটীৰ কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰে। ১৯৯২ চনত তেওঁ বিদ্যালয়খনৰ অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণ কৰে। তেওঁ ১৯৯৮ চনৰ ১ আগষ্টত অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষৰ পদ অলংকৃত কৰে। স্বাস্থ্যজনিত কাৰণত ২০০৩ চনত তেওঁ অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ পদৰ পৰা অব্যাহতি লয়।

সুদীৰ্ঘ কৰ্মজীৱনত শৈক্ষিক ক্ষেত্ৰখনলৈ তালুকদাৰদেৱে আগবঢ়োৱা অপৰিসীম সেৱা তথা অৱদানৰ প্ৰতি শ্ৰদ্ধা জনাই ভাৰত চৰকাৰে ১৯৯৪-৯৫ চনত তেওঁক ‘ৰাষ্ট্ৰীয় কৃতী শিক্ষক’ বঁটাৰে বিভূষিত কৰে। অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসেও প্ৰয়াত তালুকদাৰদেৱক জীৱনজোৰা অৱদানৰ বাবে ২০১৫ চনত বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। শিক্ষা, শিক্ষাৰ্থী আৰু শিক্ষক সমাজৰ ত্ৰিবেণী সংগমৰ সফল কাণ্ডাৰীজনৰ কায়িক প্ৰস্থানত অসম জাতীয় বিদ্যালয় পৰিয়ালে সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। ❖

## অম্বিকা ডেকা বৰালৈ শ্ৰদ্ধাঞ্জলি



যোৱা ২০ মাৰ্চ, ২০২০ তাৰিখে অসম জাতীয় বিদ্যালয় প্ৰাক্-বিদ্যালয় শাখাৰ শ্ৰদ্ধাৰ অম্বিকা ডেকা বৰাৰ দেহাৱসান ঘটে। ১৯৯৬ চনৰ ১০ মে’ তাৰিখে এই বিদ্যালয়ত যোগদান কৰা বাইদেউ এগৰাকী সৰল মনৰ ব্যক্তি আছিল। বিদ্যালয়ৰ শিশুসকলৰ সৈতে তেওঁৰ আত্মিক সম্পৰ্ক গঢ়ি উঠিছিল। শিশুসকলৰ বাবে তেওঁ বহুতো কবিতা লিখিছিল আৰু ইয়াৰে কিছু সংখ্যক কবিতা ‘বাখৰ’ত লিপিবদ্ধ হৈ আছে। অম্বিকা বাইদেউ বহুতো সামাজিক কামতো জড়িত আছিল। ১৯৯৪ চনত তেওঁ ‘ছ’চিয়েল ৱেলফেয়াৰ বেষ্ট মেন ৱৰ্ক বঁটা’ (Social Welfare Best Man Worker) লাভ কৰিছিল। বাইদেউ অসম জাতীয় বিদ্যালয়ৰ পৰা ২০১৫ চনৰ ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰিছিল। ইয়াৰ কিছুদিন পিছতে তেখেত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হয় আৰু আমাক সকলোকে এৰি গুচি যায়। বিদ্যালয়ৰ তৰফৰ পৰা বাইদেউৰ দীৰ্ঘদিনীয়া সেৱাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে বাইদেউলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। ❖

## সঞ্জীৱ বড়োলৈ শ্ৰদ্ধাঞ্জলি



যোৱা ০২ অক্ট’বৰ, ২০২০ তাৰিখ শুকুৰবাৰে অসম জাতীয় বিদ্যালয় পৰিয়ালৰ অন্যতম সদস্য সঞ্জীৱ বড়োৰ দেহাৱসান ঘটে। তেওঁৰ জন্ম হৈছিল বাক্সা জিলাৰ ঠালকুছি গাঁৱত ১৯৮৩ চনত। চতুৰ্থ বৰ্গৰ এগৰাকী কৰ্মচাৰী হিচাপে সেৱা আগবঢ়োৱা সঞ্জীৱ বড়ো আছিল অসম জাতীয় বিদ্যালয়ৰ এগৰাকী নিষ্ঠাবান কৰ্মচাৰী। জটিল ৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ হেল্‌থ চিটি হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যুক আঁকোৱালি লয়। বিদ্যালয় পৰিয়ালে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে বিদ্যালয়লৈ আগবঢ়োৱা সেৱাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। ❖

# অধ্যক্ষৰ কলম

◆ ঘনশ্যাম মেধি
অধ্যক্ষ, অসম জাতীয় বিদ্যালয়

২০২০ বৰ্ষ। সমগ্ৰ বিশ্বৰ বাবে এই বৰ্ষটো এক ভয়াবহ বৰ্ষ হিচাপে চিহ্নিত হৈ ৰ'ব। ক'ভিড-১৯ৰ ভয়াবহ সংক্ৰমণৰ বাবে যি এক দুৰ্য্যোগপূৰ্ণ সময় আমি পাৰ কৰিলোঁ সেয়া আমাৰ সকলোৰে স্মৃতিত আজীৱন সজীৱ হৈ ৰ'ব। বিগত এই সময়ছোৱাত আমি বহুতকে হেৰুৱালোঁ। বিশ্বৰ বহুসংখ্যক লোকে অকালতে প্ৰাণ হেৰুৱালে। বিশ্বৰ অন্য দেশৰ লগতে আমাৰ দেশখনৰো অৰ্থনৈতিক ভেটি দুৰ্বল হৈ পৰিল। বহু লোকে কৰ্ম সংস্থান হেৰুৱাই দুৰ্বিসহ জীৱন কটাবলগীয়া হ'ল। দেশখন পুনৰ অৰ্থনৈতিকভাৱে সবল হ'বলৈ হয়তো আৰু কিছু বছৰৰ প্ৰয়োজন হ'ব। কামনা কৰিছোঁ বিশ্বৰ বুকুলৈ আৰু যাতে এনেকুৱা দিন কেতিয়াও নাহে।

এই বৰ্ষটোতে অসম জাতীয় বিদ্যালয়ে সপ্তবিংশতিতম বৰ্ষত পদাৰ্পণ কৰিলে। বিগত বৰ্ষবোৰৰ দৰে আটাইবোৰ নিৰ্ধাৰিত কাৰ্য্যসূচী ৰূপায়িত কৰিব নোৱাৰিলেও ২০১৯ বৰ্ষৰ নৱেম্বৰ মাহৰ পৰা আজিৰ দিনটোলৈকে বিভিন্ন শৈক্ষিক তথা অন্যান্য কাৰ্য্যসূচী সফলভাৱে ৰূপায়ণ কৰা হৈছে। অন্যান্য অনুষ্ঠানৰ দৰে আমাৰ বিদ্যালয়খনেও বিগত বৰ্ষটোত গভীৰ আৰ্থিক সংকটৰ সন্মুখীন হৈছে। হ'লেও আমি থমকি ৰোৱা নাই। আমাৰ সকলো শৈক্ষিক কাৰ্য্যসূচী আন্তৰিকতাৰে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত চেষ্টাৰ ত্ৰুটি কৰা নাই।

২০১৯ বৰ্ষৰ ২ নৱেম্বৰ তাৰিখে বিদ্যালয়ৰ সকলোৰে হেঁপাহৰ অনুষ্ঠান গীত-মাতৰ গধূলি অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। এই অনুষ্ঠানতে কৃতী শিক্ষাৰ্থীসকলক শৈক্ষিক বৃত্তি প্ৰদান কৰা হয়। ২০১৯ বৰ্ষৰ গীত-মাতৰ গধূলিৰ মুখ্য অতিথি আছিল বিশিষ্ট নাট্যবিদ শ্ৰীযুত দুলাল ৰয়। এই অনুষ্ঠানতে বিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'বাখৰ'ৰ পঞ্চবিংশতিতম সংখ্যা উন্মোচন কৰা হয়। 'বাখৰ' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক ড° তিলোত্তমা মিশ্ৰই। ৩ নৱেম্বৰ, ২০১৯ তাৰিখে আমাৰ বিদ্যালয়ত 'অসম জাতীয় বিদ্যালয় সন্মান প্ৰদান' অনুষ্ঠান অনুষ্ঠিত হয়। এই বৰ্ষৰ অসম জাতীয় বিদ্যালয় সন্মান প্ৰদান কৰা হয় সঙ্গীত জগতৰ প্ৰখ্যাত জিতু-তপন যুটিৰ স্বনামধন্য সঙ্গীত পৰিচালক শ্ৰীযুত জিতু শৰ্মা আৰু শ্ৰীযুত তপন ভট্টাচাৰ্য্যক। ৫ নৱেম্বৰ, ২০২০ তাৰিখে বিগত বৰ্ষবোৰৰ দৰে ভূপেন হাজৰিকা দিৱস পালন কৰা হয়। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অষ্টম মৃত্যু তিথিত সমগ্ৰ ৰাজ্যখনৰ লগতে আমাৰ বিদ্যালয়তো এই মহান শিল্পীগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। এই অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে হাজৰিকাদেৱৰ একালৰ ঘনিষ্ঠ সহযোগী শিল্পী কমল কটকী। শ্ৰদ্ধেয় কটকীদেৱে ড° ভূপেন হাজৰিকাদেৱৰ গীত আৰু কথাৰে গোটেই অনুষ্ঠানটো জীপাল কৰি তোলে আৰু ছাত্ৰ-ছাত্ৰীকে ধৰি অনুষ্ঠানত উপস্থিত থকা সকলোকে আপ্লুত কৰে।

প্ৰতি বছৰৰ দৰে ২০১৯ বৰ্ষতো ১৪ নৱেম্বৰ তাৰিখে বিদ্যালয়ত শিশু দিৱস উদ্‌যাপন কৰা হয়। এই দিৱসত শিশু ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ ভেশছন্ন প্ৰতিযোগিতা আৰু আন ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অন্য বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই দিৱসতে বিদ্যালয়ৰ বিভিন্ন শ্ৰেণীৰ আটাইবোৰ শাখাৰ শিক্ষাৰ্থীসকলে প্ৰস্তুত কৰি উলিওৱা হাতে লিখা আলোচনীসমূহৰ প্ৰদৰ্শনী আৰু শিল্পকলা বিষয়ৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° অৰূপ কুমাৰ নাথ আৰু 'দৈনিক

অসম’ কাকতৰ উপ-সম্পাদক বিদ্যুৎ বৰুণ শৰ্মা। ১ জানুৱাৰী, ২০২০ তাৰিখে বিদ্যালয়ৰ সপ্তবিংশতিতম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। এই বৰ্ষৰ প্ৰতিষ্ঠা দিৱসৰ আমন্ত্ৰিত অতিথি আছিল বিশিষ্ট অভিনেতা, পৰিচালক তপন দাস। ১৩ জানুৱাৰী, ২০২০ তাৰিখে ভোগালী বিহুৰ প্ৰাক্-ক্ষণত আমাৰ বিদ্যালয়ত ভোগালী চ’ৰা অনুষ্ঠিত কৰা হয়। সিদিনা সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু পৰিচালনা সমিতিৰ সদস্যৰ উপস্থিতিত বিদ্যালয়ৰ খেলপথাৰত পৰম্পৰাগত হিচাপে মেজি জ্বলোৱা হয়। লগতে মেজিৰ সমীপত নাম-প্ৰসংগ, কণী যুঁজ, টেকেলি ভঙা আদি খেল অনুষ্ঠিত কৰা হয়।

১৭ জানুৱাৰী, ২০২০ তাৰিখে বিদ্যালয়ত শিল্পী দিৱস উদ্‌যাপন কৰা হয়। শিল্পী দিৱসৰ অতিথি আছিল বিশিষ্ট সংগীত পৰিচালক ভূপেন উজীৰ। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ গীত-মাতেৰে সকলোৱে শিল্পীজনাক আৰু তেখেতৰ সৃষ্টিৰাজিক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে।

২৬ জানুৱাৰী, ২০২০ তাৰিখে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে আমাৰ বিদ্যালয়তো ৭১ তম গণৰাজ্য দিৱস উদ্‌যাপন কৰা হয়। বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু একাংশ শিক্ষাৰ্থীৰ উপস্থিতিত পুৱা ৭:৩০ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলনেৰে এই দিৱস উদ্‌যাপন কৰা হয়। জানুৱাৰীৰ ২৭ তাৰিখৰ পৰা ৩ ফেব্ৰুৱাৰীলৈ ২০২০ বৰ্ষৰ বাৰ্ষিক খেল-ধেমালি আৰু মাৰ্চপাষ্ট প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ২৭ জানুৱাৰী, ২০২০ তাৰিখে মুখ্য অতিথি হিচাপে উপস্থিত থাকি মাৰ্চপাষ্টৰ অভিবাদন গ্ৰহণ কৰে অৱসৰপ্ৰাপ্ত কৰ্ণেল পৱিত্ৰ মোহন গোস্বামীয়ে।

৩০ জানুৱাৰী, ২০২০ তাৰিখে বিদ্যালয়ত সৰস্বতী পূজা উদ্‌যাপন কৰা হয়। বিদ্যালয়ৰ সমূহ শিক্ষাৰ্থী আৰু অভিভাৱক-অভিভাৱিকাকে ধৰি প্ৰায় চাৰি সহস্ৰাধিক লোকে পূজাৰ ভোগ গ্ৰহণ কৰে।

২৮ ফেব্ৰুৱাৰী, ২০২০ তাৰিখে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি আমাৰ বিদ্যালয়তো বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়। এই দিৱসত পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ সকলো শিক্ষাৰ্থীয়ে বিজ্ঞানৰ বিভিন্ন ধৰণৰ আৰ্হি, পৰীক্ষা আৰু প্ৰকল্প আদি প্ৰদৰ্শন কৰে। বিগত বৰ্ষবোৰৰ দৰে এই বৰ্ষটোতো ৮মৰ পৰা ১০ম শ্ৰেণীলৈ ৰাজ্যিক ভিত্তিত এখনি বিজ্ঞান প্ৰদৰ্শনীৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিজ্ঞান দিৱসৰ আমন্ত্ৰিত অতিথি আছিল তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দেৱেন চন্দ্ৰ বৰুৱা। এই দিৱসতে বিদ্যালয়ৰ বাৰ্ষিক বিজ্ঞান আলোচনী ‘প্ৰভাত’ৰ একবিংশতিতম সংখ্যা উন্মোচন কৰা হয়।

২০২০ বৰ্ষৰ মাৰ্চ মাহৰ ১৪ আৰু ১৫ তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে এই বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে অভিজ্ঞান শিবিৰ আৰু ১৫ তাৰিখে এই বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে অভিজ্ঞান সভা অনুষ্ঠিত কৰা হয়। এই শিবিৰত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন পৰামৰ্শ প্ৰদান কৰে বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ড° মৈথিলী হাজৰিকা আৰু কেৰিয়াৰ গাইড ৰঞ্জন বৰুৱাই। অভিজ্ঞান শিবিৰ আৰু অভিজ্ঞান সভাৰ মুকলি সভাৰ মুখ্য অতিথি আছিল বিশিষ্ট শিক্ষাবিদ, লেখক ড° গোবিন্দ প্ৰসাদ শৰ্মা। লকডাউনৰ মাজতে ১৫ আগষ্টৰ পুৱা ৭:৩০ বজাত বিদ্যালয় প্ৰাঙ্গণত ৰাষ্ট্ৰীয় পতাকা উত্তোলনেৰে ৭৩ তম স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়।

**বিদ্যালয়ৰ শৈক্ষিক কাৰ্য্যসূচী**

২০২০ বৰ্ষৰ ২ জানুৱাৰীৰ পৰা নিয়মীয়াকৈ বিদ্যালয়ৰ শ্ৰেণীসমূহ অনুষ্ঠিত হয়। ১২ ফেব্ৰুৱাৰীৰ পৰা ২০ ফেব্ৰুৱাৰীলৈ ২য় শ্ৰেণীৰ পৰা ১০ম শ্ৰেণীলৈ প্ৰথম গোট পৰীক্ষা অনুষ্ঠিত হয়। প্ৰথম শ্ৰেণী প্ৰথম গোট পৰীক্ষা অনুষ্ঠিত হয় ৩ মাৰ্চৰ পৰা ৬ মাৰ্চলৈ। ইতিমধ্যে সমগ্ৰ বিশ্বতে ক’ভিড-১৯ৰ সংক্ৰমণে ছানি ধৰিবলৈ লৈছিল। বিশ্বৰ বিভিন্ন দেশে লকডাউন দিয়া আৰম্ভ কৰে। অসম চৰকাৰেও ১৬ মাৰ্চৰ পৰা বিদ্যালয়সমূহ বন্ধ ৰখাৰ নিৰ্দেশ দিয়ে আৰু ২৪ মাৰ্চৰ পৰা কেন্দ্ৰীয় চৰকাৰেও লকডাউন ঘোষণা কৰে। লগে লগে বিদ্যালয়ৰ সকলো কাৰ্য্যসূচী স্থবিৰ হৈ পৰে। এই সময়তে আমি সকলোৱে এই বন্ধ দীঘলীয়া হ’ব বুলি অনুমান কৰোঁ আৰু সেয়েহে

অনলাইনযোগে শ্ৰেণীসমূহ চলাই নিয়াৰ পৰিকল্পনা কৰা হয়। সেই অনুসৰি মাৰ্চ মাহৰ শেষৰ সপ্তাহত প্ৰতিটো শ্ৰেণীৰ প্ৰতিটো শাখাৰে হোৱাট্চ এপ (WhatsApp) গ্ৰুপ খোলা হয়। এপ্ৰিল মাহৰ প্ৰথম সপ্তাহৰ পৰাই এই গ্ৰুপসমূহৰ জৰিয়তে অনলাইন শ্ৰেণীসমূহ অনুষ্ঠিত হয়। এই শ্ৰেণীসমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক লিখিত ৰূপত বিষয়বস্তুৰ টোকা আৰু ভিডিঅ' শ্ৰেণীৰ যোগান ধৰা হয়। ইয়াৰ পৰৱৰ্তী সময়ত পৰ্য্যায়ক্ৰমে zoom আৰু Google meet appৰ জৰিয়তেও প্ৰত্যক্ষভাৱে শ্ৰেণীসমূহ লোৱা হয়।

অংকুৰ আৰু প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ ১৩ এপ্ৰিল তাৰিখৰ পৰা হোৱাট্চ এপ যোগে অনলাইন শ্ৰেণী আৰু ৬ নৱেম্বৰ তাৰিখৰ পৰা Google meet appৰ জৰিয়তে শ্ৰেণীসমূহ অনুষ্ঠিত হয়।

১২ এপ্ৰিলৰ পৰা দ্বাদশ শ্ৰেণীৰ zoom আৰু Google meet appৰ জৰিয়তে শ্ৰেণী লোৱা হয়। ১২ জুনৰ পৰা দশম শ্ৰেণীৰ Google meet appৰ জৰিয়তে শ্ৰেণী লোৱা হয়। ১৭ আগষ্টৰ পৰা ৫ম শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ Google meet appৰ জৰিয়তে শ্ৰেণী লোৱা আৰম্ভ হয়। নৱেম্বৰ মাহৰ ৯ তাৰিখৰ পৰা দশম আৰু দ্বাদশ শ্ৰেণীৰ বিদ্যালয়ত শ্ৰেণী অনুষ্ঠিত কৰা হয়।

৪ আগষ্ট তাৰিখে একাদশ শ্ৰেণীৰ বিজ্ঞান শাখাৰ আৰু ৫ আগষ্ট তাৰিখে একাদশ শ্ৰেণীৰ কলা শাখাৰ নামভৰ্তি হৈ যায়। ৭ আগষ্টৰ পৰা একাদশ শ্ৰেণীৰ অনলাইন শ্ৰেণীসমূহ অনুষ্ঠিত হয়। লগতে ১৪ নৱেম্বৰৰ পৰা একাদশ শ্ৰেণীৰ আৰু ২৪ নৱেম্বৰ তাৰিখৰ পৰা ৫ম শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ বিদ্যালয়তে শ্ৰেণী আৰম্ভ হয়। লকডাউনৰ সময়ছোৱাত তিনিটাকৈ অনলাইনযোগে গৃহ পৰীক্ষা অনুষ্ঠিত কৰা হয়। ২০ মে' তাৰিখৰ পৰা প্ৰথম গৃহ পৰীক্ষা, ১৭ জুলাইৰ পৰা গৃহ ছয়মাহিলি পৰীক্ষা আৰু ২৫ নৱেম্বৰৰ পৰা তৃতীয় গৃহ পৰীক্ষা অনুষ্ঠিত কৰা হয়।

২০ নৱেম্বৰ তাৰিখৰ পৰা দশম শ্ৰেণীৰ আৰু ২১ নৱেম্বৰ তাৰিখৰ পৰা দ্বাদশ শ্ৰেণীৰ বিশেষ পৰীক্ষা বিদ্যালয়তে অনুষ্ঠিত কৰা হয়।

**অন্যান্য কাৰ্য্যসূচী**

২০২০ শিক্ষাবৰ্ষত আমাৰ বিদ্যালয়ৰ Academic Core Committee চমুকৈ ACCৰ ৯ খন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকসমূহত শৈক্ষিক বিষয়ৰ বিভিন্ন কথা আলোচনা কৰি সিদ্ধান্ত লোৱা হয়।

২০২০ বৰ্ষৰ ২৯ জুলাইত কেন্দ্ৰীয় চৰকাৰে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ (The new National Education Policy-2020) অনুমোদন জনায়।

লকডাউনৰ সময়ছোৱাতে বিদ্যালয়ৰ মাননীয় সচিব মহোদয়ৰ পৰামৰ্শ মতে Webinarযোগে NEP-20ৰ ওপৰত এলানি বক্তৃতাৰ আয়োজন কৰা হয়। ৫ ছেপ্টেম্বৰ তাৰিখৰ পৰা আৰম্ভ হোৱা এই বক্তৃতানুষ্ঠানত ১৩ খন Webinarত ১৯ জন শিক্ষক-শিক্ষয়িত্ৰীয়ে বক্তৃতা প্ৰদান কৰি NEP-2020 বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে।

**বিদ্যালয়ৰ শৈক্ষিক ফলাফল**

২০২০ বৰ্ষৰ ৬ জুন তাৰিখে এই বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। এই বৰ্ষত আমাৰ বিদ্যালয়ৰ মুঠ ১২৭ গৰাকী পৰীক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰ আটাইকেইগৰাকী পৰীক্ষাৰ্থীয়ে উত্তীৰ্ণ হৈ বিদ্যালয়ৰ পূৰ্বৰ ১০০% উত্তীৰ্ণৰ হাৰৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখে। ১২৭ জন পৰীক্ষাৰ্থীৰ ১১১ জনে প্ৰথম বিভাগত আৰু ১৬ জনে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। ইয়াৰে ৩৭ জনে ডিষ্টিংচন নম্বৰ আৰু ৩৯ জনে ষ্টাৰ নম্বৰ লাভ কৰে।

এই বৰ্ষৰ পৰীক্ষাত আমাৰ বিদ্যালয়ৰ ছাত্ৰী অনন্যা মেধিয়ে ৯৭.৫ শতাংশ নম্বৰ লাভ কৰি ৰাজ্যখনৰ ভিতৰতে ৯ম স্থান দখল কৰি বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে।

এই বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৫ জনে সাধাৰণ গণিতত, ৮ জনে উচ্চ গণিতত সৰ্বোচ্চ ১০০ নম্বৰ লাভ কৰে। তদুপৰি ৫০ জনে অসমীয়াত, ৫৯ জনে ইংৰাজীত, ৬০ জনে সাধাৰণ বিজ্ঞানত, ৪৯ জনে সমাজ বিজ্ঞানত, ৬৮ জনে সাধাৰণ গণিতত ৰাজ্যিক ভিত্তিত, ৪২ জনৰ ভিতৰত ৩৪ জনে উচ্চ গণিতত, ২৪ জনৰ

ভিতৰত ১৬ জনে কম্পিউটাৰ বিজ্ঞানত, ২২ জনৰ ভিতৰত ১১ জনে ভূগোলত, ০৩ জনৰ ভিতৰত ০৩ জনে সঙ্গীতত, ১১ জনৰ ভিতৰত ৭ জনে নৃত্যত, ০৯ জনৰ ভিতৰত ৬ জনে সুকুমাৰ কলাত, ১৩ জনৰ ভিতৰত ১০ জনে হিন্দীত আৰু ৩ জনৰ ভিতৰত ২ জনে লেটাৰ নম্বৰ লাভ কৰে।

চলিত বৰ্ষৰ ২৫ জুন তাৰিখে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। এই বছৰত কলা শাখাত আমাৰ বিদ্যালয়ৰ মুঠ পৰীক্ষাৰ্থী আছিল ৪৮ জন। ইয়াৰে ৩২ জনে প্ৰথম বিভাগত আৰু ১৪ জনে ২য় বিভাগত উত্তীৰ্ণ হয়। কলা শাখাত আমাৰ বিদ্যালয়ৰ ছাত্ৰী সম্পূৰ্ণা বাৎসায়নে ৰাজ্যখনৰ ভিতৰতে ৫ম স্থান লাভ কৰি বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে। ইয়াৰ ভিতৰত ১৬ জনে ষ্টাৰ নম্বৰ লাভ কৰে। উত্তীৰ্ণ হাৰ ১০০%। উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত মুঠ পৰীক্ষাৰ্থী আছিল ৫১ জন। ইয়াৰে ৪৩ জনে প্ৰথম বিভাগত, ০৮ জনে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ ১০০% উত্তীৰ্ণৰ হাৰৰ গৌৰৱ অক্ষুণ্ণ ৰাখে। ইয়াৰে ভিতৰত ১৬ জনে ষ্টাৰ নম্বৰ লাভ কৰে।

এই বৰ্ষত আমাৰ বিদ্যালয়ৰ দুটা দলে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ জিলা পৰ্য্যায়ৰ প্ৰতিযোগিতাত নিৰ্বাচিত হৈ তিনিচুকীয়াত অনুষ্ঠিত হোৱা ৰাজ্যিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। ইয়াৰে প্ৰথম দলটোৰ সদস্যসকল হ'ল নৱম শ্ৰেণীৰ সৃজন বৰুৱা আৰু মানস প্ৰতিম ডেকা আৰু আনটো দলৰ সদস্যসকল হ'ল নৱম শ্ৰেণীৰ জৰ্জ জিজ্ঞাস বৰদলৈ আৰু সিদ্ধাৰ্থ ভৰদ্বাজ।

২০২০ বৰ্ষটো সমগ্ৰ বিশ্বৰ বাবে এক দুৰ্য্যোগৰ বৰ্ষ। অসম জাতীয় বিদ্যালয়ৰ বাবেও বৰ্ষটোত তিনিটা অতি দুৰ্ভাগ্যজনক ঘটনা ঘটে। ২০২০ বৰ্ষৰ ৩১ জানুৱাৰী তাৰিখে আমাৰ বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা ৰেক্টৰ শ্ৰদ্ধেয় বনমালী তালুকদাৰ ছাৰৰ বাৰ্ধক্যজনিত কাৰণত দেহাৱসান হয়। অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্-বিদ্যালয়ৰ শাখাৰ এগৰাকী নিষ্ঠাবান শিক্ষয়িত্ৰী অম্বিকা ডেকা বৰা যোৱা ২০ মাৰ্চ তাৰিখে এক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ স্বৰ্গগামী হয়। ২ অক্ট'বৰ তাৰিখে বিদ্যালয়ৰ এগৰাকী অতি নিষ্ঠাবান কৰ্মচাৰী সঞ্জীৱ বড়োৱে এক জটিল ৰোগত আক্ৰান্ত হৈ মাত্ৰ ৩৭ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে।

বিদ্যালয়ৰ তিনিওগৰাকী ব্যক্তিৰ লগতে ২০২০ বৰ্ষত ক'ভিড-১৯ৰ সংক্ৰমণ বা অন্যান্য কাৰণত পৰলোকপ্ৰাপ্তি ঘটা সকলো লোকলৈ এই প্ৰতিবেদনৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি যাচিলোঁ আৰু তেখেতসকলৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

**শিক্ষণ প্ৰশিক্ষণ কাৰ্য্যসূচী**

প্ৰতি বছৰে আমাৰ বিদ্যালয়ত অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ চমুকৈ এজবেকৰ তত্ত্বাৱধানত অসমৰ বিভিন্ন প্ৰান্তৰ জাতীয় বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে বিভিন্ন বিষয়ৰ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী সম্পাদন কৰি অহা হৈছে। এই বৰ্ষটোতো ২১ মাৰ্চৰ পৰা আৰম্ভ কৰি বিভিন্ন দিনত ভিন ভিন বিষয়ৰ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী ৰূপায়িত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। কিন্তু উক্ত সময়ত চলি থকা লকডাউনৰ বাবে উক্ত কাৰ্য্যসূচী ৰূপায়ণ কৰাটো সম্ভৱ নহ'ল। তৎসত্ত্বেও পৰৱৰ্তী সময়ত অনলাইনযোগে বিভিন্ন বিষয়ৰ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী সফলভাৱে ৰূপায়ণ কৰা হয়। নৱেম্বৰ মাহৰ ২৪, ২৮, ২৯, ৩০ আৰু ডিছেম্বৰ মাহৰ ২, ৬, ১২ আৰু ১৩ তাৰিখে ১ম শ্ৰেণীৰ ইংৰাজী বিষয়ৰ শিক্ষক প্ৰশিক্ষণ অনুষ্ঠিত হয়। ইয়াত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে ১ম শ্ৰেণীৰ ইংৰাজী বিষয়ৰ পাঠ্যপুথিৰ প্ৰণেতা ড° মিজোপ্ৰভা বৰাই।

১৬ আৰু ১৭ ডিছেম্বৰত প্ৰাক্ বিদ্যালয় আৰু ইংৰাজী, ১৮ আৰু ১৯ ডিছেম্বৰত গণিত আৰু অসমীয়া, ২১ আৰু ২২ ডিছেম্বৰত বিজ্ঞান আৰু সমাজ বিজ্ঞান আৰু ২৩ ডিছেম্বৰত হিন্দী আৰু সুকুমাৰ কলা বিষয়ৰ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী অনলাইনযোগে সফলভাৱে সম্পাদন কৰা হয়।

বিগত সাতাইছ বছৰত জাতীয় বিদ্যালয় শিক্ষা ব্যৱস্থাটো অসমত মাতৃভাষা মাধ্যমত শিক্ষাদানৰ এক শক্তিশালী শিক্ষা ব্যৱস্থা হিচাপে স্বীকৃত হৈছে। আগন্তুক দিনবোৰতো ইয়াৰ বাবে নিষ্ঠা আৰু আন্তৰিকতাৰে কাম কৰি যাবলৈ আমি সংকল্পবদ্ধ। ❖

## মৌ-মেল

# গাড়ীবিলাকৰ চকা নাথাকি যদি চৰাইৰ নিচিনা পাখি থাকিলেহেঁতেন, তেতিয়া কি হ'লহেঁতেন?



[ শিশুসকলে গাড়ী খুব ভাল পায়। গাড়ীবিলাকৰ চকা নাথাকি যদি চৰাইৰ নিচিনা পাখি থাকিলেহেঁতেন, তেতিয়া কি হ'লহেঁতেন বুলি সোধাত শিশুসকলে ৰোমাঞ্চিত হৈ অডিঅ'যোগে দিয়া উত্তৰ হুবহু ৰূপত তুলি দিয়া হৈছে। ]

### অংকুৰ শ্ৰেণী, ক শাখা

**অগ্নিভ বৰ্মন** : যদি গাড়ীখনৰ চকা নাথাকিলে পাখি থাকিলে হয় তেতিয়াহ'লে উৰি গ'লে হয়।

**ৰাগ তনয়** : চৰাইৰ দৰে উৰি গ'লহেঁতেন।

**অনন্যা ডেকা** : গাড়ীবোৰৰ চকা নাথাকিলে পাখি থাকিলে উৰিবলৈ যাব পাৰিলোঁ হয়।

**সমীৰণ ডেকা** : এ... গাড়ীত পাখি থাকিলে কি হ'লহেঁতেন? উৰি গ'লহেঁতেন হাঁ...হাঁ...হাঁ...।

**কৃষ্ণাংশু কলিতা** : চৰাইবিলাক উৰোঁতে অসুবিধা হ'ল হয় আৰু কান্দি থাকিল হয়।

**দৰ্শিত নিখিল তালুকদাৰ** : গাড়ীবোৰত চকা নাথাকিলে গাড়ীবোৰ উৰি গ'ল হয়।

**হর্ষিতা কাশ্যপ** : চৰাইৰ নিচিনা পাখি থাকিলে গাড়ীবোৰো উৰি গ'ল হয়। উৰাজাহাজ যেনেকৈ উৰে তেনেকে।

**ফাৰহান ৰহমান** : উৰি যায়... হা...হা...উৰি...যায়...উৰি যায়।

**দীপ আকাশ গোস্বামী** : নাযায়, নাযায়, বেয়া হ'ব, নাযায় খুলি যাব... পৰি যাব, গাড়ীখন নায়...এ...

**নৈবেধী শৰ্মা** : গাড়ীবোৰে চৰাইৰ নিচিনা উৰি যাব পাৰিলে হয়।

**কৃষ্টি ডেকা** : যদি গাড়ীৰ চকা থাকে ৰাস্তাদি যাম আৰু যদি গাড়ীৰ পাখি থাকে মেঘৰ ওপৰেদি যাম।

**স্বৰাজ কলিতা** : গাড়ীবিলাকৰ পাখি থাকিলে উৰি গ'লহেঁতেন।

**নীহাৰিকা ডি. কৌডিণ্য** : এ এ ই গাড়ীৰ যদি পাখি হয়। উৰি গ'লে ওপৰত চৰাইবোৰ মৰি যাব। সেইকাৰণে তলত থাকিব লাগে, গাড়ীবিলাক।

**প্ৰিয়াংশী কাশ্যপ** : গাড়ীৰ চকা নাথাকিলে উৰি গুচি গ'লোঁ হয়। ঘৰলৈ উৰি যাম। টিচাৰে উৰি যাম। গাড়ীখন উৰি যায়।

## অংকুৰ শ্ৰেণী, খ শাখা

**কৃতিকা ভট্টাচাৰ্য্য** : গাড়ীবোৰ চকা নাথাকিলে পাখি থাকিলে উৰি গ'ল হয়।

**ৰূপজ্যোতি মেধি** : গাড়ীবোৰৰ চকা নাথাকিলে চৰাইবোৰৰ পাখি থাকে যদি তেতিয়া গাড়ীবোৰে উৰি যাব পাৰিলে হয়।

**কনিশৰাজ দাস** : উৰি যাব।

**ভৃদীক বড়ো** : গাড়ীবোৰ চকা নাথাকিলে চৰাইৰ নিচিনা পাখি থাকিলে উৰিব পাৰিলেহেঁতেন।

**স্নেহা কাশ্যপ** : গাড়ীবোৰ চকা নাথাকিলে পাখি থাকিলে চৰাইৰ দৰে উৰি ফুৰিলে হয়।

**ছায়ামণি ডেকা** : গাড়ীত যদি চকা নাথাকিলে হয় চৰাইৰ দৰে উৰিলে হয়।

**পলভিত চৌধুৰী** : উৰি গ'ল হয়।

**প্ৰয়াস বৰ্মন** : গাড়ীবোৰৰ পাখি থাকিলে উৰি গুচি গ'ল হয়, গছত পৰি গ'ল হয়। আমিও উঠিলে আমিও উৰিব পাৰিম।

**ধ্ৰুৱজ্যোতি দাস** : গাড়ীৰ যদি চকা নাথাকিল হয় তেতিয়া পাখি থাকিল হয়, আমি দেখোন উৰিব পাৰিলোঁ হয়। তেতিয়া এই এৰ'প্লেন চেৰপ্লেন নাথাকিলে উৰিব পাৰিলোঁ হয়। জোন তৰাবোৰ আমি চাব পাৰিলোঁ হয়। এৰ'প্লেনবিলাকে উৰিব পাৰিল গছত লাগিলহেঁয়ে তাঁৰত লাগিল হয় পাৰ্কিং কৰিব গেৰেচতো নাথাকিল হয়।

**চৈয়দা ফাৰনাজ চুলতানা** : উৰি গ'ল হয়।

**ৰণদ্বীপ ওজা** : গাড়ীৰ চকা নাথাকিলে চৰাইৰ পাখি থাকিলে আমি উৰি উৰি ঘূৰি থাকিলোঁ হয়।

**আকাংক্ষা শৰ্মা** : হেৰি...যদি এটা গাড়ী এটা গাড়ীত যদি চকা নাথাকিলে হয় তেতিয়া পাখিৰ দৰে থাকিল হয় তেতিয়া উৰি থাকিলে হয় তেতিয়া ককাকে মাতিলে হয়।

**সম্বুদ্ধ কাশ্যপ** : মই নেজানো কোনোবাই যদি পাখি লগাই দিয়ে দেতাই চলাই যদি তেতিয়া বাইকখন উৰুৱাই দিব তেতিয়া বাইকখন পাখি দুখন নিজে নিজে উৰি যাব।

**অংকিতা ডেকা** : উৰিব পৰা হয়। সেনেকেই চলালে হয়।

**ইউজাৰচিফ হক** : এনাকা উৰি বহুতে দূৰত গুচি যাব।

**হিমৰাজ তালুকদাৰ** : গাড়ীৰ পাখি থাকিলে উৰি গ'ল হয়।

**অন্বেষা বৰুৱা** : তেতিয়া গাড়ী উৰিব পাৰিল হয়।

## অংকুৰ শ্ৰেণী, গ শাখা

**উৎকৰ্ষা ভাগৱতী** : গাড়ীবিলাক উৰিলেহেঁতেন ক্লাউদবিলাক চুব পাৰিলেহেঁতেন আমি খিৰিকী খুলি ক্লাউদবিলাক চুব পাৰিলোঁহেঁতেন। ব...হু...ত হাৱা পালোঁহেঁতেন আৰু ক্লাউদ পৰা হাতটো উলা গ'লহেঁতেন... হাত উলিয়াই পাখীবিলাকক পটকে চুব পাৰিলোঁহেঁতেন। পক্ষীবিলাক ছাল কি...মা...ন

কোমল থাকে...। ক্লাউদবিলাক কি-মা-ন ডাঠ থাকে। ডাঠ থাকে অলপমান। অ', ডাঠ বগা থাকে।

**হায়ান বৈশ্য :** এৰোপ্লেন।

**দেৱাংগনা এন তালুকদাৰ :** অ' অলকা বাইদেউ যদি গাড়ীৰ চাকা নাথাকিলাক হয়, যদি পাখি থাকাল হয় তেতিয়া আমি আকাশত উৰি যাব পাৰিলোঁ হৈ। তাৰ পাৰাই সূৰ্য্য চুব পাৰলো হয়। এতিয়া যি গাড়ীৰ পাখিয়ে নাই সেইকাৰণে চুব নোৱাৰো মোৰ বহুত চুব মন যায়।

**ময়ূৰ কলিতা :** গাড়ীৰ চকা নাথাকিলে উৰি যালে হয়।

**ৰাহি ডেকা :** উৰি যাব। গাড়ী, চকা নাথাকিলে বগলী পাখিত আহি কেনে উৰি যাব।

**মানৱজ্যোতি ডেকা :** গাড়ীৰ পাখি থাকিলে উৰি মন হয় জল্দি পালোঁ হয়। গাড়ীৰ জাম নহ'ল হয়।

**জ্যোতিৰাজ শৰ্মা :** গাড়ী চকা নাথাকিলে পাখি থাকিল হয় যদি, উৰি গ'ল হয় গাড়ীখান, আমি উঠিব পাৰিলোঁ হয় ড্ৰাইভাৰো নালাগিল হয়। উৰি উৰি যায় থাকিব পাৰিলোঁ হয়।

**প্ৰিন্সজ্যোতি কাশ্যপ :** উৰি যাব।

**হিমাঞ্জল কলিতা :** গাড়ী চকা থাকিলে চৰাই নিচিনা পাখি থাকিলে প্লেনৰ নিচিনা উৰিব...

**বনশিখা ৰাজবংশী :** গাড়ীৰ চকা নাই...তো এচচিদেন হৈ যাব।

**মায়াংক ডেকা :** গাড়ীৰ পাখি থাকিলে এই যে... উৰি যাব পাৰিলে হয়, আৰু গছত লেগু কৰিব পাৰিলে হয় আৰু তেতিয়া বহুত সোনকালে যাব পাৰিলে হয়।

**আনিছা বৈশ্য :** গাড়ীবোৰ উৰিলেহেঁতেন...।

**প্ৰজ্ঞান কলিতা :** গাড়ীবিলাক উৰি থাকিলে হয়। উৰি উৰি চৰাইৰ ফেন্দ হৈ গ'লে হয়।

**পাৰ্থ প্ৰতীম ডেকা :** গাড়ীবোৰ যদি চকা নাথাকিলেহেঁতেন পাখি থাকিলেহেঁতেন চৰাইৰ দৰে উৰি গ'লহেঁতেন।

**তনভী ভৰালী :** যদি গাড়ীৰ চকা নাথাকে তেতিয়া গাড়ী ওপৰলৈকে এৰোপ্লেনৰ নিচিনা উৰি যাব।

**নিবিড় মল্ল বুজৰবৰুৱা :** গাড়ীখান যাব—উৰি উৰি, আমি চব পাম দেখা ধুম ধুম ঘৰ, ধুম ধুম... মই তোমাক পাম দেখা ওপৰ এনেকৈ চৰাই দৰে যাম উৰি উৰি গাড়ীৰ পাম থাকিলে আমি যাম উৰি উৰি... চৰাইৰ দৰে। আমি চব পাম দেখা...আমি গাড়ী পাম দেখা ডাঙৰ ডাঙৰ ঘৰো পাম দেখা...।

**আয়ান মেধি :** চৰাইটোৱে মোক মৰম কৰিব, চৰাই আৰু মোক গাড়ীত উৰাই জোৰত ঘোং ঘোং দিব আৰু মোৰ লগত হামুও দিব। আৰু আৰু স্পীডত চলাই দিব, মোক চিটত বহিব দিব, ইমান স্পীডত যাব... এনেকে এনেকে (ভংগীমা দি চৰাইৰ দৰে) এনেকে, এনেকে চলাই থাকিব, মই ষ্টেৰিংটো ঘূৰাই দিম আৰু ফোংকৈ পাখিবিলাক উৰি আহিব। ❖



**মেঘনা দাস,** প্ৰথম শ্ৰেণী



**উদ্দীপন শৰ্মা,** প্ৰথম শ্ৰেণী

# বতাহ দিলে গছবোৰে কিয় নাচি থাকে?



[ শিশুৰ কৌতূহলী মনটোৰ উমান ল'বলৈ দিয়া হৈছিল আন এটি প্ৰশ্ন : বতাহ দিলে গছবোৰে কিয় নাচি থাকে? অডিঅ'যোগে দিয়া উত্তৰ হুবহু ৰূপত তুলি দিয়া হৈছে। ]

**অংকুৰ শ্ৰেণী, 'ক' শাখা**

**নিৰ্বিঘ্না কাকতি :** বতাহ আহে এই যে বতাহেযে গছবোৰ যে লৰি, মই যে বাহিৰত খেলি থাকোঁ। সেইকাৰণে লৰি থাকে, লৰি থাকে, লৰি থাকে। বতাহ আহাৰ পিছৰ মইতো খেলি থাকোঁ বাহিৰত, তেতিয়াতো বতাহ দিলে গছবোৰ তুৰুৰ তুৰুৰ তুৰুৰ হুৰুং লৰি থাকে। লৰি থাকে তেতিয়া মোৰ গাতো আহি যায় বতাহ।

**জেচিকা কলিতা :** বতাহ দিলে গছৰ পাতবোৰ লৰি থাকে কাৰণে পাতবোৰ লৰি থাকে যে সেইকাৰণে পাতবিলাকো লৰি থাকে। গাড়ীত চকা নাথাকি পাখি থাকিলে উৰি গ'ল হয়।

**বিজয় কাশ্যপ :** নাচি থাকে হালি থাকে, নাচি থাকে আৰু হালি থাকে। হালি থাকে, নাচি থাকে।

**আৰ্য্য অতুল :** বতাহ দিলে গছবোৰ কেলেই নাচি থাকে গম পাইছা, মানে... চৰাইৰ নিচিনাকে উৰিব খোজে। গছবোৰে আৰু বতাহৰ লগত উৰিব খোজে।

**স্তুতিৰঞ্জন মেধি :** বতাহ আহিলে পাতবিলাকক চুই দিয়ে, বতাহবিলাকে একদম জোৰ জোৰকৈ ঘূৰি দিয়ে আৰু আমি যেনেকে হাতত লৈ কেনে পাতবোৰ ফুকে দিওঁ। সেনেকে বতাহে পাতবোৰক ঠেলি দিয়ে।

**ৰূপান্তৰ তালুকদাৰ :** বতাহ দিলে গছবিলাকৰ স্ফূৰ্তি লাগে সেইকাৰণে পাতবিলাকে নাচি থাকে।

**অৰন্তীকা চৌধুৰী :** ফূৰ্তি লাগে পাতবোৰৰ। ঠাণ্ডা লাগে। পাছে পাতবিলাকে এনেকে নাচে আৰু ঠাণ্ডা লাগে।

**ৰিয়াশ্ৰী ডেকা :** গছবোৰ পাতল, সেউজীয়া ৰঙৰ, সেইকাৰণে ওখ, বতাহতে লৰি থাকে, নাচি থাকে।

**আয়ুষ্মান ভৰদ্বাজ :** বতাহ দিলে কিয় গছবিলাক নাচি থাকে...এ...সেইকাৰণে নাচি থাকে... আমাৰ এতিয়া ফুলবোৰ লাহেকে নাচি আছে এনেকে বতাহ দিলে গছডালো লৰি যাব।

**দৰ্শালী দত্ত :** গছৰ পাতবিলাকে ভালকে ভাত নাখায় আৰু গছৰ পাতবিলাকক বতাহে কুটু কুটু দিয়ে... গছৰ পাতবিলাকে নাচি থাকে, নাচি থাকে।

**নিয়ন নাথ :** গছবোৰৰ ঠাণ্ডা লাগে। গছবোৰৰ নাচিব মন যায়। ঠাণ্ডাত কঁপি থাকে।

## অংকুৰ শ্ৰেণী 'খ' শাখা

**প্ৰজ্ঞাশ্ৰী শৰ্মা :** বতাহ দিলে গছটোৰ ফূৰ্তি লাগে সেইকাৰণে গছটো নাচি থাকে।

**সমৃদ্ধি চহৰীয়া :** বতাহ দিলে গছৰ পাতবোৰত বতাহ লাগি গছৰ পাতবোৰে নাচি থাকে যেতিয়া গছৰ পাতবোৰে নাচিব গছডালেও নাচি থকাৰ দৰে লাগে।

**দৃশ্যান্ত কাকতি :** গছটো নাচি থাকে। গছখন মানে যে সিহঁতৰ ঠাণ্ডা লাগি থাকে আৰু বতাহ লাগি থাকে সেইকাৰণে নাচি থাকে।

**প্ৰিয়ম হালৈ :** এনাই। কথা ক'ব নাজানে, দৌৰিব নাজানে। এনকে এনকে নাচ থাকে।

**কুঁহি ভট্টাচাৰ্য্য :** বতাহ দিলে গছৰ পাতবিলাক নাচে, কাৰণ গছৰ পাতবিলাক পাতল। জোৰকৈ বতাহ দিলে জোৰকৈ নাচে, কমকৈ বতাহ দিলে কমকৈ নাচে।

**পৰশ প্ৰতীম চৌধুৰী :** গছবোৰ বতাহ দিলে কিয় লৰচৰ হৈ থাকে নাচি কিয় থাকে মানে তাত ডালবোৰ ঠেলি দিয়ে ডালবোৰক পাতক ঠেলি দিয়ে ন সেইটোৰ কাৰণে গছবোৰে বতাহ দিয়ে।

**দেৱজিৎ দাস :** মোৰ ঠাণ্ডা লাগে। ঠাণ্ডা লাগিলে গছবোৰৰ কঁপি থাকে।

**দেৱাস্মিতা বৰদলৈ :** গছবোৰে ভাবে মিউজিক বাজি আছে আৰু গছবোৰে নাচিয়ে থাকে এনেকে। বতাহতো শেষ হ'লে নানাচে। আকৌ বতাহ দিলে নাচি থাকে, আকৌ বতাহ শেষ হ'লে নানাচে।

**শিৱম কাশ্যপ :** গছ আহিলে সেইবিলাক ধুমুহাইহে গছবিলাক বহুত লৰি থাকে। তাৰ পিছত সেই হয় সাগৰৰ পৰা পানী উঠি যায়। বতাহ দিলে ধুমুহাৰ পৰা পানী উঠি যায়।

## অংকুৰ শ্ৰেণী, 'গ' শাখা

**ভাৰ্গৱ কুমাৰ বৰা :** গছৰ ডাল-পাতবোৰ লেহুকা সেইকাৰণে গছৰ পাতবোৰ লেহুকা যে সেইকাৰণে বতাহত লৰি যায়।

**স্বস্তিকা শিৱম নাথ :** গছৰ পাতবোৰ কিয় বতাহ দিলে নাচি থাকে, আমি জানিম এতিয়া শিকোঁ আহোঁচোন। গছৰ পাতবোৰ উৰি থাকে আৰু

কোনে উৰায়...বতাহে উৰায়। বস্তুবোৰ অলপ পাতল পাতল। গছৰ পাতবোৰ পাতল পাতল থাকিলে অলপ বতাহ দিলে উৰি থাকে আৰু কাপোৰো উৰি থাকে, কিয় বস্তুটো পাতৰ নিচিনা পাতল, চৰাইৰ নিচিনা।

**বৰ্ণিল বৰ্ষ :** আমি বতাহ দিলে গছবোৰ নাচি থাকে আৰু আমি বতাহ পাওঁ। বতাহবোৰ ষ্ট্ৰং হৈ কাৰণে।

**সন্দিপন দাস :** এই কি জানা, এই যে এই যে... আমাৰ গাত লাগে বতাহ দেখাই নাপাওঁ। বতাহ ... লাগি থাকে।

**সন্দিপ দাস :** বতাহ দেই যে সেই বলৰ নে নাচি থাকে অ'... মানুহ গাতো বতাহ লাগে। দেখা নাপাই তিত্তে তিত্তে কি হয় জানা আও আও কি কওঁ... বতাহ দি যে পাতবোৰে নাচি থাকে।

**নৃত্বিক নিয়ৰ গোস্বামী :** হেৰি, নাচি থাকে, বহুত বতাহ দিয়ে সেইকাৰণে নাচি থাকে, আৰু কি জানা বতাহ দিলে গছবোৰে ঠাইতে নাথাকে ইফালে-সিফালে গৈ থাকে আৰু পাতবোৰ পৰি থাকে সেইকাৰণে গছবোৰ নাচি থাকে।

**কৃষ্টি দাস :** আমাৰ চাৰিওফালে অক্সিজেন গেছ থাকে বাবে বতাহ দিলে গছৰ পাতবোৰ নাচি থাকে। বতাহ দিলে আমাৰ গা ঠাণ্ডা পৰি যায়।

**দেৱাংশ স্পন্দন বৰুৱা :** গছপাতবোৰ পূৰা বতাহ দিলে হিলি থাকে আৰু গছলৈ পাতল গছ হিলি থাকে আৰু মোটা গছ পাতলা ছাল হিলি থাকে। বতাহ জোৰকে দিয়া নাই সেই এটা কথাটো মই জানো যে।

**হিয়াশ্ৰী দাস :** গছৰ পাতবোৰ হালি-জালি নাচে, বতাহ অহাৰ বাবে গছৰ পাতবোৰ হালি জালি নাচে।

**মৃন্ময় কাশ্যপ :** বতাহ কিয় নাচি থাকে বতাহৰ কাৰণে।

**চিৰঞ্জীতা কাকতি :** গছবোৰ বতাত লই যায় আৰু গছবোৰ ওখ ওখ আৰু গছবোৰ ভাঙিও যায় লইও যায় পাতবোৰো লৈ যায়। পাত ধৈৰ হয় আৰু...

**মৃগাংক বৰা :** বতাহে লৰালে গছবোৰ নাচি থাকে।

**বৰ্ণিল শৰ্মা :** গছে নাচিব দিয়ে আও উই থাকে। বহুত বেছি নাচিব দিয়ে।

**ডিউক দত্ত :** নাচি থাকে, বতাহ বহুত জোৰত আহে জোৰত জোৰত খুন্দা লাগে আৰু নাচি থাকে। ❖



**হ্যান জ্যোতি বৈশ্য,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**উৎকৰ্ষা ভাগৱতী,** অংকুৰ শ্ৰেণী

# এদিন যদি মাৰাৰ সলনি তোমাক পাকঘৰত কাম কৰিবলৈ দিয়ে তুমি কি ৰান্ধিবা?



[ শিশুৰ মনবোৰ অনুকৰণ প্ৰিয়। ঘৰত মাক-দেউতাকৰ সংস্পৰ্শ লাভ কৰে। মাকৰ কাম-কাজ লক্ষ্য কৰে। মাকৰ নিচিনাকৈ পাকঘৰত খাদ্য ৰান্ধিবলৈ ইচ্ছা কৰে। তাৰেই আভাস ল'বলৈ শিশুসকলক সোধা হৈছিল—এদিন যদি মাৰাৰ সলনি তোমাক পাকঘৰত কাম কৰিবলৈ দিয়ে তুমি কি ৰান্ধিবা? তেওঁলোকৰ অডিঅ'যোগে পঠিওৱা উত্তৰ অসম্পাদিত ৰূপত তলত আগবঢ়ালোঁ। ]

**প্ৰাক্-প্ৰাথমিক শ্ৰেণী, ক শাখা**

**ঋষিকন্যা লাহন** : মই মায়ে যদি পাকঘৰত ৰান্ধিব দিয়ে তেতিয়া আলু আৰু জাতিলাও ভাজি বনাই আৰু ভাতখিনি কিবাকিবি দি পেলে দালিটো বনাম তাৰ পিছতে কাঁহীখন থ'ম, তাৰ পিছত বাঢ়িম, তাৰ পিছত আমি খাম।

**ৰাজদীপ চৌধুৰী :** টেঙা বনাম। খাৰ আঞ্জা বনাম।

**উদ্দীপনা দাস :** দালি, পটল, কণীৰ আঞ্জা দালি, শাক আৰু বীন ভাজা।

**কৃশিৰ কাশ্যপ :** মোক ভাত ৰান্ধিব দিলে মাংচ, ভাত, দালি, চাহ এইগিলা বনাবা দিবা।

**নবনীতা শৰ্মা :** মই মই চবজি বনাম, দালি বনাম, ভাত বনাম, তৰকাৰী বনাম, দালি বনাম, মাংস বনাম, পায়স বনাম, দৈ বনাম, মই তাৰ পিছত মাংস, ভাত, চাউল, দালি দি ভাত বনাম। দালি আঞ্জা আৰু তৰকাৰী বনাম বাচনত থ'ম।

**হৰদীপ কলিতা :** বিলাহী আঞ্জা, পানী, আঞ্জাত পানী দিম আৰু বহি থাকিম। বহিয়েই থাকিম।

**মন ময়ূৰী মেধি :** মই ভাত ৰান্ধিব নাজানো আৰু মই লগো নাপাওঁ। সেকাৰণে মা থাকিলে মাই মোক ভাত বনাই দিব, মা নাথাকিলে দেউতাই ভাত বনাই দিব। নহ'লে মই দেউতাই অনা বেলেগ বস্তু খাম, যেনে, বিস্কুট, অ'.আৰ.এছ.।

**দেৱাঞ্জন চক্রৱৰ্তী :** যদি মাই মোক পাকঘৰত কিবা কৰবা দেই ডেইতা মই ভাত ৰান্ধিম, চাহ বনাম, চব্‌জি কাটিম।

**মহাৰ্ণৱ দত্ত :** মই মাই বনাব দিলি ভাত আৰু মাংস বনাম।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, খ শাখা

**বৰ্ণিল ভূঞা :** মোক কাম কৰিবলৈ দিলে আমি আগতে চাহ বনাম আক। আমি পানী দিম, চিনি দিম, তাৰ পিছত আমি গাখীৰ দিম, তাৰ পিছত আমি চাহপাত দিম, অকণমান কমকৈ চাহ নিজে হৈ গ'ল। ৰুটি বনাম অকমান কুৰকৈ দিম তাৰত ফুৰাই দিম তাপিছত আমি কণী দিম, মাক ৰুটি হৈ গ'ল।

**হৰ্ষদ্বীপ কাশ্যপ :** বাইদেউ মই একো নবনাও মোৰ গেছ জ্বলাব ভয় লাগে।

**অনুৰাগ দৰ্শন :** যদি মোক মাৰ সলনি যদি কিবা বনাবলে কয় তেন্তে মই বনাম প্ৰথমতে মাংস। মই মাংসটোত প্ৰথমতে দিম জলকীয়া, ধনীয়া আৰু জলকীয়া মছলা ধন্যবাদ।

**পূৰবজ্যোতি দাস :** মই...ভাত বনাব দিলে বাচন ধুম, দালি বনাম তাৰ পিছত এ... মাছটো মাছ...মাছ বনাম তাৰ পিছত আৰ বাচন ধুম।

**তন্ময় কলিতা :** মই বেলেগ বনাব নেজানো সেকাৰণে আজি মই বনাম আলুপিটিকা আৰু ভাত।

**সুপ্ৰিয়ম কাশ্যপ :** মায়ে মোক যুদি ভাত বনাব দিয়ে মই আলু কণী ভাত ৰান্ধিম।

**ঐশ্বৰিক কাশ্যপ :** মই মেগি ৰান্ধিম।

**গৰিয়সী শৰ্মা :** নমস্কাৰ বাইদেউ, আজি মই মাৰ ঠাইত পাকঘৰত আহিছোঁ। আজি মই ভাত, পটল আৰু চালাচ চালাদ আৰু কণী বনাম।

**স্নিগ্ধাশিখা লহকৰ :** মোক পাকঘৰত সোমাব ক'লে মই শুকান ৰুটি বনাই খাম।

**প্ৰেৰণা দাস :** চাউল লৈ ফেলে চাও চাউল লৈ ফেলে এনেকে ধুলে আৰু ভাতৰ মাৰ কাৰি পেনে আইতাক দি দিওঁ আৰু চাউলটো বহাই দিওঁ গেছত।

**নয়নতৰা মেধি :** আজি মই ৰুটি বনাম আৰু আলু ভাজি বনাম তাৰ পিছত ভাত বনাম, দালি বনাম, মাছ বনাম, কণী বনাম আৰু মই আজি মাই যি বনালে মই সেই তাকে বনাম।

**প্ৰিঞ্চিপ্ৰিয়া কাকতি :** মায়ে যদি মোক পাকঘৰত সোমাব দিয়ে মই বনাম জু... খোলা চাপৰি পিঠা বনাম জোন পিঠা বনাম আৰু নাৰিকলৰ পিঠা বনাম আৰু লুচি বনাম।

**কৌস্তভ ডেকা :** মই ভা... মই মাছৰ আঞ্জা বনাম। তাৰ পিছত মই মাছ ভাজা মাছ খাই ভাল পাওঁ ভাত বনাম পাঘৰ মুচিম।

**প্ৰাক্-প্ৰাথমিক শ্ৰেণী, গ শাখা**

**বনস্মিতা কাকতি :** পলাও আৰু ঘূগনি।

**জ্যোতিষ্মান দাস :** ভাত ৰান্ধিম, আলু কাটিম, চবজি বেঙেনা, ওলকবি, বইলাৰ চিকেন, পাৰ মাংস আৰু তাৰ পিছত আৰু ছাগলীৰ মাংস আৰু মাছ।

**কল্লোল মজুমদাৰ :** মাৰ সলনি তেতিয়া মই পাকঘৰলৈ যাওঁ চাউল ধুই কিনি ভাত বনাম দালিটো ধুই কিনি দালি বনাম আৰু মাছটো ভালকে ধুই কিনি মাছ ভাজি কৰিম মাংসটো ভালকে ধুই কিনি মাংস ভাজি কৰি কিনি বনাম মাংস বনাম আৰু বিন গাজৰ ধুই কিনি আলু ধুই কিনি চবজি বনাম।

**কৃষ্টিনা দাস :** মই বনাবই নোৱাৰিম মোৰ হাত পুৰি যাব।

**প্ৰাচুৰ্য্য কলিতা :** কেতিয়াবা মা পাকঘৰত সোমাবলৈ টাইম নাপালে সেই মই কণী বইল কৰিব পাৰোঁ চাহ বনাব পাৰোঁ। হৰলিস্ক বনাব পাৰোঁ আৰু কেক বনাব পাৰোঁ।

**বৰষা শৰ্মা :** মই যিহেতুকে গেছত বনাব নোৱাৰো সেই কাৰণে মই খেলনাবস্তুত চিলিণ্ডাৰ তিলিণ্ডাৰ বনাই লওঁ তাৰ পিছত বাকী পাজুলবিলাক খোৱাবস্তু বনাই মাহঁতক দিম তাত দিম ভাত দালি চবজি ভাজি আলু তাৰ পিছত ভেন্দি তাৰ পিছত ৰাতিপুৱাৰ ভাত সেইখিনি দিম তাৰ পিছত মই দুপৰীয়া ভাতত ভাত জোল পনীৰ বাকী ভেন্দিও দিম বাকী চবজি দিম আৰু দুপৰীয়াৰ যিখিনি সময় থাকে বেলেগ সময়বিলাকত মই গ্লোকন্দী দিম বাকী গাখীৰ বা কমপ্লেন সেইবোৰ দিম বাকী সন্ধিয়া এগিলাচ পানী দিম বাকী গ্লোকন্দী দিম বাকী ৰাতিও ভাত দিম ফুলকবি পনীৰ জোল বাকী মই মাছ ভাজিম।

**ৰশ্মিনন্দা কলিতা :** নমস্কাৰ মোৰ নাম শ্ৰীৰশ্মিনন্দা কলিতা। মই প্ৰাক্-প্ৰাথমিক গ শাখাত পঢ়োঁ। আজিৰ প্ৰশ্নটি হ'ল তোমাক যদি মাৰ সলনি পাকঘৰত কিবা ৰান্ধিব দিয়ে কি ৰান্ধিবা? মই ৰুটি বনাম, মই প্ৰথম আটাখিনি ল'ম আৰু সেই আটাখিনি এটা চৰিয়াত ল'ম আৰু তাৰ ওপৰত অলপ নিমখ ছটিয়াই দিম তাৰ পিছত তাতে পানী দি হাতৰ মুঠি কচ়াই কচ়াই মাৰি থাকিম অলপ আকৌ পানী ছটিয়াই দিম আৰু মাৰিম। তাৰ পিছত মাৰোঁতে মাৰোঁতে পানী শুহি যাব আৰু আটাখিনি ঢিলা হৈ যাব। ঢিলা হৈ গ'লে মই সৰু সৰুকৈ আটাৰ অলপ অলপ লাডু বনাই বনাই ছিঙি আনিম। ছিঙি আনি লাডু বনাম। মই আটাৰ লাডুটো চেপি চেপেটা বনাই দিম। চেপেটা বনাই গোটেইখিনি আটা লৈ চেপেটা কৰি ল'ম, তাৰ পিছত বেলনাত দি বেলিম। বেলি পেলাই মই ধুই থোৱা তাৱাখন মই গেছটো জ্বলাই গেছত দি দিম। গেছত দি দিয়াৰ লগে লগে তাৱাখন গৰম হৈ যাব। তাৰ পিছত মই অলপ তেল দিম আৰু সেই তেলটো গোলৰ দৰে দি দিম তাৰ পিছত মই ৰুটিকেইখন তাত দি দিম তাৰ পিছত ৰুটিকেইখন মই খণ্টিৰে ওলট পালট কৰি দিম তাৰ পিছত আমাৰ ৰুটি হৈ যাব। তাৰ পিছত মই সকলোকে বিলাই দিম। বিলাই দিয়াৰ আগতে আলু ভাজি ল'ম। আলু ভাজোতে মই আলুখিনি কাটি ল'ম। আলু কাটি লৈ হোৱাৰ পিছত আলুখিনি মই ধুই আলুখিনি কেৰাহীত তেল দি গেছটো জ্বলাই থাকিব তাৰ পিছত কেৰাহীত আলুখিনি বহাই দি আলুখিনি ওলট-পালট কৰি থাকিম। লৰাই দিওঁতে দিওঁতে আলুখিনি আলুভাজি হৈ যাব। তাৰ পিছত আমি গোটেই খাম। ধন্যবাদ।

**পাৰ্থপ্ৰতিম ডেকা :** নমস্কাৰ, মোৰ নাম পাৰ্থ প্ৰতিম ডেকা। আজি মই মোক যদি ঘৰত ভাত ৰান্ধিব দিয়ে মই তাৰ পিছত চাহ বনাম, মেগী বনাম, আলু কাটিম, পিয়াঁজ কাটিম, বাচন ধুম।

**পলকিন হাজৰিকা :** মই ৰুটি, পৰঠা, লুচি আৰু ভাত আৰু পোলাও আৰু চাহ বনাম। ধন্যবাদ।

**পল্লৱী ভাগৱতী :** যদি আজি মাৰ সলনি মোক কাম কৰিব দিয়ে পাকঘৰত কাম তেতিয়া মই আগে খোৱা বস্তু বনাম, খোৱাবস্তু সেইটো ভাত, দালি সেইবোৰ কৰাৰ পিছত মই লেতেৰা বাচনবোৰ ধুম। ধুই বাকী কামবোৰ কৰিম।

**কৃষ্ণীল গাৰ্গ :** আজি যদি...মা পাকঘৰত নাথাকে তেতিয়াহ'লে মই অকণমান ভাত সিজাম, সিজোৱাৰ পিছত আমি এখন টে... কেৰাহিত অকণমান গৰম কৰিম। গৰম কৰাৰ পিছত আমি তাতে অকণমান তেল দি দিম তাৰ পিছত অকণমান তাতে আমি পিয়াঁজ আৰু গাজৰ আৰু বিন কাটি কাৰি সৰু সৰুকৈ দি দিম। দিয়াৰ পিছত আমি লৰাই থাকিম লৰোৱাৰ পিছত আমি সেই সিজোৱা ভাতখিনি তাতে দি দিম। হোৱাৰ পিছত আমি অকণমান নিমখ আৰু অকণমান মচলা দি দিম। তাৰ পিছত অকণমান লৰাম যেতিয়া চব বস্তু মিহলি যাব তেতিয়া আমি এটা কণী ভাঙি পেলেই তাতে দি দিম। তাৰ পিছত আকৌ অলপ লৰাম, লৰোৱাৰ পিছত যেতিয়া আমাৰ সেই সেইটো মিহলি যাব ভাতখিনি মিহলি যাব যেতিয়া তেতিয়া আমি তাত অকণমান ধনিয়া পাত অকণমান দি দিম, অকণমান পাত দিয়াৰ পিছত আমি অকণমান অকণমান মিহলাম মিহলাই পেলাই সেইখিনি তেতিয়া মিহলি যাব তেতিয়া আমি এটা বাতিত দি দিম। তাৰ পিছত আমি এখন তাতে এখন চামুচ দিম। চামুচ এখন দিয়াৰ পিছত তাত আমি অকণমান চচ দি দিম। আমাৰ ভাতভজা হৈ গ'ল বাইদেউ।

**কাব্যজ্যোতি বৰুৱা :** পনীৰ ৰান্ধিম। পনীৰ কাৰণ পনীৰত কাৰণ বহুত গাখীৰ থাকে সেইটো কাৰণে পনীৰ খালে মানুহে বল পায়। পনীৰ খালে মানুহে মানুহক বচাব পাৰে আৰু নিজেও বাচিব পাৰে চব বস্তুৰ পৰা। সেইকাৰণে পনীৰ খাব লাগে।

**অংশুমান বৰুৱা :** মাছ বনাম, মাংস বনাম, চাহ বনাম, বেচিন ধোৱা, ঘৰ চাফা, ৰুটি বনোৱা, ভাত বনোৱা, বেচিন ধোৱা, ঘৰ চাফা।

**আয়ুশ্ৰী দিহিঙীয়া :** তেতিয়া মই ভাত ৰান্ধিম আৰু মই পিঠা বনাম আৰু মই চব্‌জি ৰান্ধিম আৰু চাহ। ❖



**স্বস্তিকা শিৰম নাথ,** অংকুৰ শ্ৰেণী



**বিজয় কাশ্যপ,** অংকুৰ শ্ৰেণী

# ক'ৰোনা দেখিছানে?



[ ক'ৰোনা। চাৰিওফালে এটি ভাইৰাছ বিয়পি পৰিছে। স্কুল-কলেজ, অফিচ-কাছাৰী সকলো বন্ধ। নিস্তব্ধ হৈ পৰিছে চৌদিশ। ঘৰত আবদ্ধ হৈ পৰিছে সকলো। এনেহেন সময়তে শিশুহঁতেনো ক'ৰোনাৰ বিষয়ে কি বুজিছে তাৰ উমান ল'বলৈ প্ৰশ্ন কৰা হৈছিল—ক'ৰোনা দেখিছানে? লকডাউন কেনেকুৱা? আমি অনলাইনত শিশুটিলৈ প্ৰশ্ন পঠিয়াইছিলোঁ। প্ৰশ্নৰ উত্তৰ হিচাপে শিশুটিয়ে কোৱা কথাখিনি অডিঅ'যোগে নিৰ্দিষ্ট সময়ৰ ভিতৰত পঠিয়াই দিবলৈ অভিভাৱকসকলক কোৱা হৈছিল। যথাসময়ত পঠিওৱা অডিঅ'বোৰ হুবহু ৰূপত লিখি উলিয়াই এইবাৰৰ 'বাখৰ'ৰ অকণিৰ শিতানত সজোৱা হৈছে। ]

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, ক শাখা

**বভ্ৰবী গোস্বামী :** বাইদেউ মই কিছুমান ক'ৰোনা দেখোঁ নিউজত। আৰু এগিদিনটো যাবও পাৰা নাই, স্কুলো বন্ধ আছে, লগৰবিলাককো লগ পোৱা নাই। আমাৰ একো ভাল লগা নাই, গতিকে ক'ৰোনাটোতো আমি বেয়াই পাওঁ। ক'ৰোনাটোনো কি কথা? মইতো বেয়াই পাওঁ। আৰু মই শুবও পাৰিছোঁ।

**ৰিস্মিতা দাস :** মই চাবনদি হাত ধোওঁ আৰু ভাত খাওঁ। আৰু আমাৰ তাত ক'ৰোনা ভাইৰাছ নাহে।

**সাৰ্থিক জ্যোতি হীৰা :** দেখিছোঁ। বেমাৰ হয়, চৰ্দি হয়, আমি বাৰ বাৰ হেনিটাইজ কৰিব লাগে, মাস্ক মাৰ্‌বা লাগে, চব কৰবা লাগে।

**শ্ৰীয়া শৰ্মা :** ক'ৰোনা মই দেখা নাই, কিন্তু জ্বৰ, গাৰ বিষ আৰু চৰ্দি, কাহ হোৱা বুলি শুনিছোঁ। ক'ৰোনা হোৱা বুলি শুনিছোঁ।

**দৃষা ঠাকুৰীয়া :** ক'ৰোনা ভাইৰাছ মই দেখিছোঁ। ক'ৰোনা ভাইৰাছত কাঁটা কাঁটা থাকে। ক'ৰোনা ভাইৰাছ যেতিয়া হয় তেতিয়া মানুহ ওলাব নালাগে। মাস্ক পিন্ধিহে ওলাব লাগে। মাস্ক নিপিন্ধিলে ওলাব নালাগে। কিছুমানে মাস্ক নিপিন্ধাকৈ ওলাই নহয়, সেইকাৰণে ক'ৰোনা ভাইৰাছটো সোমাই যায় নহয়, এটা বহুত ডাঙৰ এটা বেমাৰ হৈ যায়।

**প্ৰথিত গোস্বামী :** কালাৰটো গ্ৰীণ কালাৰ। কেনেকুৱা দেখিবলৈ জানা, এটা গোল আৰু ঢেৰ এনেকে এনেকে আঁচ আছে।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, খ শাখা

**নিবিড় অৰণ্য দাস :** গোল এটা আমি দেখি নোৱাৰোঁ কিন্তু বহুত ডাঙৰ গোল হৈ চাইদে চাইদে এনেকে জাৰ্মচবিলাক থাকে নিউজতো দেখোঁ আমি। নিউজ যেতিয়া দেখোঁ তেতিয়া দেখোঁ সেনেকুৱা নিউজত জানা।

**দীয়া নাথ :** ক'ৰোনা এবিধ দেখা বস্তু নহয়। ক'ৰোনা এবিধ ভাইৰাছো হয়। এই ভাল...এই ভাইৰাছ আমাৰ গাত সোমাই গ'লে আমাৰ বেমাৰ হ'ব।

**বিষ্ণুপ্ৰিয়া হাজৰিকা :** ক'ৰোনা এটা বেমাৰ। ক'ৰোনা দেখা পোৱা নাযায়। মুখত মাস্ক পিন্ধিব লাগে।

**ৰিয়ানৰাজ কাশ্যপ :** দেখিছোঁ এটা এটা গোল চাইদত কাঁটা কাঁটা। ক'ৰোনাটো বীজাণু এটা, ক'ৰণাটো দেখা নাপায়। ক'ৰোনাটো নাকে-মুখে সুমাই যায়। বাহিৰত মাস্ক নিপিন্ধাকৈ যাব নালাগে। হেগুওৱাচ দি হাত ধুই থাকি ক'ৰোনাৰ পৰা বাচিব পাৰি।

**হৃয়ান জ্যোতি বৈশ্য :** ক'ৰোনা ভাইৰাছ মই দেখিছোঁ। সেউজীয়া ৰঙা। তাৰ পিছত আৰু বেমাৰটোত আমি ক'ৰোনা ভাইৰাছটো সবত থাকিব লাগে। হাত দুখন ধুই থাকিব লাগে আৰু আমি গাটো ধুই থাকিব লাগে। আৰু আমি মানুহ দূৰত থাকিব লাগে। মানুহ দূৰত থাকিলে আমাৰ বেমাৰটো নাহে। নেহওৱাচদি হাত ধুই থাকিব লাগে। আমি আৰু তাৰ পিছত মুখা পিন্ধি থাকিব লাগে।

**কস্তুৰী কলিতা :** ক'ৰোনা মানে সংক্ৰমণ বেমাৰ আৰু কবাত ওলাই গ'লে মাস্ক পিন্ধি যাব লাগে তাৰ পিছত ঘৰ পালে আমি চাফাকৈ ভৰি ধুব লাগিব তেতিয়াহে আমি বস্তু লাৰবা পাৰোঁ।

**পৰিস্মিতা হালৈ :** ক'ৰোনা মানে... ক'ৰোনা এটা ডাঙৰ ভাইৰাছ। সেই ভাইৰাছ আমি চকুৰে দেখা নাপাওঁ। সেই ভাইৰাছ আমাৰ গাত লাগিলে আমাৰ বেমাৰ হয়। যেনে, কাহ আৰু চৰ্দি আৰু জ্বৰ। সেই মানুহে যদি আনৰ ওচৰলৈ যায় সেই মানুহৰ বেমাৰ মানুহৰ গাত লাগি ধৰে, লাগি যায়।

**অভিশ্ৰুতি তালুকদাৰ :** ক'ৰোনা নাই দেখা। ক'ৰোনা ভাইৰাছহে। যদি মানুহ লেতেৰা থাকে তেতিয়া মানুহৰ গাৰ ভিতৰত ভাইৰাছ নাকে-মুখে সবতে সোমাই যাবলৈ পাৰে।

**দৃশানা ৰহমান দাস :** দেখিছোঁ আৰু মই ক'ৰোনাত এটা স্কুলত কিতাপত ফটো আছিল সেইটোত নিউজ, টিভি, ম'বাইল আৰু মোৰ পাপা ছেপ্টেম্বৰৰ দুই তাৰিখে ক'ৰোনা পজিটিভ আহিছিল। পাপা এমচিত আছিল, মই আৰু মা ঘৰত আছিলোঁ।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, গ শাখা

**তানস্বী তনয়া :** আজি যে এইবিলাক ক'ৰোনা হৈ আছে কিন্তু বাহিৰত ওলাব নালাগে আৰু মাস্ক

সদায় পিন্ধিহে যাব লাগে আৰু হেনচানিটাইজাৰ লগাব লাগে হাতত তেতিয়া জমচবিলাক দূৰ হয় তেতিয়াহে আমাৰ তাত ক'ৰোনাখিনি নাহে।

**অৰিয়ন অনুভৱ কলিতা :** নমস্কাৰ, মই ক'ৰোনা ভাইৰাছ দেখিছোঁ, পেপাৰত আৰু টিভিত ক'ৰোনা ভাইৰাছ গোল গোল শিং থাকা।

**ধ্যান আয়ন কাশ্যপ :** ক'ৰোনা দেখিছানে? এটা গোল দিব লাগে আৰু এটা আঁচ দিব লাগে ক'...ৰো...না।

**কৃষ্টিমান কলিতা :** ক'ৰোনা দেখিছোঁ। আচলিকে দেখা নাই, টিভিত দেখিছোঁ। ফটোত দেখিছোঁ আৰু ক'ৰোনা বিষয়ে টিভিত শুনিছোঁ আৰু মানুহৰ বেমাৰ হোৱা দেখিছোঁ।

**পৰিচিতি শৰ্মা :** ক'ৰোনা দেখিছোঁ। মোৰ মাৰ হৈছে, মোৰ দেউতাৰ হৈছে, মোৰ আইতাৰ হৈছে, মোৰ পাপাৰ হৈছে, ওচৰত গ'লে মাস্ক মাৰিব লাগে আৰু হাত ধুই থাকিব লাগে। হাত চেনিটাইজাৰ কৰিব লাগে এটা ৰুমত বন্ধ কৰি থৈ দিব লাগে। সেইবিলাক সব কৰিব লাগে।

**ৰুংচেং ৰাইহান কাশ্যপ :** ক'ৰোনা ভাইৰাছ দেখা নাই এতিয়া আমি ক'ৰোনা ভাইৰাছ দেখা নাই ক'ৰোনা ভাইৰাছ টিভিতো ওলাব পাৰে এতিয়া টিভিত যদি ওলাব তেতিয়াহ'লে বেলেগ চেনেলতে কৰাত দিব পাৰি বেলেগ চেনেলৰ কাৰ্টুনত বাৰ্বীত দিব পাৰি কিবা এটাত যদি দিয়ে সেয়াত চাই ল'ব পাৰি নাইবা নিউজ চিউজ সেইবোৰতো দিব পাৰি। সেইবোৰতো দিব পাৰি বেলেগতো কবাত টিভিত কাৰ্টুনত চেনেমাত বেলেগ বেলেগ চিৰিয়েলতো দিব পাৰি, নাচ-গানত কবাত কবাত দিব পাৰি।

**জেবা ৰাহাত ইছলাম :** বাইদেউ মই ক'ৰোনা দেখিছোঁ। ক'ৰোনাৰ কাৰণে ডক্টৰে লৈ যায় তাৰ পিছত ভাল কৰি নাকত কিবাকিবি সোমাই থয়। তাৰ পিছত আকৌ ঘৰত পঠিয়াই দিয়ে, তাৰ পিছত ক'ৰোনাটো চাইনাত বনোৱা গেছি।

**ভ্ৰুচাংগী কলিতা :** ক'ৰোনা ভাইৰাছৰ কাৰণে সবে বেমাৰত পৰি আছে। আৰু ক'ৰোনা ভাইৰাছৰ কাৰণে সবে মাস্ক পিন্ধি থাকে আৰু মানুহ ৰাতিপুৱা ক'ৰবাত গ'লে ঘৰত আহিলে গা ধুব লাগে আৰু ডেটল দি চাবোন লগাব লাগে আৰু ভৰিখিনি ধুব লাগে, মুখত মাস্ক পিন্ধিব লাগে। ❖



**জেবা ৰাহাত ইছলাম,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**ৰণাংগন তালুকদাৰ,** দ্বিতীয় শ্ৰেণী

# লকডাউন



**প্ৰাক্-প্ৰাথমিক শ্ৰেণী, ক শাখা**

**অনুধৃতি বৰঠাকুৰ :** লকডাউন এনেকুৱা যি চব বন্ধ কৰি দিয়ে আৰু কিছুমান গাড়ী আজিকালি যাব নোৱৰা হৈছে। কিছুমানে কাম কৰিব নোৱাৰা হৈছে বন্ধৰ কাৰণে। আমি সেইটোৰ কাৰণে স্কুল যাবলে পোৱা নাই। আৰু চব তেতিয়ালৈকে দোকান চোকান কিছুমান বন্ধ হৈ গৈছে।

**ময়ূৰী শৰ্মা :** ভাল লাগা নাই, ফুৰিব যাব পৰা নাই, কতো যাব পাৰা নাই, বন্ধ যে... পুলিছে যে পিটিব, সেইকাৰণে যাব পাৰা নাই।

**নিবিড় বনিয়া :** লকডাউনত স্কুলবন্ধ আমি যাবই নোৱাৰোঁ। আৰু আমি ফুৰিবও যাব নোৱাৰোঁ। মাস্ক পিন্ধিবলৈ পাহৰা যাব পাৰে। আৰু হেৰি...

**মনমঞ্জুৰী মেধি :** লকডাউন তলা বন্ধ কথা। স্কুল বন্ধ থাকে, অফিছ বন্ধ থাকে, দোকান বন্ধ তাকে, বজাৰ বন্ধ থাকে।

**হৃষিকেশ ভৰদ্বাজ :** লকডাউনত ইতকুল বন্ধ থাকে, আলু ফাৰ্মাচী খোলা থাকে, দোকান বন্ধ তাকে, অফিচ বন্ধ থাকে, ইতকুল বন্ধ থাকে আৰু চব বন্ধ থাকে অকল ফাৰ্মাটি খোলা থাকে।

**ত্ৰিজ্ঞা বিজয় লস্কৰ :** লকডাউন বেয়া। লকডাউনত গাড়ী নচলে, ইস্কুল নোখোলে, দোকান

নোখোলে। কিন্তু মই লকডাউনত ভাল ভাল বস্তু কৰি আছোঁ। ছবি আঁকিছোঁ, সাধু শুনিছোঁ, বাৰ লগত খেলিছোঁ।

**কৃষ্ণাজিতা দত্ত :** লকডাউন হ'ল আমি স্কুলত যাব নোৱাৰোঁ। বাইদেউসকলক নেদেখোঁ। আৰু আলহীৰ ঘৰত গ'লে ছেনিটাইজাৰ কৰিব লাগে। আলহী ঘৰত আৰু মাস্ক পিন্ধিব লাগে কথা ক'লে। আৰু যাতে মাস্ক পিন্ধা এটা কথা কৈ লওঁ মুখখন আৰু নাকটো যাতে বন্ধ হয়।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, খ শাখা

**উদ্দীপন বৰ্মন :** লকডাউন কাৰণে মই স্কুল দেখা পোৱা নাই, ঐশ্বৰিকো দেখা পোৱা নাই। জফৰিকো দেখা পোৱা নাই আৰু এটা কথা আছিলে সেইটো কথা মই পুৰা দুনীয়াচে চুপাই লৈছোঁ, কি কথা জানা, হেৰি কথাটো আছিল কি... লকডাউনটো কিহৰ কাৰণে আছে ক'ৰোনাৰ কান্নে। ক'ৰোনা যদি দেচতে ফেলি যায় আৰু পৃথিৱীত পুৰী কি পুৰী পৃথিৱীত ক'ৰোনাটো ভৰ্তি হৈ যায় ন তৌ পৃথিটো খতম হৈ যাব।

**ৰাজনীল কাশ্যপ :** লকডাউন স্কুল বন্ধ। বজাৰ বন্ধ, দকন বন্ধ আৰু ক'তো যাব নালাগে, মাস্ক নামাৰা কৰি ঘৰৰ পৰা ওলাব নালাগে, মাস্ক নামাৰা কৰি আৰু ওম...বাইকত ফুৰি যাব নালাগে, মাস্ক নামাৰা কৰি।

**আকাশজ্যোতি দাস :** লকডাউন, লকডাউন বাহিৰতে থাকবা নালাগে একদিনো। ভুলতে যাবা নালাগে আৰু সদায় মাস্ক পিন্ধ থাকবা লাগে নহ'লে নাকত ভাইচাসিতা সোমাই যায় সেইকাৰণে। লকডাউনত বাহিৰত ওলাব নালাগে, গাড়ী চলাব নালাগে আৰু কেতিয়াও গাড়ী চলাব নালাগে, বাইক, গাড়ী চলাবই নালাগে। গাড়ীত দুটা মানুহ বহিব পাৰে, আৰু বাইক এটা মানুহ আৰু স্কুটীও এটা মানুহ।

**হৰ্ষিতা শৰ্মা :** নাই দেখা ঘৰত। বন্ধ আছিল। ক'ৰোনাত স্কুল বন্ধ আছিল। গাড়ী বন্ধ আছিল আৰু দোকানো বন্ধ। বেয়া লাগিছিল বন্ধত।

**হৃয়ান জ্যোতি বৈশ্য :** লকডাউন মানে বন্ধ। পাৰ্ক বন্ধ, সব বন্ধ, চপিংমল বন্ধ, স্কুল বন্ধ। তাৰ মানে সব বন্ধ। ৰাস্তাটো পুলিচ থাকে বহুত তেতিয়া আমি ৰাস্তাত যাব নালাগে ঘৰত থাকিব লাগে।

**বন্দিত ভূঞা :** লকডাউন চব বন্ধ। দোকান বন্ধ, স্কুল বন্ধ, বজাৰ বন্ধ, গাড়ী বন্ধ...চব বন্ধ।

**মূৰ্চনা শৰ্মা :** লকডাউন, লকডাউন হয় যিদি যিদি ক'ৰোনা হয়। ক'ৰোনা নহ'লে বাহিৰত ওলাব পাৰি মাস্ক নিপিন্ধাকে কিন্তু যিতিয়া ক'ৰোনা হয় তেতিয়া বাহিৰত মাস্ক নিপিন্ধাকে ওলাব নাপাৰি। মাস্ক পিন্ধাকেহে ওলাব পাৰি আৰু যেতিয়া যাব খোজে আগতে হাত ধুই ল'ব পাৰি চেনিটাইজাৰ দি। চেনিটাইজাৰ দি হাত ধুই পেলে। নহয় চেনিটাইজাৰ নহয় ডেটল দি হাত ধুই পেলে চেনিটাইজাৰ ল'ব লাগে। চেনিটাইজাৰ লৈ পেলে মাস্ক পিন্ধি বাহিৰলে যাব লাগে। ডিউটিৰপে আহি কাপোৰ ধুব লাগে। ধুই পেলে অলপ হাত ধুব লাগে।

**মাধুৰ্য্য শৰ্মা :** লকডাউন, যেতিয়া ক'ৰোনা হয় বাহিৰত ওলাব নালাগে। ক'ৰোনা নহ'লেহে বাহিৰত ওলাব লাগে মাস্ক পিন্ধিহে বাহিৰত ওলাব লাগে আৰু মাস্ক নিপিন্ধাকে বাহিৰত ওলাব নালাগে। যেতিয়া মাস্ক নিপিন্ধে তেতিয়া ক'ৰোনা হৈ যায়, তাৰ পিছত চবে ডিউটি থাকিব লাগে সেই কাৰণে মাস্ক পিন্ধি হাত ধুই ওলাব লাগে।

**বিদ্যাৰ্ণৰ কাশ্যপ :** লকডাউনত, বাহিৰত যাইবা নোৱাৰি। লকডাউনত দোকান বন্ধ থাকে। ফাৰ্মাচী

খোলা থাকে। মাস্ক পিন্ধি যাইবা লাগে বাহিৰত আৰু হাত-চাত ধুই থাইকবা লাগে।

**পৰিস্মিতা হালৈ :** লকডাউনৰ, লকডাউনৰ কেননে গাড়ী, মটৰ, দোকান বন্ধ থাকে আৰু অফিচ বন্ধ থাকে। আমাৰ পাপাৰো অফিচ বন্ধ। সেইকাৰণে আমাৰ পাপায়ো অফিচত নাযায়। স্কুল খোলা নাই, মোৰ স্কুলত যাবালে বহুত মন যায় থাকে।

**প্ৰাচুৰ্য্য তালুকদাৰ :** লকডাউন এটা এনেকুৰা বস্তু যেনেকৈ লকডাউনটোত মানুহ যাব দিয়া নাই। ওলাব দিয়া নাই বন্ধ হৈ আছে। দেশখন যাৰ কাৰণে স্কুলত যাব পৰা নাই আমি। স্কুল বন্ধ হৈ আছে তাৰ পিছত আৰু তাৰ পিছত সেনেকে বন্ধ হৈ আছে। তাৰ পিছত ক'ৰোনাৰ কাৰণে লকডাউন...লকডাউন দি আছে দেশত। গোটেই দেশখন বন্ধ, তাৰ পিছত চব দেশ বন্ধ। এটা এখন দেসো খোলা নাই। কিন্তু আজিকালি অলপ অলপ খুলিছে আনলক হৈছে, আগতে একদম লক হৈ আছিল। হৈ গ'ল মোৰ।

**জানকী শৰ্মা :** লকডাউনত আমি গোটেই মানুহবোৰ ভিতৰত আছিলোঁ। মা-দেউতা, দাদা মই আমি সকলো ঘৰৰ ভিতৰত আছিলোঁ। তেতিয়া আমি ধুনীয়া ধুনীয়া ছবি আঁকিছিলোঁ। লিখিছিলোঁ, পঢ়িছিলোঁ। মায়ে আমাৰ ধুনীয়া ধুনীয়া খানা বনাইছিল আমি খাইছিলোঁ আৰু আমাকো টেষ্টি লাগিছিল।

**ৰিতভিক তালুকদাৰ :** লকডাউন বেয়া, আমি ক'তো ফুৰিব যাব নোৱাৰো ফেনদবোৰক লগ নাপাওঁ।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, গ শাখা

**পৰিধি প্ৰজ্ঞাৰঞ্জনী মানৰ :** বাইদেউ লকডাউন হ'ল তলা মাৰা ঘৰ। যদি কেতিয়াবা দৰ্জাটো খোলা থাকে যদি ক'ৰোনাটো মনে মনে ভিতৰলে সোমাই আহে আমি দেখোন আমাৰ দেখোন বেমাৰ হৈ যাব। সেইকাৰণে আমি লকডাউন কওঁ তালা মাৰা আৰু বাহিৰত গ'লে আমি মাস্ক মাৰি যাব লাগে আৰু বাহিৰত যাওঁতে চেনিটাইজাৰ হেণ্ডওৱাচ লৈ যাব লাগে। এনেকে যে ধুব লাগে মই হাত ধোৱাৰ কথাটো মই জানি লৈছোঁ। মই বাৰে বাৰে আহাৰ লগে লগে মই হাতত স্প্ৰেটো মাৰি লওঁ যদি মই হাতটো যদি মই স্প্ৰে নামাৰোঁ তেতিয়া দেখোন মোৰ বেমাৰ হৈ যাব। সেইকাৰণে আমি হাত ধুব লাগে।

**স্পৃহা নেওগ :** লকডাউন মানে চবতে তলা আৰু চব দোকান বন্ধ থাকে আৰু যদি কবালে যাব লাগে তেতিয়া মাস্ক পিন্ধিব লাগে আৰু যেতিয়া ঘৰ পাই যাবা নহয় যেতিয়া ঘৰ পাই যায় তেতিয়া হাত ধুব লাগে।

**কৃষ্টি দাস :** বাইদেউ আমি ক'তো স্কুল যাব পৰা নাই বাহিৰত ওলাব যাব পৰা নাই আৰু ফুৰিব যাব পৰা নাই, সেইকাৰণে আমি চিনিটাইজাৰ আৰু মাস্ক পিন্ধিব লাগে।

**অহিৰ বৰুৱা :** লকডাউন মানে আমি বাহিৰত যাব পাৰ নাই, বাহিৰত যাব নালাগে, ঘৰত থাকিব লাগিব। হেণ্ডওৱাচ কৰিব লাগিব, মাস্ক ব্যৱহাৰ কৰিব লাগিব, ভালকে খাব লাগিব, ভালকে থাকিব লাগিব, এই হ'ল লকডাউন।

**বৰ্ণিল আকাশ বৰা :** লকডাউন বেয়া, মই স্কুললৈ যাব পৰা নাই, আপোনালোকক লগ ধৰিব পৰা নাই, বন্ধুবিলাকক লগ ধৰিব পৰা নাই, পাৰ্কলৈ যাব পোৱা নাই। ❖

## কবিতাৰ ছন্দ

## জন্তুৰ মাত

**ৰশ্মিনন্দা কলিতা**
প্ৰাক-প্ৰাথমিক শ্ৰেণী



গৰুৰ মাত
হে...ম্...বে
ছাগলীৰ মাত
বে...বে...বে
কুকুৰৰ মাত
ভুক...ভুক...ভুক
মেকুৰীৰ মাত
মে...উ...মে...উ। ❖

## মোৰ মৰমৰ আইতা

**নীলভ তালুকদাৰ**
দ্বিতীয় শ্ৰেণী



আইতা মোৰ অতি মৰমৰ
স্কুল বন্ধ থাকিলে আইতাই সাধু কয়,
কেতিয়াবা ৰজা-ৰাণীৰ সাধু
কেতিয়াবা বুঢ়া-বুঢ়ীৰ সাধু।
আইতা আৰু মই লগলাগি
মাজে-সময়ে কবিতাও পঢ়োঁ
মাজে-সময়ে ৰং-ধেমালি কৰোঁ।
সেয়েহে আইতা মোৰ অতি মৰমৰ
আইতা তুমি অতি চেনেহৰ। ❖




## সময়

**পূবাঞ্চী দাস**
দ্বিতীয় শ্ৰেণী

সময় সময় সময়
কালৈকো নৰয়
সময়ৰ লগতহে যাব লাগিব তুমি
জানিবা নিশ্চয়।
অবাবত সময় নকৰিবা নষ্ট
পদে পদে তুমিও
পাবা যে বৰ কষ্ট
সময় যে অমূল্য ধন
কথাটিত দিবা মন
সময়ৰ সদব্যৱহাৰ কৰাৰ
আজিয়েই কৰা পন। ❖

## আমাৰ বিদ্যালয়

**ৰণাংগন তালুকদাৰ**
দ্বিতীয় শ্ৰেণী

ধুনীয়া আমাৰ বিদ্যালয়খনি
অতিকে আপোন মোৰ,
ধুনীয়া আমাৰ পৰিৱেশ, পৰিস্থিতি
নীতি-আদৰ্শবোৰ।
অতিকে ভাল শিক্ষক-শিক্ষয়িত্ৰী
বুজায় মৰম কৰি,
নুবুজা বিষয় বাৰে বাৰে শিকায়
আমাৰ হাতত ধৰি।
আমাৰ কৰ্ম, আমাৰ ধৰ্ম
আমি কৰি যাম,
ভাল নাম কৰি বিদ্যালয়খন
জাকত জিলিকাম। ❖

## বগা পাৰ

**যুগান্তৰ কাশ্যপ ঠাকুৰীয়া**
তৃতীয় শ্ৰেণী

পাৰ পাৰ পাৰ
অ’ বগা পাৰ,
ডেউকা কোবাই কোবাই
ক’লৈ উৰি যাৱ?
মই দিয়া চিৰা চাউল
সকলোবোৰ খাৱ
মঠ-মন্দিৰতো
মাহ-প্ৰসাদ বিচাৰ।
কূটা এডাল মুখত লৈ
পুনৰ উৰি আহ,
ৰুণ দি ৰুণ দি
ৰং মনে থাক। ❖



## ব’হাগ

**ৰাজদীপ শৰ্মা**
তৃতীয় শ্ৰেণী

চ’তৰ শেষত
কুলিৰ মাতত
ব’হাগ বিহু আহে,
গছ-লতাৰ কোমল পাতে
প্ৰকৃতি শুৱনি কৰে।

নতুন বছৰ
নতুন উদ্যম
নতুন আশা
লগতে আহে বিহু,
ঢোল পেঁপাৰ মাতেৰে আদৰি আনিলোঁ
অসমীয়াৰ বাপতি সাহোন বিহু। ❖



## বৰ্তমান

**আব্দুল মজিদ**
চতুৰ্থ শ্ৰেণী



জন্ম ল’লোঁ মাৰ কোলাত
এটি কেঁচুৱা ৰূপত,
মাৰ দুগ্ধ পান কৰি
শিশু ৰূপ ল’লোঁ।
ঠুনুক-ঠানাক মাতেৰে
অলপ মাতিব পৰা হ’লোঁ,
মাৰ কোলাত থাকি মই
জগতৰ পোহৰ পালোঁ।
লাহে লাহে মই মাৰ
আঁচলো ধৰি
এখোজ দুখোজ দিলোঁ
মাৰ লগত থাকি মই ভাষাজ্ঞান পালোঁ
তেনেদৰে মই মাতৃৰ পৰা
মাতৃভাষা শিকোঁ
এটি দুটি কৰি মই বৰ্ণ শিকোঁ
তেনেদৰে মাৰ যত্নত ল’ৰা ৰূপ পালোঁ।
মাৰ চেষ্টাত শিকি মই
পঢ়াশালিত ভৰ্তি হ’লোঁ
এক দুইকৈ মই ন বছৰত
ভৰি দিলোঁ।
এতিয়া মই চতুৰ্থ শ্ৰেণী পালোঁ
মাৰ চেষ্টাত মই বৰ্তমানত
ভৰি দিলোঁ।
মাৰ ইমান মৰম
মই কেনেকৈ পাহৰোঁ। ❖

# মোৰ ভাইটি

**দিক্ষীতা তালুকদাৰ**
চতুৰ্থ শ্ৰেণী

মোৰ এজন ভাইটি আছে
নাম তাৰ ৰণ,
সি খাই ভাল পায়
কণী আৰু কল।
ভাত খাব দিলে সি
বৰ বেয়া পাই
চিপচ্ খাবলৈ দিলে সি
বৰ ৰং পায়।
খেলিবলৈ দিলে সি
বৰ ৰং পায়
পঢ়িবলৈ দিলে সি
বৰ খং পায়।
টিভি চাবলৈ দিলে সি
বৰ ৰং পায়।
স্কুললৈ যাবলৈ দিলে সি
বৰ বেয়া পায়। ❖



# অ' পখিলা

**তৃষ্ণা শৰ্মা**
পঞ্চম শ্ৰেণী

অ' পখিলা অ' পখিলা
ক'লৈ যোৱা উৰি?
তোমাৰ গাৰ ধুনীয়া ৰংবোৰ
ক'ত ল'লা সানি?
তুমি বাৰু ফুলৰ ৰসবোৰ
কিয় শুহি লোৱা?
ফুলবোৰেও বৰ ভাল পায় তোমাক
সিহঁতৰ বংশবৃদ্ধিত সহায় কৰা বুলি।
তোমাৰ লগত খেলিম বুলি
কিমান আশা কৰোঁ।
তোমাক দেখা পালে মন ভৰে
কথাবোৰত মোৰ কবিতা নিগৰে।
প্ৰতিদিনে বাগিচাত বিচাৰোঁ তোমাক
পাতিবলে প্ৰেমৰ মেলা।
তুমি উৰি গ'লে
সেমেকি উঠে মন
সদায় আহিবা তুমি
থাকিম আমি বৈ
জনাম তোমাক সুপ্ৰভাত
লগত এবুকু মৰম। ❖

# বাখৰ

**মনীষ ভূঞা**
চতুৰ্থ শ্ৰেণী

তিনিটা আখৰেৰে গঠিত আমাৰ বাখৰ
বাখৰৰ ভিতৰত থাকে ছপা কৰা আখৰ।
প্ৰথম পৃষ্ঠাত থাকে বিদ্যালয় সংগীত
ভিতৰত থাকে গল্প, কবিতা, অকণিৰ মৌমেল,
আৰু যে থাকে নানা ধৰণৰ ফট'
বাখৰৰ ভিতৰত থাকে ৰহস্য
বাখৰ হাতত নপৰালৈকে আমি হওঁ অধৈৰ্য্য
বছৰে বছৰে আমি বৈ থাকোঁ নতুন বাখৰলৈ। ❖



# বিষ্ণু... সাংস্কৃতিক জগতৰ...

**মানস প্ৰতিম ডেকা**
নৱম শ্ৰেণী



তুমিয়েই বিষ্ণু !
বিষ্ণু তুমি...
অসমৰ সাংস্কৃতিক জগতৰ...
অসমৰ সংগীত জগতৰ...
যি বিষ্ণু
ঊনবিংশ শতিকাৰ,
যাৰ চিন্তাধাৰাই,
যাৰ সাধনাই,
অসমৰ সংস্কৃতিলৈ আনিছিল
আমূল পৰিৱৰ্তন।
যাৰ গীতে হৰি নিয়ে
অসমীয়াৰ মন-প্ৰাণ।
বিলতে হালি থকা
সেই পদুমজোপাৰ গোন্ধত,
গছৰ ডালত ৰৈ থকা
সেই কেতেকীৰ মাজত,
মনলৈ আহে
সেই বিষ্ণুৰূপী মানৱগৰাকীৰ,
জীৱন্ত প্ৰতিচ্ছবি।
তেৰেঁই কলাগুৰু।
অতীতৰ বৰ্তমানৰ তথা
অনাগত ভৱিষ্যতৰ
তেৰেঁই ত্ৰিকালৰ কলাগুৰু
বিষ্ণুৰাভা।
দূৰণিৰ আকাশত কেতিয়াবা
শুনিবলৈ পাওঁ,
সেই কথাষাৰ
'হাল যাৰ, মাটি তাৰ।' ❖

# এনেকৈয়ে ঋতু সলনি হয়

**শ্ৰুতিস্মৃতি বৰা**
ষষ্ঠ শ্ৰেণী

বিৰিখে বিৰিখে বসন্ত ঋতুৰে
নতুনৰ বতৰা কঢ়িয়াই আনিছিল মাত্ৰ
নাহৰ, তগৰ, কেতেকী, কপৌফুলক বিদায় দি আহিল গ্ৰীষ্ম।
গ্ৰীষ্মৰ পৰশত ফুলিল বিৰিখত
সোণাৰু, এজাৰ, কৃষ্ণচূড়া
নানা তৰহৰ অপূৰ্ব সুবাসে
মতলীয়া কৰে বাটৰুৱা।
সেউজীয়া প্ৰকৃতিক জেউতি চৰাবলৈ
আহিল ঋতু বৰষা
খাল-বিল, জান-জুৰি-নৈ উপচাই পেলালে
ধুৱাই নিলে ধৰা।
বৰষা যোৱাৰ বতৰা পাই
থমকি নাথাকিল শৰত,
খাল-বিল, নদ-নদী নিৰ্মল কৰি
নিয়ৰৰ মুকুতা জিলিকাই তুলিলে জোনাকৰ পোহৰত।
শৰতৰ পিছে পিছে আহিল হেমন্ত
জ্বলালে আকাশবন্তি
আঘোণৰ পথাৰত কৃষকৰ সোণগুটিৰে
ভঁৰাল পৰিল ভৰি।
সোণগুটি চপাই আনন্দত নাই সীমা
উতলি উঠিছে হিয়া,
ন-ভাত, চুঙা-ভাত, দৈ, চিৰা, সান্দহেৰে
ভকতলৈ কৰিছে সেৱা।
হেমন্ত গ'ল আহিল আকৌ শীত ঋতু
শীতৰ প্ৰকোপত বহি জুহালত ঠেঁটুৱৈ ধৰা জাৰত
লৈ থাকোঁতেই পোৱা আলুপিটিকাৰ জুতি
ফাগুন অহাৰ বতৰা দিলেহি তলসৰা পাতত।
আকৌ পুনৰ আহিল বসন্ত
এনেকৈয়ে ঋতু আহে,
আমিবোৰে মাথোঁ ৰ লাগি চাই ৰওঁ
এই নান্দনিক দৃশ্য প্ৰকৃতিৰ। ❖

# অসম...

ডিম্পী চৌধুৰী
সপ্তম শ্ৰেণী

অসম...
মোৰ জন্মভূমি
মোৰ মাতৃভূমি
এই ৰাজ্যখনত বাস কৰা
প্ৰতিজন অসমীয়া লোকৰ
দেহে-দেহে
অন্তৰে-অন্তৰে
সকলোতে
প্ৰৱাহিত হৈ আছে
'এইখন মোৰ
জন্মভূমি, মাতৃভূমি ৰাজ্য' বুলি
এযাৰ কথাৰে।
চিৰপ্ৰবাহমান... মহাবাহু ব্ৰহ্মপুত্ৰ নদী
বৈ গৈছে
এই সুবিশাল... অসমখনৰ মাজেৰে
নদীখনত থকা
প্ৰতিটো পানীৰ টোপালে
যেন...
জীপাল কৰি ৰাখিছে
এই অসমৰ মাটিক।
বৰাক নদীয়েও যেন...
অসমৰ মাজেৰে বৈ গৈ
মনোমোহা কৰি ৰাখিছে
এই সুন্দৰ অসমখনক
শদিয়াৰ পৰা ধুবুৰীলৈকে
পাহাৰৰ পৰা ভৈয়ামলৈকে
সকলো ঠাইতে
নদ-নদীৰে ভৰপূৰ
অসমখন হৈছে
এখন নদীমাতৃক ৰাজ্য।
বিনন্দীয়া প্ৰকৃতিয়েও
যেন...
সুন্দৰ কৰি ৰাখিছে
এই বিশাল সাম্ৰাজ্য
বিভিন্ন জাতি-জনগোষ্ঠীৰ
লোকেৰে ভৰা
অসমখন হৈছে
এখন সমৃদ্ধিশালী ৰাজ্য।
সেয়েহে প্ৰতিজন অসমীয়া লোকে
যেন কওক,
'এইখন মোৰ ৰাজ্য' বুলি
তেতিয়াহে এই অসম ৰাজ্যখনৰ
বাঢ়িব গৌৰৱ। ❖



# বৰষুণ

প্ৰেৰণা কলিতা
নৱম শ্ৰেণী

মেঘ ফালি বৰষুণ নামে
ধৰাৰ বুকুলৈ,
সোণালী ধানৰ সপোন নামে
কৃষকৰ চকুলৈ।
আকৌ ৰুব ধানৰ গছি
পথাৰ শুৱনি কৰি।
লহপহকৈ ধান বাঢ়িব
গোটেই পথাৰ জুৰি।
আঘোণ মাহত চপাব ধান
কৃষক ৰাইজে মিলি
পূৰ কৰিব নিজৰ ভঁৰাল
বছৰটোলৈ বুলি। ❖



# খুশ তো আখির হূঁ মৈं

**দর্শিতা চৌধুরী**
নবম কক্ষা

जिन्दगी रोशनी और साया सी...
गम की कुछ बुँदे बरसेगी
खुशियों की लहरे बहेगी
गुजर रही हूँ कशमकश से,
फिर भी कोई शिकायत नही।
खुश तो आखिर हूँ मैं।
सपने मेरे सारे है
कुछ अँधूरे, कुछ पूरे है
बनते टूटते, बिखरते देखे मैंने,
उन सपनों के खाक से
आग बनकर ऊजलूँगी मैं,
फिर भी कोई शिकायत नहीं
खुश तो आखिर हूँ मैं!
खुश तो आखिर हूँ मैं! ❖

# মাতৃভাষা

**মুগ্ধা দাস**
পঞ্চম শ্ৰেণী

অসমত মই জনম ল'লোঁ
জন্মৰ পৰাই মই অসমীয়া হ'লোঁ
অসমীয়া মোৰ মাতৃভাষা
অসমৰ নাম উজ্জ্বল কৰাই
মোৰ জীৱনৰ আশা।
মাতৃভাষাক ভাল পাওঁ মই,
মাতৃভাষাক আদৰ কৰোঁ মই,
মাতৃভাষাৰ সন্মান ৰাখি,
আগবাঢ়ি যাম জীৱনত ভাল কৰি।
অসমীয়া মোৰ জীৱনৰ দাপোন
অসমীয়া মোৰ প্ৰাণৰো আপোন
অসমীয়া ভাষাক সাৰথি কৰি
আগবাঢ়ি যাম জীৱনত ভাল কৰি। ❖

# ছাঁ

**জ্যোতিস্মিতা ৰাজবংশী**
দ্বাদশ শ্ৰেণী (বিজ্ঞান)

তই মোৰ পিছ
নেৰিবিয়েই নেকি(?)
প্ৰতিটো ক্ষণতে
মোৰ সহচৰ হৈ
মোক যেন তোৰ ওচৰত
পুতৌপাত্ৰ কৰিছ!
তোৰ মাজতেই মই মোক
প্ৰতিফলিত কৰোঁ।
হয়তো তোলৈ মোৰ লাজ
কমি গৈছে...
ৰঙীণ শৈশৱৰ মুকলি হাঁহিৰ পৰা
পৌঢ়ত্বৰ সেই কোঁচ খোৱা মুখনিলৈ...
তই জানো ক্লান্ত হোৱা নাই (?)
পিছে... তোৰহে নাই কোনো সংগী
কিয়নো তোৰ যে নাই কোনো ছাঁ। ❖



গল্প সম্ভাৰ

# বুধিয়ক হাঁহ

**অনিখ্যা ৰাজখোৱা**
দ্বিতীয় শ্ৰেণী



এখন গাঁৱৰ এঘৰ মানুহৰ এযোৰ বৰ মৰমৰ হাঁহ আছিল। সিহঁতে ৰংমনে দিনটো পুখুৰীত চৰি ফুৰি মাছ, পোক-পৰুৱা আদি বিচাৰি খায়। গিৰিহঁতেও সিহঁতক মাজে মাজে আহাৰ খাবলৈ দিয়ে। হাঁহ দুটা বৰ নোদোকা আছিল। গিৰিহঁতৰ ঘৰৰ ওচৰতে এখন হাবি আছিল। এদিন হাবিৰ পৰা এটা শিয়াল আহি নোদোকা হাঁহ দুটাক দেখিলে আৰু শিয়ালটোৰ বৰ লোভ লাগিল। সি হাঁহ দুটা কেনেকৈ খাব পাৰি বুদ্ধি পাঙিবলৈ ধৰিলে। এদিন দুপৰীয়া গিৰিহঁতে ভাত ঘুমতি মাৰি থকাৰ সময়তে শিয়ালটো আহিল। সি হাঁহ দুটাক ধৰিবলৈ চোপ লৈ থাকিল। অলপ সময়ৰ পিছত হাঁহ দুটা পুখুৰীৰ পৰা পাৰলৈ উঠি আহিল। গিৰিহঁতে সিহঁতলৈ থোৰা আহাৰ খাবলৈ ধৰোঁতেই শিয়ালটোৱে সিহঁতক ধৰিবলৈ চোঁচা ল'লে। হাঁহ দুটা বুদ্ধিয়ক আছিল। শিয়ালটোৱে খেদি অহা দেখি হাঁহ দুটাই জোৰকৈ চিঞৰি চিঞৰি ইফালে-সিফালে দৌৰিবলৈ ধৰিলে। হাঁহ দুটাৰ চিঞৰ শুনি গিৰিহঁত ওলাই আহিল আৰু শিয়ালটোক ভালকৈ এসেকা দিলে। মাৰ খাই শিয়ালটো যেনে তেনে পলাই সাৰিল। হাঁহ দুটাই নিজৰ বুদ্ধিৰ বলতে ৰক্ষা পৰিল। সিহঁত পুনৰ ৰংমনেৰে থাকিবলৈ ল'লে। ❖

# পঢ়িলে পাছ, নপঢ়িলে ফেইল

**প্ৰিয়াংশু প্ৰীতিশ শৰ্মা**
দ্বিতীয় শ্ৰেণী

এখন গাঁৱত আকাশ আৰু ৰাজা নামেৰে দুজন ল'ৰা আছিল। দুয়ো ঘৰৰ ওচৰৰে বিদ্যালয় এখনত একে শ্ৰেণীতে পঢ়িছিল। আকাশৰ পঢ়াত ৰাপ আছিল পিছে ৰাজাৰ একেবাৰেই নাছিল। সময়ত দুয়োৰে বছৰেকীয়া পৰীক্ষা আহিল। ৰাজাই নপঢ়াকৈ পৰীক্ষাত পাছ কৰিবলৈ ওচৰৰে বাবাজি এজনৰ পৰা এটা তাবিজ আনিলে। তাবিজটো ডিঙিত ওলোমাই লৈ সি পঢ়া-শুনা নকৰাকৈ দিন কটালে। আনফালে আকাশে মনপুতি পঢ়াত লাগিল। সময়ত পৰীক্ষা হ'ল। কেইদিনমান পিছত পৰীক্ষাৰ ফলাফলো দিলে। আকাশে খুব ভালদৰে পাছ কৰিলে আৰু ৰাজাই ফেইল কৰিলে। খঙতে ৰাজাই তাবিজটো ভাঙি পেলালে। তাবিজৰ ভিতৰত সি এটুকুৰা কাগজ পালে। তাত লিখা আছিল—পঢ়িলে পাছ, নপঢ়িলে ফেইল। তেতিয়াহে ৰাজাই নিজৰ ভুল বুজি পালে। ❖



# জোনাকী পৰুৱা

**ভাৰ্গৱী নন্দা গোস্বামী**
দ্বিতীয় শ্ৰেণী



এখন হাবিত এটা উৰিব পৰা পৰুৱা আছিল। সি পুৱা উৰি উৰি গৈ খোৱাবস্তু যোগাৰ কৰি আনিছিল। কিন্তু তাৰ ৰাতি বৰ ভয় লাগিছিল। মাজে মাজে আন্ধাৰ ৰাতি তাৰ ইমানেই ভয় লাগে যে সি চিঞৰ-বাখৰ কৰি হাবিখনত হুলস্থূল লগাই দিয়ে। সেই হাবিখনতে এজনী সৰু পৰীও বাস কৰিছিল। পৰুৱাটোৰ হুলস্থূলত পৰীজনীৰ ৰাতি টোপনি খতি হৈছিল। সেইবাবে তাই দিনত নিজৰ বিদ্যালয়ত ভালকৈ মন দিব নোৱাৰে, কাৰণ তাইৰ সেই সময়ত টোপনি ধৰে। এদিন তাই এটা সিদ্ধান্ত ল'লে যে পৰুৱাটোৰ চিঞৰ বন্ধ কৰিবই লাগিব। সেই ৰাতিয়েই পৰীজনীয়ে নিজৰ লেমটো লৈ পৰুৱাটোৰ ওচৰলৈ গ'ল। পৰীজনীয়ে পৰুৱাটোক সুধিলে, 'অ' পৰুৱা, তুমিনো মাজে মাজে ৰাতি কিয় ইমান চিঞৰা? মোৰ ইমান টোপনি খতি হয়।' পৰুৱাটোৱে ক'লে, 'মই যে সৰু, ৰাতি মোৰ বৰ ভয় লাগে আৰু সেইবাবেই মই চিঞৰো।' পৰীজনীয়ে ক'লে, 'ময়োতো সৰু, কিন্তু মোৰটো ভয় নালাগে।' পৰুৱাই ক'লে, 'তোমাৰ যে লেম্পটো আছে। সেইকাৰণে তোমাৰ ভয় নালাগে।' তেতিয়া পৰীজনীয়ে পৰুৱাটোক যাদুৰে এটা লেম্প দিম বুলি ক'লে। তাৰ পাছত তাই নিজৰ যাদুৰ কাঠিডাল লৰাই লৰাই যাদুমন্ত্ৰ মাতিবলৈ ধৰিলে। কিন্তু পৰীজনীৰ যাদুমন্ত্ৰটো ভালকৈ মনত নপৰিল, কাৰণ তাই বিদ্যালয়ত ভালকৈ পঢ়িব পৰা নাছিল। মন্ত্ৰটো ভুল হোৱাৰ বাবে লেম্পটো পৰুৱাটোৰ তপিনাতহে লাগি ধৰিলে। ইয়াৰ ফলত পৰীজনীৰ মনটো বেয়া লাগিল। পৰুৱাটোৱে ক'লে, 'মন বেয়া নকৰিবা, মই ভালহে পাইছোঁ। এতিয়া মই য'লৈকে উৰি যাওঁ লেম্পটো মোৰ লগে লগে গৈ থাকিব আৰু মই পোহৰ পাই থাকিম। বাঃ বাঃ বঢ়িয়া হ'ব'—সেইবুলি পৰুৱাটোৱে হাত তালি দিলে। সেইদিনাৰ পৰা পৰুৱাটোৱে ৰাতি উৰি উৰি ঘূৰি ফুৰে আৰু দিনত শুই থাকে। ৰাতি জোনৰ দৰে পোহৰ দি ঘূৰি ফুৰে কাৰণে সেই পৰুৱাটোৰ নাম 'জোনাকী পৰুৱা' হ'ল। ❖

# সপোন

**প্ৰজ্বলিতা বড়া**
ষষ্ঠ শ্ৰেণী



'ক'লৈ গ'ল সি? বিচাৰি পোৱা নাইচোন তাক ! তুমি দেখিছিলা নেকি? হে ভগৱান, এতিয়াচোন পুলিছকে খবৰ দিব লাগিব।' 'পুলিছ' শব্দটো শুনা মাত্ৰকে সি বাৰীৰ গছ এজোপাৰ পৰা নামি আহিল আৰু ঘৰৰ ভিতৰ পালেহি। তাক দেখিহে মাকৰ উশাহটো ঘূৰি আহিল—'বাছা, তুমি ক'লৈ গৈছিলা? কিমান যে চিন্তা কৰিছিলোঁ তোমাৰ বাবে!' সি উচুপি উচুপি ক'বলৈ ধৰিলে—'নামাতোঁ তোমালোকক, বেয়া পাইছোঁ। ইমানদিনে কৈ আছিলোঁ চাইকেল এখন কিনি দিবলৈ। ইমান কনজুচ তোমালোক ! আমাৰ লগৰ ৰিমি, চিম্পী, ৰক্তিম, ৰাতুল—সকলোৱেই সন্ধিয়া চাইকেল চলোৱাৰ প্ৰতিযোগিতা পাতে, মোৰহে কি দুৰ্ভাগ্য ! স্কুলৰ পৰা ইমান দূৰ খোজ কাঢ়ি আহিব লাগে। ভৰি বিষাই যায় মোৰ। ভাল স্কুলবেগ এটাও নাই মোৰ।' এনেদৰে বহুত কথা ক'লে অমিতে। মাকে তাৰ চকুপানী মচি—'খং কৰিব নাপায় নহয় বাছা। তুমিতো জানাই তোমাৰ দেউতা অসুখীয়া। সেয়ে তেওঁ কামলৈ যাব পৰা নাই। ময়ো যাব পৰা নাই তেওঁ ভাল নোহোৱাৰ কাৰণে। তোমাৰ বেয়া লগা নাইনে?'

সি উচাট মাৰি ভিতৰলৈ গ'ল। ৰাতি ভাতো নাখালে। পুৱা দেৰীকৈ উঠিলে। দেখিলে—তাৰ ভাত-পানী, স্কুললৈ যোৱা কাপোৰ-কানি, কিতাপ-ফলি সকলো যোগাৰ কৰি থৈছে। কিন্তু মাক-দেউতাক ক'ত ! সি অনুমান কৰিলে—তাৰ মানে কামলৈয়ে গ'ল অসুখীয়া গাৰে।

খাই-বৈ সিও গুচি গ'ল স্কুললৈ। ছুটীৰ পাছত মাক-দেউতাকৰ কৰ্মস্থলীৰ ফালে বাট পোনালে। দেখিলে—ইটাভাতাত মাক। মূৰত এবোজা ইটা। দেউতাকক মালিকে গালি পাৰি আছে। অসুখীয়া গাৰে বেছি কাম কৰিব পৰা নাই। তাৰ মনটো বেয়া লাগি গ'ল। সি মন মাৰি তাতেই বহি থাকিল। দেউতাক আগবাঢ়ি আহিল—'অমিত, তুমি ইয়াত যে ! ঘৰলৈ যোৱা আকৌ। ইয়াত কিয় বহি আছা? অ' মই চাইকেল এখন কিনি দিব নোৱৰাৰ বাবে এনেকৈ আছা ন ! হ'ব দিয়া, মই এইবাৰ বহুত কাম কৰিম আৰু অলপ বেছিকৈ পইছা আৰ্জিম আৰু পূজাত ব'নাছ পাম নহয়। সেই পইছাৰে মিলাই তোমাক এখন চাইকেল কিনি দিম। হ'বনে? এতিয়া যোৱা ঘৰলৈ। ভাত খাই জিৰণি লোৱাগৈ।'

অমিতৰ চকুলো নিগৰি আহিল। সি ক'লে—'দেউতা, মোক চাইকেল নালাগে। সেই পইছাৰে তোমাৰ অসুখটো দেখুৱাই লোৱা। আজিৰ পৰা মই বহুত পঢ়িম। ভৱিষ্যতে তোমালোকক এই কাম কৰিবলৈ নিদিওঁ। তোমালোকক সুখত ৰাখিম। মই মানুহ হ'ম দেউতা, মই মানুহ হ'ম মা।'

দেউতাক থৰ লাগি ৰৈ গ'ল। পাহৰি গ'ল মালিকৰ ককৰ্থনা। চকুৰ আগত জিলিকি উঠিল এখন ধুনীয়া ঘৰ। পুতেক ডাঙৰ মানুহ হ'ল। পঢ়ি-শুনি এজন ভাল মানুহ হ'ল। ❖

# বন্ধুত্ব

**উপাসনা শৰ্মা**
ষষ্ঠ শ্ৰেণী



এখন গাঁৱত প্ৰকাশ আৰু তপন নামৰ দুজন ল'ৰা আছিল। তেওঁলোক দুয়ো বৰ ভাল বন্ধুও আছিল। দুয়ো পঢ়াত বৰ ভাল আছিল। তপনৰ দেউতাক আছিল মদাহী, সেইবাবে সি ঘৰত এক বিশৃংখল পৰিৱেশত পঢ়া-শুনা কৰিবলগীয়া হ'ল। তাৰ ঘৰৰ অৱস্থাও শোচনীয়। এইফালে প্ৰকাশৰ দেউতাক আছিল সিহঁত পঢ়া বিদ্যালয়খনৰ শিক্ষক। তাৰ ঘৰত এটা সুস্থিৰ পৰিৱেশ। তথাপি প্ৰকাশৰ সমানেই তপনে পঢ়া-শুনাত পাৰদৰ্শিতা দেখুৱাইছিল। এনেকৈয়ে দুয়োজনে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুফল দেখুৱাবলৈ সক্ষম হ'ল। দেউতাকে প্ৰকাশৰ কলেজীয়া শিক্ষাৰ বাবে চহৰলৈ পঠিয়াই দিলে। সি চহৰলৈ গৈ তাৰে এখন কলেজত নিজৰ নাম লগালে। গাঁৱত তপনে দেউতাকৰ উৎপাতত আনৰ ঘৰে ঘৰে গৈ দিন হাজিৰা কৰিব লগা হ'ল। গাঁৱৰ মানুহে তপনৰ এনেকুৱা অৱস্থা সহ্য কৰিব পৰা নাছিল। গাঁৱৰ মানুহে আলোচনা কৰি তাক গাঁৱৰ ওচৰৰ কলেজখনত নাম লগাই দিলে। ইফালে চহৰৰ নতুন পৰিৱেশতো প্ৰকাশৰ তাৰ বন্ধু তপনলৈ মনত পৰি থাকিল। ইতিমধ্যে প্ৰকাশে চহৰৰ কলেজত বেয়া সংগ ল'লে।

গাঁৱত তপনেও প্ৰকাশক মনত পেলাই থাকিল যদিও সি নিজৰ পঢ়া-শুনা ঠিকমতেই কৰি থাকিল। কিছুদিন পাছত তপনৰ দেউতাক ঢুকাল। এদিন তপনে ৰাকেশ নামৰ এজন ল'ৰাক লগ পালে। ৰাকেশ বৰ শান্ত-শিষ্ট, সৎ ল'ৰা। কিন্তু সি পঢ়াত ইমান ভাল নহয়। ৰাকেশৰ কিছুমান কথা প্ৰকাশৰ লগত মিল থকা যেন পালে আৰু সিহঁত দুটাৰ বন্ধুত্ব গভীৰ হৈ আহিল। দেউতাক ঢুকুৱাৰ বাবে মাক আৰু ভনীয়েকৰ দায়িত্বও সি ল'বলগীয়া হ'ল। সি গাঁৱৰ ইঘৰ-সিঘৰত কাম কৰি ঘৰখন চলাই থাকিল। ইতিমধ্যে তাৰ চূড়ান্ত পৰীক্ষাৰ ওচৰ চাপি আহিল। দিনটো কাম কৰি সি ভাগৰি পৰে যদিও ৰাতিহে সি পঢ়া-শুনা কৰে। তাৰ লগতে সি ৰাকেশকো আগবঢ়াই নিবলৈ চেষ্টা কৰিলে। বেয়া সংগত পৰি ইফালে প্ৰকাশৰ পঢ়া-শুনাৰ প্ৰতি ধাউতি একেবাৰে কমি আহিল। পৰীক্ষালৈ মাত্ৰ ১৫ দিন বাকী। মাকে এই কেইদিন তপনক কাম কৰিবলৈ যাবলৈ দিয়া নাই। তেওঁ নিজেই কষ্ট কৰি ঘৰখন চলাই আছে।

এনেদৰে কিছুদিন গ'ল। আটাইৰে পৰীক্ষা শেষ হ'ল। পৰীক্ষাৰ পিছত প্ৰকাশ গাঁৱলৈ উভতি আহিল। প্ৰকাশ আৰু তপনে দুয়ো দুয়োকে লগ পাই বৰ ভাল পালে। কিন্তু তপনে প্ৰকাশৰ গাত কিছুমান পৰিৱৰ্তন দেখিবলৈ পালে। হ'লেও সিহঁতে মিলা-প্ৰীতিৰে কেইদিনমান থাকিল।

এনেদৰে তিনিমাহ পাৰ হ'ল। সকলোৰে পৰীক্ষাৰ ফলাফল আহিল। তপনে অষ্টম স্থান পাইছিল, ৰাকেশে ডিষ্টিংছন পাইছিল। কিন্তু প্ৰকাশ মাত্ৰ তৃতীয় বিভাগতহে উত্তীৰ্ণ হ'ল। এইবাৰ তিনিও গাঁৱৰে কলেজখনত নাম লগালে। লাহে লাহে প্ৰকাশে নিজৰ বদ্ অভ্যাসবোৰ এৰিলে। তিনিও মিলা-প্ৰীতিৰে থাকিল। ❖

# আশা

**ঋতুমল্লিকা গোস্বামী**
ষষ্ঠ শ্ৰেণী



খুব জোৰে বৰষুণ এজাক দি আছে। বতাহো বলিছে তীব্ৰ গতিত। ভূতৰ ওপৰত দানহ পৰাদি আকৌ ধুমুহাইয়ো মুখ মেলিছে। মুঠৰ ওপৰত এই বাৰিষাৰ দিনকেইটাত গাঁওখনত থাকিব পৰাটোহে কথা। আধা মানুহেতো গাঁওখন এৰি যাবলৈ বাধ্য হৈছে। কিছু অংশইতো বানপানীৰ বাবে খেতি-বাতি নোহোৱাৰ বাবে নাখাই-নবৈ মৰিবলগা হৈছে।

'শেৱালি বাইদেউ, বৰ ডাঙৰ কথা। এই যে আমাৰ নিৰলাৰ পুতেক টিকু, কালি বানত পৰি মৰিল জানে। কি যে হ'ব—দেউতাকৰো একেই অৱস্থা হৈ যোৱাবাৰ ঢুকাল। বাইদেউ মই...। এয়া পুষ্পাৰ মাকৰ খবৰ। খবৰটো শুনি মোৰ খুব বেয়া লাগিল। সেই কণমানিটোৰে আনন্দেৰে উমলিবলৈও নাপালে। এনেদৰে চাগৈ কিমান শিশু অকালতে মৰিবলগা হৈছে। আন একাংশই আকৌ নাখাই-নবৈ মৰিছে।

আমিও অভিশপ্ত। মা-দেউতাই চৰকাৰী চাকৰি কৰা বাবেহে চলিব পাৰিছোঁ। তেনেতে ৰিণিয়ে (মানে মোৰ খুৰীৰ ছোৱালী) দৌৰি আহি ক'লে, "বা তই শুনিলিনে পুষ্পাবাৰ মাকৰ কথা?" "অ' শুনিছোঁ বৰ বেয়া লাগিছে।" "বা ইলেকচনৰ আগতে যে চৰকাৰে কৈছিল মথাউৰি বনাই দিব বুলি! কিন্তু ইলেকচন হোৱা দেখোন চাৰি বছৰেই হ'ল, এতিয়াও কিয় মথাউৰি বনাই শেষ হোৱা নাই? চৰকাৰেতো এবছৰৰ ভিতৰতে বনাই দিম বুলি কৈছিল, কিন্তু আমাৰ ইয়াতচোন বনাওক চাৰি আৰম্ভই কৰা নাই দেখোন অ' বা বা, অ' বা নতুন চৰকাৰখনেও মথাউৰি বনাই দিবনে বা, যদি দিয়ে তেন্তে সেই দুষ্ট জীয়াঢলখনে আমাৰ একো কৰিব নোৱাৰে হয়নে বা আৰু মিতু, গীতা, মণিহঁতেও ঘৰ এৰি যাব নালাগে। কিমান যে সুবিধা হ'ব আমাৰ! বা, নতুন চৰকাৰখনে মথাউৰি বনাই দিবনে? দিলে যে দীনেশ্বৰ খুৰা, মণিৰাম জেঠা, নাৰায়ণ মামাহঁতেও কেঁচা ধান খাব নালাগে আৰু সোণটিৰ দেউতাক-মাকেও এবুকু পানীত সাঁতুৰি-নাদুৰি টাউনলৈ কাম কৰিবলৈ যাব নালাগে। বনাই দিলে যে কি ভাল হ'ব হয়নে বা, হয়নে?"

"অ' দিব চাগৈ' বনাই। পিছে তোৰ সৰু মুখখনেৰে ইমান ডাঙৰ কথা কেনেকৈ ওলাল? তইতো ইমান কথা আগে-পিছে কেতিয়াও নকৰ!" "কিয় নিজে দেখিছে কৈছোঁ। টিভিয়ে, পেপাৰে দেখোন দিয়েই থাকে আৰু মাহঁতৰ মুখৰ পৰাও শুনো। তই মোক সৰু হৈ থকা বুলি ভাবিছ নেকি? নাভাবিবি। মই বহুত ডাঙৰ হৈছোঁ। অহাবাৰ নতুন স্কুললৈ যাম যে। ওবা মথাউৰি বনাই দিবনে, মই স্কুললৈ যাব পাৰিমনে বা?"

"কিনো বাৰে বাৰে একেটা কথাকে কৈ থাক, দিয়ে যদি দিব, নিদিয়ে যদি নাই। বচ।" মোৰ খং উঠি গ'ল। পিছে তায়ো যে ইমান কথা উপলব্ধি কৰিছে। তাইৰো বৰ আশা, মথাউৰি বনাই দিব, তাই ধুনীয়াকৈ স্কুললৈ যাব, গাঁৱৰ সকলোৱে ভালকৈ থাকিব। এইবোৰ কথা ময়ো সৰুতে সুধি সুধি দাদাক আমনি দিছিলোঁ বৰকৈ। তাৰো খং উঠি গৈছিল। কিন্তু এতিয়া মই এই আশাবোৰ এৰি পেলাইছোঁ। মা-দেউতা আৰু গাঁৱৰ আনবোৰেও।

"ৰিণি, মমী, মন, ৰাজা সকলো ভাত খাবলৈ আহ।" মই এই কথাবোৰ ভাবি থাকোঁতে মায়ে যে ভাত খাবলৈ মাতিলে শুনাই নাছিলোঁ। আকৌ এবাৰ মতাতহে গম পালোঁ। খাবলৈ যাওঁতে মই ভাবি গৈ থাকিলোঁ, সঁচাই যদি দিয়ে মথাউৰি বনাই কিমান যে ভাল হ'ব। "মমী, কিমান মাতিম আৰু, কাণ কলা হৈছে নেকি? কাইলৈ ডাক্তৰৰ ওচৰলৈ লৈ যাব লাগিব ৰ। আহ, ভাত খাবি।" মই লৰালৰিকৈ গ'লোঁ। মনত এটা ক্ষীণ আশা নতুন 'চৰকাৰখনে মথাউৰি বনাই...।" ❖

# শিক্ষক আৰু জিণ্টু

**সপ্তাৰ্শ্ব বৰদলৈ**
ষষ্ঠ শ্ৰেণী



সেইদিনাখন আছিল বহুত গৰমৰ বতৰ। জিণ্টুৱে পুৱা হাত-মুখ ধুই দেউতাকক ক'লে, 'দেউতা, আজি ইমান গৰম, স্কুললৈ যাওঁ নে নাযাওঁ?'

দেউতাকে ক'লে, 'আজি গৰম বন্ধ শেষ হৈ স্কুল খুলিছে। আজি প্ৰথমদিন, যা আক'।' দেউতাকৰ লগত সি স্কুটাৰত উঠি স্কুল পালেগৈ। তাৰ লগতে বিতু, ভতু আৰু ধ্ৰুৱ একেলগে স্কুল আহি পাইছিল। তাৰ পিছত সিহঁত স্কুলত সোমাল। সিহঁতৰ শ্ৰেণী আৰম্ভ হ'ল। সিহঁতৰ আটাইতকৈ খঙাল ছাৰ উপেন ছাৰ আহি শ্ৰেণীত উপস্থিত হ'ল। ছাৰে বিজ্ঞানৰ নৰম অধ্যায়টো পঢ়াবলৈ লওঁতে জিণ্টুৱে কিতাপত থকা আদিম মানুহটো ৰং কৰি আছিল। হঠাতে তাৰ পৰা আদিম মানুহটো ওলাই আহি জিণ্টুক টানি নিলে। সি দেখিলে চাৰিওফালে গছ-লতা। পিছফালে ঘূৰি চালে। আদিম মানুহবোৰে তাক বান্ধি পেলাইছে। সি বচাওক, বচাওক বুলি চিঞৰিবলৈ ধৰিলে। তাৰ পাছত তাৰ দলপতিজনে 'তাক মাৰি পেলোৱা' বুলি ক'লে। সি বৰ ভয় খালে। তৰোৱালেৰে তাক আঘাত কৰিলে। কিন্তু সি লাঠিৰ কোবৰ দৰেহে অনুভৱ কৰিলে। সি চকু মেলি চালে আৰু দেখিলে যে উপেন শৰ্মা ছাৰে তাক একোব মাৰিছে। 'জিণ্টু, শ্ৰেণীত শুবলৈ আহিছ? যা, কাণত ধৰ,' ছাৰে ক'লে। সি ভাবিলে 'অ' সপোনহে দেখিছিলোঁ।' বুকুখন চুই চালে, তেতিয়াও ধপধপাই আছে। ❖

# অনুতাপ

**শৌভাংগী হালৈ**
ষষ্ঠ শ্ৰেণী



এসময়ত এখন গাঁৱত এজন দৰিদ্ৰ ব্ৰাহ্মণ বাস কৰিছিল। তেওঁ বৰ জ্ঞানী আছিল। তেওঁ সদায় পুৱাতে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী আইক প্ৰণাম কৰিহে তেওঁৰ দিনটোৰ আৰম্ভণি কৰিছিল। তেওঁ পুৱাবেলা ঘৰৰ পৰা ভিক্ষা মাগিবলৈ যায় আৰু মানুহবোৰক বেদ, উপনিষদ, গীতা আদিৰ কাহিনী শুনায়। তেওঁৰ পাণ্ডিত্যৰ কথা সকলোতে বিয়পি পৰিছিল আৰু এদিন ৰজাৰ কাণতো পৰিছিলগৈ। ৰজাই আদৰ-সন্মানেৰে ব্ৰাহ্মণজনক ৰাজহাউলীলৈ লৈ গ'ল আৰু তেওঁক থাকিবলৈ এটা পৰিষ্কাৰ কোঠা, লিখা-মেলা কৰিবলৈ মেজ-চকী দিলে। তেওঁ ব্ৰাহ্মণজনক ক'লে, 'আপুনি সদায় ৰাজসভালৈ আহি আমাক আপোনাৰ জ্ঞানৰ সুবাসেৰে ধন্য কৰিব।'

ব্ৰাহ্মণজনে তেওঁৰ পুৰণা জুপুৰীৰ পৰা ৰাজহাউলীত থাকিবলৈ পালে। তেওঁ নিতৌ ৰাজসভাত আহি গীতা, উপনিষদ আদিৰ শ্লোকেৰে সকলোকে মন্ত্ৰ-মুগ্ধ কৰে। এনেদৰে দিন বাগৰিল। লাহে লাহে তেওঁ এলেহুৱা হৈ পৰিল। তেওঁৰ লাহ-বিলাহৰ জীৱন কটাবলৈ পাই তেওঁ শ্লোক, ধৰ্ম, শাস্ত্ৰ আদি পাহৰিবলৈ ধৰিলে। দিনে দিনে সৰস্বতী আইৰ প্ৰতি থকা ভক্তি তেওঁৰ লোপ পাবলৈ ধৰিলে। সেয়েহে সৰস্বতী দেৱী অসন্তুষ্ট হৈ তেওঁৰ সোঁহাতখন লিখিব নোৱৰা কৰি দিলে। তাৰ পাছত মহাৰাজৰ বহুতো কবিৰাজ, বৈদ্য আদিয়ে ঠিক কৰিব নোৱৰাত তেওঁ বৰ চিন্তিত হৈ পৰিল। এনেদৰে চিন্তাত মগ্ন হৈ থকাত কেতিয়ানো ৰজাৰ টোপনি আহিল তেওঁ গমকে নাপালে। ৰজাই সপোনত দেখিলে যে শুদ্ধ বসন পিন্ধি হাতত বীণা লৈ এগৰাকী নাৰী তেওঁৰ ওচৰলৈ আহিছে। তেওঁক সেই নাৰীগৰাকীয়ে ক'লে, "হে ৰাজন, আপুনি সেই ব্ৰাহ্মণজনৰ কাৰণে ইমান কিয় চিন্তা কৰিছে?"

ৰজা, "হে দেৱী, মই তেওঁৰ শৰণ লৈছোঁ। এতেকে তেওঁৰ কিবা অনিষ্ট হ'লে সকলোৱে মোকেই দোষী সাব্যস্ত কৰিব। তেওঁ আগতে ইমান সুৱলাকৈ গীতা, উপনিষদ আদিৰ শ্লোকবোৰ আমাক শুনাইছিল। কিন্তু হঠাৎ...হঠাৎ তেওঁৰ কি হ'ল?"

নাৰী—হে ৰাজন, তেওঁৰ অনিষ্টৰ মূলতঃ এটাই কাৰণ, সেয়া হ'ল 'ভক্তি'। তেওঁ আগতে সৰস্বতী আইক খুব ভক্তি কৰিছিল, কিন্তু... কিন্তু এতিয়া কি হ'ল? তেওঁ লাহ-বিলাহত থকাৰ বাবে তেওঁৰ সেই ভক্তি লোপ পাবলৈ ধৰিলে। এতেকে এইটোৱেই তেওঁৰ অনিষ্টৰ মূল কাৰণ।"

ইতিমধ্যে পুৱা হৈছিল। ৰজাই আনদিনাৰ দৰে সেইদিনাও ৰাজসভাত উপস্থিত হ'লগৈ আৰু সকলোকে তেওঁৰ সপোনৰ কথা ক'লে। তেতিয়া ৰজাক আন পণ্ডিতসকলে সুধিলে, "আপোনাৰ সপোনৰ নাৰীগৰাকীয়ে শুদ্ধ বসন পিন্ধি হাতত বীণা লৈছিল নেকি?"

ৰজা—"হয়।"

পণ্ডিত—"তেন্তে তেওঁ আন কোনো নহয়, তেওঁ হ'ল বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী আই।"

এই কথা শুনি ব্ৰাহ্মণজনে ভাবিলে—"সঁচা। মই বৰ এলেহুৱা হৈ পৰিছিলোঁ আৰু তাৰ পৰিণাম আজি হাতে হাতে পালোঁ। শেষত ব্ৰাহ্মণজনে বৰ অনুতাপ কৰিলে।" ❖

# মৌনতা

**কৌশিকী গোস্বামী**
দ্বাদশ শ্ৰেণী



"খালে ঐ খালে খালে, মোৰ পোনাটোক মোৰ বুকুৰ মাজৰ পৰা কাঢ়ি সিহঁতে খাই পেলালে ঐ!" মাজৰাতিৰ নিস্তব্ধতাৰ মাজত অৰ্ণৱৰ মাকে চিঞৰি উঠিল এনেদৰে। লগে লগে বোৱাৰীয়েক লিজা দৌৰি আহিল আৰু জোকাৰি দিলে শাহুৱেকৰ গাটো। লাহে লাহে শান্ত হ'ল মিনতি বৰা। কিন্তু তথাপিও যেন তেওঁ নিজৰ মনটোক শান্ত কৰিব পৰা নাই। বাৰে বাৰে মনত ভাঁহি আহিল সন্ত্ৰাসবাদীৰ গুলীত নিহত হোৱা একমাত্ৰ সন্তান পুত্ৰ অৰ্ণৱৰ দেহৰ সেই তেজলগা খণ্ডিত টুকুৰাবোৰ। তেওঁৰ মনত ভাঁহি আহিবলৈ ধৰিলে কেইবছৰমান আগৰ সেই দিনবোৰ...।

সৰুৰে পৰা দেশ সেৱাৰ প্ৰতি অদম্য হেঁপাহ থকা অৰ্ণৱে পঢ়া-শুনা সাং কৰিয়েই ৰাওণা হৈছিল দেশ-সেৱাত নিয়োজিত হ'বলৈ। সেই মৰ্মে অৰ্ণৱে যোগদান কৰিছিল ছত্তিশগড়ৰ বেটেলিয়েন ফ'ৰ্চত। মাক-দেউতাকেও নিজৰ সন্তানটি এনে এক মহৎ কৰ্মত নিয়োজিত হোৱা দেখি তথা নিজ লক্ষ্যত উপনীত হোৱা দেখিবলৈ পাই আনন্দত চকুলো টুকিছিল। অৰ্ণৱেও দেশৰ বাবে, দহৰ বাবে নিজে কৰিবলগীয়া সকলো কাম আৰু দায়িত্ব পালন কৰি গৈছিল অতি নিষ্ঠাৰে। ছত্তিশগড়ৰ মাওবাদীক উৎখাত কৰিবলৈ সংকল্প লৈছিল অৰ্ব, ছৰবজিৎ, চিৰাজুল আদিৰ দৰে প্ৰত্যেকগৰাকী জোৱানেই। মাজে মাজে ছুটী লৈ অৰ্ণৱে ঢাপলি মেলিছিল তাৰ আপোন গাঁওখনলৈ। কিন্তু কৰ্তব্যৰ খাতিৰত তিনি-চাৰি মাহৰ অন্তত মাত্ৰ এসপ্তাহ-দুসপ্তাহ থাকি পুনৰ উভতি গৈছিল নিজ কৰ্তব্যস্থলীলৈ। তাৰ মাজতেই চলিছিল অৰ্ণৱৰ বিয়া-বাৰুৰ কথা আৰু অৱশেষত অৰ্ণৱে তাৰ প্ৰেমিকা লিজাক নিজৰ জীৱন সংগী কৰি লৈছিল। নিজৰ একমাত্ৰ পুত্ৰৰ বিয়াখন ধুমধামকৈ পতাৰ আশা মনতে পুহি ৰাখিছিল অৰ্ণৱৰ বৃদ্ধ পিতৃ-মাতৃয়ে। কিন্তু ছত্তিশগড়ৰ পৰা কৰ্তব্যৰ খাতিৰত ততাতৈয়াকৈ অৰ্ণৱক মাতি পঠিওৱাৰ বাবে ক'ৰ্ট মেৰেজ কৰি সদ্যবিবাহিতা পত্নী লিজাক পিতৃ-মাতৃৰ সৈতে এৰি থৈ উভতি গৈছিল ছত্তিছগড়লৈ। তাৰ পাছতেই ছত্তিছগড়ত মাওবাদীৰে আৰম্ভ হৈছিল সংঘৰ্ষ। অৰ্ণৱৰ বহু সতীৰ্থই প্ৰাণ হেৰুৱাইছিল, আন কিছুমান হৈ পৰিছিল চিৰকালৰ বাবে ঘূণীয়া। সতীৰ্থসকলৰ এনে অৱস্থা দেখি অৰ্ণৱৰ মনত প্ৰতিশোধৰ জুই জ্বলি উঠিছিল আৰু অৰ্ণৱে দুগুণ উদ্যমেৰে দেশমাতৃক মাওবাদীৰ আগ্ৰাসনৰ পৰা মুক্ত কৰাৰ বাবে প্ৰাণে-পণে যুঁজি গৈছিল। অৰ্ণৱৰ কৰ্মতৎপৰতাৰ বাবেই অৰ্ণৱ হৈ পৰিছিল মাওবাদী সংগঠনবোৰৰ এক অন্যতম টাৰ্গেট। তিনি সপ্তাহ জুৰি একেৰাহে হৈ থকা সংঘৰ্ষৰ শাম কটাৰ পাছত অৰ্ণৱে ঠিক কৰিছিল সি মৰমৰ ঘৰখনলৈ এবাৰ যাব। প্ৰেমিকাৰ পৰা পত্নী হোৱা লিজাৰ সৈতে অলপ সময় কটাব। তাৰ

নিজৰ পইছাকেইটাৰে বিয়া বুলি ৰাইজক এসাঁজ খুৱাব। কিন্তু ঘৰলৈ যাম বুলি ষ্টেছনলৈ যোৱা পথত অৰ্ণৱৰ লগতে আনকেইগৰাকীমান সেনা জোৱানক নিৰস্ত্ৰ ৰূপে পাই অতি নিৰ্মমভাৱে গ্ৰেনেড ফুটুৱাই থকা-সৰকা কৰি পেলালে নিষ্ঠুৰ মাওবাদীবোৰে। মুহূৰ্ততে সকলো সপোন ভাঙি গ'ল। মনৰ আশা মনতে মাৰ গ'ল অৰ্ণৱৰ। খবৰ পঠিওৱা হ'ল মংগলদৈত অৱস্থিত তাৰ আপোন ঘৰখনলৈ। বিয়াৰ অভ্যৰ্থনাৰ বাবে ঘৰলৈ আহিব খোজা অৰ্ণৱ আহিল কফিনত শুই। পুত্ৰ-বোৱাৰীৰে সৈতে আনন্দেৰে সজাই তুলিব খোজা ঘৰখন যেন কালধুমুহাই চকুৰ পলকতে থান-বান কৰি পেলালে। কান্দি কান্দি বৃদ্ধা মাক-দেউতাকৰ অৱস্থা কাহিল হ'ল। আনহাতে লিজাৰ চকুৰ পৰা এটোপালো চকুলো নোলাল। তাই হৈ ৰ'ল মৌন, নিস্তব্ধ। ৰঙীণ সাজযোৰ ত্যাগ কৰি এযোৰ শুভ সাজ পিন্ধি অন্তিম শ্ৰদ্ধা জনালে অৰ্ণৱক। বুকু ভৰি উথলি অহা শোকক বাধা দিও তাই চেল্যুট জনালে মৃত স্বামী অৰ্ণৱৰ প্ৰতি। তাৰ পিছতে বাজি উঠিল শ্বহীদৰ প্ৰতি শ্ৰদ্ধা জনোৱা সেই কৰুণ সুৰ। অৰ্ণৱৰ অন্তিম বিদায়ত উপস্থিত আছিল সমাজৰ কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি। বহুতে প্ৰতিশ্ৰুতি দিছিল লিজাক এটা সংস্থাপন দিয়াৰ, ঘৰখনক আৰ্থিকভাৱে সহায় কৰাৰ। সমাজৰ এনে মুখা পিন্ধা ভদ্ৰলোকসকলৰ সঁচা যেন লগা প্ৰতিশ্ৰুতিবোৰে অলপ হ'লেও সকাহ দিছিল অৰ্ণৱৰ পিতৃ-মাতৃক। বহুজনে লিজাক সান্ত্বনা দিছিল, আন বহুতে শ্বহীদ পত্নী হোৱা বাবে তাইক সম্বৰ্ধনা দিছিল, দিছিল সংস্থাপনৰ প্ৰতিশ্ৰুতি, মনৰ ভাব ব্যক্ত কৰিবলৈ মাতিছিল কেইবাটাও নিউজ চেনেললৈ। কিন্তু এই সকলোবোৰ যেন লিজাৰ কাৰণে আৰু একো একোটা দুখৰ গধুৰ বোজা হৈ পৰিছিল। লাহে লাহে দিনবোৰ পাৰ হৈছিল। ঘৰখনৰ সমস্ত দায়িত্ব তাইৰ মূৰৰ ওপৰত আহি পৰিছিল। চৰকাৰ, দল-সংগঠনৰ প্ৰতিশ্ৰুতিবোৰো যেন তাইৰ বাবে একো একোটা গভীৰ সাঁথৰ যেন হৈ পৰিছিল।

অৰ্ণৱৰ অকাল মৃত্যুৰ দুখ তথা লিজাৰ উকা কপালখন চাই চাই শাহুৱেকে ভ্ৰম বকিবলৈ আৰম্ভ কৰিছিল। অৰ্ণৱৰ ত্যাগক সকলোৱে পাহৰিবলৈ লৈছিল। এনেদৰেই এবছৰ পাৰ হৈছিল আৰু পুনৰ অৰ্ণৱৰ এবছৰীয়া শ্ৰাদ্ধত আহি উপস্থিত হৈছিল ভিন্ন দলৰ ভিন্ন নেতা। লক্ষ্য একেটাই—"সঁচা যেন লগা মিছা প্ৰতিশ্ৰুতি দিয়া।" কিন্তু এইবাৰ লিজা কোনো কথাতে পতিয়ন যোৱা নাছিল। তাৰ বিপৰীতে তাই প্ৰতিজ্ঞা লৈছিল যে অৰ্ণৱৰ আধৰুৱা সপোনবোৰ পূৰণ কৰিব। তাই বেটেলিয়েন ফ'ৰ্চত যোগদান কৰিব। নিৰীহ লোকসকলৰ প্ৰাণ লোৱা মাওবাদীবোৰক বুকু ফালি দেখুৱাব তাইৰ মনৰ সেই কোনেও নেদেখা বেথা। ❖



**গৰীয়সী শৰ্মা,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**প্ৰজ্ঞান কলিতা,** অংকুৰ শ্ৰেণী

# ভাইৰাছ আৰু সপোন

**গহনা চক্ৰৱৰ্তী**
পঞ্চম শ্ৰেণী



ৰাতি হ'বৰ হৈছিলহি। তথাপি আমাৰ যাত্ৰা শেষ নহ'ল। দূৰণিৰ বাট। দিন-ৰাতি একাকাৰ কৰি আমি গৈ থাকিলোঁ। ক'লৈনো গৈ আছিলোঁ, লগৰীয়াবোৰনো কোন আছিল একো নাজানিলোঁ। এটা কথাই জানিছিলোঁ যে লক্ষ্যস্থান পাবলৈ বহুদূৰ বাকী আছিল। কাৰোবাৰ চিঞৰ শুনি আমি ৰৈ দিলোঁ। কাৰ চিঞৰ, আকৌ এই ৰাতিখন! আমি অলপ ওচৰ চাপি চালোঁ। মনত অলপ ভয় জাগিছিল। আমি দেখিলোঁ এজন অদ্ভুত আকৃতিৰ মানুহ। কোন নাজানিলোঁ। আমি সুধিলোঁ। তেওঁ কেৱল ক'লে যে মোৰ পৰা আঁতৰি থাকিবা। নহ'লে তোমালোকৰ বিপদ হ'ব। তেওঁ এনেকৈ কিয় ক'লে নাজানিলোঁ। তথাপি তেওঁ অকলে আছিল বাবে তেওঁক আমাৰ যাত্ৰাৰ সংগী কৰি ল'লোঁ। বাটত হঠাৎ আমাৰ লগৰ এজন কিবা বেমাৰ হৈ পথৰ ওপৰতে ঢলি পৰিল। ভয় আৰু চিন্তাত আমি তেওঁক বেৰি ধৰিলোঁ আৰু শুশ্ৰূষা কৰিলোঁ। পিছে তেওঁ উশাহ-নিশাহ ল'বলৈ এৰিলে আৰু সাৰ-সুৰো নোহোৱা হ'ল। কিছু সময়ৰ পিছত তেওঁৰ মৃত্যু হ'ল। তাৰ পিছত আমি আকৌ যাত্ৰা আৰম্ভ কৰিলোঁ। কিন্তু কিছু দূৰ যোৱাৰ পিছত আমাৰ মাজৰে আন এজনৰ একে বেমাৰত মৃত্যু হ'ল। এজন এজনকৈ আটাইকেইজনকে সেই অচিন বেমাৰে আমাৰ মাজৰ পৰা কাঢ়ি লৈ গ'ল। এতিয়া আমি দুজনহে থাকিলোঁগৈ—মই আৰু সেই অদ্ভুত মানুহজন। মোৰ বহুত ভয় লাগিল। এতিয়া যদি মোৰ কিবা হয়! এনেকৈ ভাবি থাকোঁতে সেই অদ্ভুত মানুহজনে ক'লে যে—"তুমি কি ভাবি আছা মই জানো। তুমি চিন্তা নকৰিবা, তুমি নিজৰ হাত দুখন পৰিষ্কাৰ কৰি ৰাখিবা। ঘৰৰ পৰা বাহিৰলৈ নোলাবা। আচলতে মোৰ নাম ক'ৰোনা ভাইৰাছ। মই উশাহেৰে মানুহৰ গালৈ সোমাও আৰু মানুহক একেবাৰে মৃত্যুৰ মুখলৈ ঠেলি দিওঁ। তোমাৰ লগৰীয়াকেইজনে বাৰে বাৰে লেতেৰা হাত মুখলৈ নিছিল সেইবাবেহে তেওঁলোকৰ তেনে গতি হ'ল। মোৰ কথা নুশুনিলে তোমাৰো দশা বেয়া হ'ব। এতিয়া মই যাওঁ' এইবুলি হঠাৎ সেই অদ্ভুত মানুহজন গুচি গ'ল আৰু মই নিজকে শোৱাপাটিত আৱিষ্কাৰ কৰিলোঁ। মনত বৰ সকাহ লাগিল। এনেদৰেই মোৰ সপোনটি এটি গল্প হৈ পৰিল। ❖

দিহিঙে-দিপাঙে

# আমাৰ পবিতৰা ভ্ৰমণ

**মান্যতা মঞ্জিষ্ঠা নাথ**
তৃতীয় শ্ৰেণী



২০২০ চনৰ মাৰ্চ মাহৰ ১০ তাৰিখ। সেইদিনা ফাকুৱা। দেশৰ প্ৰধানমন্ত্ৰীয়ে হোলী নেখেলিবলৈ অনুৰোধ জনাইছিল। দেউতাই বুজাই দিছিল যে ক'ৰোনা বেমাৰৰ পৰা হাত সাৰিবলৈ প্ৰধানমন্ত্ৰীয়ে সেই কথা কৈছে। আমাৰ মনবোৰ বেয়া লাগিল বাবে দেউতাই আমাক ফুৰাবলৈ নিম বুলি ক'লে। আমাৰ পৰিয়াল আৰু দেউতাৰ বন্ধুৰ পৰিয়াল এটা লগ লাগি আমি পবিতৰা অভয়াৰণ্যলৈ গ'লোঁ। আমি পুৰা ১০ বজাত পবিতৰা পালোঁ। তাত গৈ গম পালোঁ যে ইতিমধ্যে হাতী ছাফাৰী বন্ধ হ'ল, গতিকে আমি জীপ ছাফাৰী ল'লোঁ। জীপ ছাফাৰীত উঠিও যে ভাল লাগে সেইদিনাহে বুজিলোঁ। ইয়াৰ আগতেও আমি নামেৰী ৰাষ্ট্ৰীয় উদ্যানলৈ গৈছিলোঁ আৰু তাত নাৱত উঠি নদীত ভ্ৰমণ কৰা মোৰ মনত আছে। দেউতাই কৈছিল ইংৰাজীত ইয়াক ৰাফ্‌টিং বুলি কয়। পবিতৰাত প্ৰথম গঁড়টো দেখি আমি একেলগে সকলোৱে চিঞৰি উঠিলোঁ। ওচৰৰ পৰা মুকলিকৈ গঁড় আগতে মই দেখা নাছিলোঁ। দূৰৈত আন কেইবাটাও গঁড় চৰি থকা আমি দেখিলোঁ। সঁচাই ইমান ডাঙৰ ডাঙৰ গঁড় আছে। অৰণ্যলৈ সোমাই যাওঁতে এজোপা ওখ লঠঙা গছত বহুত চৰাই পৰি থকা দেখিলোঁ। সেইবোৰ শামুক ভঙা চৰাই বুলি দেউতাই ক'লে। মুকলি আকাশত চিলনী, শগুন জাতীয় চৰাই উৰি থকা দেখিলোঁ। হঠাৎ আমাৰ গাড়ীখন ৰখাই দিলে। আমাৰ লগত যোৱা বনৰক্ষীজনে এজোপা গছলৈ আঙুলিয়াই এডাল অজগৰ দেখুৱালে। অজগৰডালে গছডালত পাক মাৰি শুই আছে। অজগৰে বেছিকৈ খাদ্য খালে তেনেকৈ কেইবাদিনো জিৰণি লৈ থাকে বুলি দেউতাই বুজাই দিলে। দেউতা আৰু দেহৰক্ষীজনে বিভিন্ন কথা পাতিছে। বানপানীৰ সময়ত অৰণ্যৰ ভিতৰত যেতিয়া পানী হয়, তেতিয়া জীৱ-জন্তুৰ আলাই-আথানি নোহোৱা হয়। পবিতৰা মুখ্যতঃ এশিঙীয়া গঁড়ৰ বাবে বিখ্যাত। ইয়াত প্ৰায় ১০৫টামান গঁড় আছে। বনৰীয়া ম'হ, বনগাহৰি, বিভিন্ন প্ৰজাতিৰ চৰাই আৰু গছ-গছনিৰে ভৰা পবিতৰা সঁচাই মনোমোহা। প্ৰায় এঘণ্টামান সময় জীপ ছাফাৰীৰ অন্তত আমি বাহিৰলৈ আহি তাত থকা হাদুক দলঙৰ কাষতে থকা উদ্যানত খেলা-ধূলা কৰিলোঁ। দুপৰীয়া ১ বজাত আমি তাৰ পৰা উভতিলোঁ। ওভতাৰ পথত কাজলী

চকী নামৰ ঠাইডোখৰত থকা আহোমদিনীয়া গোলা-বাৰুদৰ সংৰক্ষণৰ ঠাইত সোমাই সেইবোৰ চালোঁ। তাত থকা ৰাজহুৱা মন্দিৰত দৌল উপলক্ষে হৈ থকা নাম কিছু সময়ৰ বাবে উপভোগ কৰিলোঁ। তাত প্ৰসাদ, ভোগ আদি গ্ৰহণ কৰি প্ৰায় ৩ বজাত আমি পুনৰ ঘৰলৈ উভতিলোঁ। সেইদিনা আমি বহু নজনা কথা জানিলোঁ, নেদেখা ঠাই দেখিলোঁ। সঁচাই ভ্ৰমণৰ ফলত আমাৰ জ্ঞান বৃদ্ধিৰ লগতে মন আনন্দেৰে ভৰি পৰে। ❖

# কলকাতা ভ্ৰমণ

**প্ৰিয়ানুজ কলিতা**
তৃতীয় শ্ৰেণী

সেইদিনা আছিল ২০১৯ চনৰ ১০ ডিছেম্বৰ। বহুদিন আগৰ পৰাই কলকাতালৈ যোৱাৰ ইচ্ছা আছিল। সেইবাবেই দেউতাই প্ৰায় এমাহমান আগতেই বিমান আৰু হোটেলৰ টিকট কৰি থৈছিল। আমাৰ পৰিয়ালত দেউতা-মা, মই আৰু ভণ্টি আছিলোঁ। আমাৰ লগত এই ভ্ৰমণত গৈছিল জেঠা-জেঠী আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী দুটা। কিন্তু ১০ ডিছেম্বৰত আছিল অসম বন্ধ। সেইবাবেই আমি পুৱা ৫.৩০ বজাত ঘৰৰ পৰা বিমান বন্দৰলৈ ওলাই গৈছিলোঁ। আমাৰ বিমানৰ সময় আছিল দুপৰীয়া ৩.৩০ বজাত। সেইবাবে আমি বিমান বন্দৰৰ ওচৰতে থকা ল'জ এখন ল'লোঁ। তাত অলপ জিৰণি ল'লোঁ। যদিও বন্ধৰ বাবে বৰ অসুবিধা হৈছিল তথাপি জেঠাৰ বন্ধু এজনে বিমান বন্দৰত বহুত সহায় কৰি দিছিল। আমি ঠিক সময়তে বিমানত উঠিলোঁ আৰু বিমানখনে যাত্ৰা আৰম্ভ কৰিলে। এইটো বিমানত মোৰ দ্বিতীয় যাত্ৰা। সেইবাবে মই ভয় খোৱা নাছিলোঁ। বিমানৰ খিৰিকিৰে বাহিৰলৈ চাই বহুত ভাল লাগিছিল। মেঘবোৰ একেবাৰে ওচৰৰ পৰা দেখা পাইছিলোঁ। বিমানখনে নিৰ্দিষ্ট সময়ত কলকাতাৰ বিমান বন্দৰ পালে। তাৰ পিছত আমি আগেয়ে বুক কৰি থোৱা হোটেললৈ গ'লোঁ। বহুত ভাগৰ লগাৰ বাবে আমি সোনকালে খাই-বৈ সেইদিনা শুই থাকিলোঁ।

দ্বিতীয়দিনা মানে ১১ ডিছেম্বৰৰ দিনা আমি পুৱা শুই উঠি গা ধুই পুৱাৰ আহাৰ হোটেলতে খালোঁ। তাৰ পিছত আমি গাড়ীত উঠি দক্ষিণেশ্বৰ কালী মন্দিৰত পূজা কৰিলোঁ। মন্দিৰৰ পৰা ওলাই গাড়ীত উঠি ইক' পাৰ্কলৈ গ'লোঁ। ইক' পাৰ্কখন বৰ আহল-বহল। তাতে চাইকেল ভাড়াত দিছিল। মই আৰু দাদাই চাইকেল এখন ভাড়াত লৈ সম্পূৰ্ণ পাৰ্কখন ঘূৰিলোঁ। তাৰ পিছত আমি বজাৰ কৰিলোঁ আৰু হোটেলত গৈ শুই থাকিলোঁ।

তৃতীয়দিনা মানে ১২ ডিছেম্বৰৰ পুৱা সোনকালে শুই উঠি গা-পা ধুই হোটেলত পুৱাৰ আহাৰ গ্ৰহণ কৰিলোঁ। তাৰ পিছত মেট্ৰ' ষ্টেছনলৈ গ'লোঁ আৰু মেট্ৰ ৰেলত উঠিলোঁ। ইমান যে মজা লাগিল। ৰেলখন ইমান যে বেগেৰে চলিছিল। সেইদিনা আমি ভিক্ট'ৰিয়া মেমৰিয়েল চালোঁ। তাৰ পিছত আমি ছায়েঞ্চ চিটি গ'লোঁ আৰু ৰ'পৱেত উঠিলোঁ। প্ৰথমে অলপ ভয় লাগিছিল। তাত বিজ্ঞানৰ বিভিন্ন সা-সঁজুলি আৰু পদ্ধতি দেখিলোঁ আৰু বহু কথা শিকিলোঁ। দুপৰীয়া খাই-বৈ

নিকু পাৰ্কত গ'লোঁ। তাত টয় ট্ৰেইনত উঠিলোঁ। ট্ৰেইনখনে পাৰ্কখনৰ চাৰিওফালে কেইবাবাৰো ঘূৰিছিল। তাত ডাঙৰ স্ক্ৰীণত থকা ভিডিঅ' গেম খেলিলোঁ। গোটেই দিনটো আমি খুব স্ফূৰ্তি কৰিলোঁ।

তৃতীয়দিনা আমি কলকাতাৰ পৰা বহুত দূৰত থকা মান্দাৰমণি বীচ্চ্‌লৈ যাবলৈ ওলালোঁ। গধূলি ৬ বজাত আমি মান্দাৰমণি বীচ্চ্ পালোঁ। সাগৰৰ পাৰৰ হোটেল এখনত থকাৰ বাবে ঠিক কৰিলোঁ। গধূলি চাহ খাই সাগৰৰ পাৰত ফুৰিবলৈ গ'লোঁ। ৰাতি হোৱাৰ বাবে সাগৰখন ভালকৈ দেখা নাপালোঁ তথাপি তাত চলি থকা বতাহ আৰু পানীৰ ঢৌবোৰৰ শব্দ শুনি মনটো বহুত ভাল লাগিছিল।

শেষৰদিনা ১৪ ডিছেম্বৰ তাৰিখে পুৱা সোনকালে উঠি আকৌ সাগৰ চাবলৈ গ'লোঁ। সাগৰৰ পানীত খালী ভৰিৰে নামি বহুত স্ফূৰ্তি কৰিলোঁ। সাগৰৰ ঢৌবোৰ বহুত দূৰৰ পৰা হঠাৎ আহি ভৰিৰ ওচৰ পায়। পিছত আমাৰ পৰিয়ালটোৰ লগত ফট' উঠিলোঁ। সাগৰখন এৰি আহিবলৈ মন যোৱা নাছিল। যিহেতু আমি সেইদিনা গুৱাহাটীলৈ উভতি যাম সেইবাবে মনটো খুব বেয়া লাগি আছিল। মান্দাৰমণিৰ পৰা কলকাতাৰ বিমান বন্দৰলৈ উভতি আহোঁতে বাটত এই কথাবোৰ ভাবি আহি থাকিলোঁ। আমি ঠিক সময়তেই বিমানেৰে আহি গুৱাহাটী পালোঁহি। এই ভ্ৰমণটো মোৰ জীৱনত সদায় মনত থাকিব। ❖

# ভ্ৰমণৰ আনন্দ

**স্নেহাশ্ৰী গোস্বামী**
চতুৰ্থ শ্ৰেণী

সৰুৰে পৰা মোৰ উৰা জাহাজত উঠি দূৰলৈ ফুৰিবলৈ যোৱাৰ বৰ হেঁপাহ আছিল। সেইবাবেই ২০১৯ চনৰ জুলাই মাহত আমাৰ গৰম বন্ধত ফুৰিবলৈ যাবলৈ ঠিক কৰিলোঁ। জুলাই মাহৰ ১৭ তাৰিখে মই, মা-দেউতা, বা আৰু আমাৰেই চিনাকি দুটা পৰিয়ালৰ সৈতে গুৱাহাটীৰ বিমান বন্দৰৰ পৰা দিল্লীলৈ বুলি উৰা মাৰিছিলোঁ। আমি আবেলি ৪-৩০ বজাত দিল্লীৰ বিমান বন্দৰত উপস্থিত হৈছিলোঁ। বিমান বন্দৰৰ পৰা হোটেল পাওঁতে আমাৰ প্ৰায় ৬-৩০ বাজিছিল। সেইদিনা আমি দিল্লীতে থকা আমাৰ চিনাকি পৰিয়াল এটাৰ ঘৰত ৰাতিৰ আহাৰ গ্ৰহণ কৰিছিলোঁ। তাৰ পৰা উভতি আহোঁতে আমাৰ ৰাতি হৈছিল। ৰাতিৰ দিল্লীখন দেখিবলৈ বৰ ধুনীয়া। তাৰ পিছদিনা আমি দিল্লীৰ লালকিল্লা, ৰাজঘাট, কুটুবমিনাৰ, লটাচ টেম্পল, ইণ্ডিয়া গেট, পালিকা বজাৰলৈ গ'লোঁ। এই পালিকা বজাৰখন মাটিৰ তলত অৱস্থিত। তাৰ পিছদিনা আমি বৃন্দাবন, মথুৰালৈ গৈছিলোঁ। তাৰ তালৈ গৈ মোৰ বৰ ভাল লাগিছিল। তাত মই কৃষ্ণৰ জন্ম হোৱা কাৰাগাৰটোৰ লগতে কংসই কৃষ্ণৰ সাতজন দাদাকক আচাৰি মৰা শিলটোও দেখিছিলোঁ। আমি মন্দিৰৰ চাৰিওফালে তিনিবাৰ ঘূৰিছিলোঁ। বৃন্দাবনত মোৰ লাচ্চি আৰু ৰাবৰি খাই বহুত ভাল লাগিছিল। সেইদিনাই আমি আগ্ৰাকিল্লালৈও গৈছিলোঁ। আগ্ৰাকিল্লাটো বৰ ডাঙৰ। এই আগ্ৰাকিল্লাৰ পৰা তাজমহলটো বৰ ধুনীয়াকৈ দেখা

পোৱা যায়। তাত মই ঔৰংগজেৱে শ্বাহজাহানক বন্দী কৰি ৰখা কোঠাটো দেখিছিলোঁ।

আগ্ৰাত আমি থকা হোটেলখন বৰ ধুনীয়া আছিল। তাত এটা ছুইমিং পুলো আছিল। আগ্ৰাত আমি সুস্বাদু পেঠা খাইছিলোঁ।

ইয়াৰ পাছত আমি পৃথিৱীৰ সাতটা আশ্চৰ্য্যৰ অন্যতম তাজমহললৈ গৈছিলোঁ। টিভিত দেখি থকা তাজমহলটো নিজে চুবলৈ পাই বৰ ভাল লাগিছিল। তাজমহলৰ ভিতৰত মমতাজ আৰু শ্বাহজাহানৰ কবৰ আছিল। তাজমহলৰ ভিতৰখন দেখিবলৈ বৰ ধুনীয়া। এনেদৰেই আমি তাজমহল চাই ৰাজস্থানলৈ বুলি ৰাওণা হৈছিলোঁ। ৰাজস্থান অৰ্থাৎ জয়পুৰলৈ যোৱা ৰাস্তাটো বৰ ধুনীয়া আছিল। ৰাস্তাৰ দুয়োকাষে ধাননি পথাৰ আৰু গছ-গছনি আছিল। লগতে আমি জয়পুৰলৈ যাওঁতে পাতলীয়াকৈ বৰষুণ দি আছিল আৰু আমি সকলোৱে ৰাস্তাৰ কাষত কেইবাটাও ময়ূৰ চৰাই দেখিছিলোঁ। ময়ূৰ চৰাই দেখি মোৰ আৰু বাৰ বৰ ভাল লাগিছিল। এনেদৰেই আমি ৭-০০ মান বজাত জয়পুৰৰ এখন দোকানত উপস্থিত হ'লোঁ। সেই দোকানখনত আমাক জয়পুৰী কাপোৰবোৰত কেনেদৰে পাচলিৰ পৰা তৈয়াৰ কৰা ৰং লগায় সেয়া দেখুৱাইছিল। তাত আমি জয়পুৰী ৰাজাইয়া কিনিলোঁ। তাৰ পিছদিনা অৰ্থাৎ ২১ জুলাই তাৰিখে আমি জয়পুৰৰ আমেৰকিলা, জলমহল, যন্তৰ-মন্তৰ, হাৱামহল চাবলৈ গ'লোঁ। প্ৰথমতে আমি আমেৰকিলা চাবলৈ গৈছিলোঁ। আমেৰকিলাটো বৰ ডাঙৰ। তাত চিচ্ মহল বুলি এটা ঘৰ আছিল। যিটো অকল আইনাৰে নিৰ্মিত। আনহাতে জলমহলটো পানীৰ মাজত অৱস্থিত। জলমহল চাবলৈ যাওঁতে আমি উটৰ পিঠিত উঠিছিলোঁ। তাৰ পাছত আমি হাৱামহললৈ গৈছিলোঁ, তাত মুঠতে ৯৫৩ খন খিৰিকি আছিল। হাৱামহলত একেবাৰে ওপৰলৈ যাওঁতে আমাৰ গাত বৰ জোৰকৈ বতাহ লাগিছিল। তাৰ পৰা জয়পুৰৰ দৃশ্য বৰ ধুনীয়াকৈ দেখা যায়। গোটেই জয়পুৰখন দেখাত গুলপীয়া ৰঙৰ। সেইবাবে ইয়াক 'পিংক চিটি' নামেৰে জনা যায়। এনেদৰে জয়পুৰৰ ঐতিহাসিক বস্তুবোৰ চাই আমি সন্ধিয়া জয়পুৰত বজাৰ কৰিলোঁ আৰু ৰাতিৰ আহাৰ গ্ৰহণ কৰিলোঁ। আমি ৰাতিৰ আহাৰ খোৱা ধাবাখনত জয়পুৰৰ কেইগৰাকীমান নৃত্য শিল্পীৰ লগত নাচিলোঁ।

২২-৭-২০১৯ তাৰিখে আমি পুনৰ জয়পুৰৰ পৰা দিল্লীলৈ উভতি আহিলোঁ। দিল্লীত সৰোজনী মাৰ্কেটত আমি বজাৰ কৰিলোঁ। পিছদিনা অৰ্থাৎ ২৩-৭-২০১৯ তাৰিখে দিল্লীৰ পৰা গুৱাহাটীলৈ উৰা মাৰিলোঁ। দিল্লী, আগ্ৰা, জয়পুৰৰ এই ভ্ৰমণৰ অভিজ্ঞতা মোৰ সদায় মনত থাকিব। ❖



**কৃষ্ণীল গাৰ্গ,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**পৰিধি প্ৰজ্ঞাৰঞ্জনী মানৱ,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# আনন্দেৰে ভৰপূৰ গৰম বন্ধৰ দিনকেইটা...

**দিশ্ৰু ৰুদ্ৰানী**
চতুৰ্থ শ্ৰেণী

২০১৯ বৰ্ষৰ গৰম বন্ধৰ দিনকেইটা মোৰ বৰ আনন্দেৰে পাৰ হ'ল। সেইবাৰ মই গৰম বন্ধত মা-পিতাৰ সৈতে হায়দৰাবাদ, পুৰী, ভুৱনেশ্বৰলৈ ফুৰিবলৈ গৈছিলোঁ। মই হায়দৰাবাদলৈ বহুবাৰ গৈছোঁ। এই চহৰখন মোৰ বৰ প্ৰিয়। চাৰমিনাৰ, চাওমহল্লা, বিৰলা মন্দিৰ, বিৰলা মিউজিয়াম, হুছেইন সাগৰ আদি ইতিমধ্যে মই দৰ্শন কৰিছোঁ যদিও সেইবাৰ আৰু দুটা নতুন বস্তুও চাবলৈ পালোঁ। গীনিছ বুক অফ ৰেকৰ্ডত স্বীকৃতি পোৱা পৃথিৱীৰ সবাতোতকৈ ডাঙৰ ফিল্ম চিটি 'RAMOJI FILM CITY' চাবলৈ পালোঁ। এখন ছবি (Film) শ্বুটিং কৰিবলৈ যি যি বস্তুৰ প্ৰয়োজন হয় সেই সকলোবোৰ বস্তু ইয়াৰ ভিতৰত আছে। ইয়াত দিল ছে, বাহুবলী, বাদশ্বাহ আদিকে ধৰি প্ৰায় ৩০০০ খন ছবি শ্বুটিং হৈছে। বাহুবলী ছবিখনৰ শ্বুটিং হোৱা ঠাইখনত থকা চেটিংসমূহ চাই মই বৰ আনন্দ পালোঁ আৰু মন ভৰি ফট'ও উঠিলোঁ। ইয়াৰ উপৰি হায়দৰাবাদ চহৰৰ পৰা ২২ কিল'মিটাৰ দূৰৈত অৱস্থিত ধৌলাৰীধানি নামৰ ৰিজৰ্টলৈও গ'লোঁ। ৰাজস্থানী পৰম্পৰাৰে নিৰ্মিত এই ৰিজৰ্টখনত মই বিভিন্ন খেল খেলিলোঁ, পুতলা নাচ চালোঁ, যাদু চালোঁ, মেহেন্দি লগালোঁ, নাও চলালোঁ, উটত উঠিলোঁ, ঘুমৰ নৃত্য চালোঁ। ইয়াৰ পিছত অৰ্থাৎ ১৯ জুলাইত আমি ভুৱনেশ্বৰলৈ আহি ইয়াৰ চাৰ্কিট হাউছত থাকিলোঁ। সেই ৰাতিটো ভুৱনেশ্বৰত কটাই পিছদিনা পুৱাই পুৰীলৈ বুলি ৰাওণা হ'লোঁ। আগতে ঠিক কৰি থোৱা হোটেলত সোমাই গা-পা ধুই পুৰীৰ বিখ্যাত জগন্নাথ মন্দিৰ দৰ্শন কৰিবলৈ গ'লোঁ। এই মন্দিৰত দিয়া প্ৰসাদৰ তৃপ্তি আছিল পাহৰিব নোৱাৰা এক অভিজ্ঞতা। ইয়াৰ পিছতে আমি আমাৰ হোটেলৰ সন্মুখতে থকা সাগৰ চাবলৈ গ'লোঁ। সাগৰৰ পাৰৰ বালিত বহি মই বহুত খেলিলোঁ, বালি ঘৰ সাজিলোঁ, শামুক বুটলিলোঁ আৰু গা ধুলোঁ। সাগৰৰ বালিময় লুণীয়া পানীৰে গা ধোৱাটোও এটা বৰ আনন্দৰ কথা। পুৰীত ৰাতিটো কটাই আমি পিছদিনা কোনাৰ্কৰ বিখ্যাত সূৰ্য্য মন্দিৰ দৰ্শন কৰিবলৈ গ'লোঁ। এই যাত্ৰা পথত সাগৰীয় ধুমুহা ফণীয়ে ধ্বংস কৰা শ-শ গছ-গছনি, মানুহৰ ঘৰ-দুৱাৰ দেখি মনটো বেয়া লাগিল। মন্দিৰলৈ গৈ থাকোঁতে ৰাস্তাত নদী-সাগৰৰ সংগমস্থল আৰু চন্দ্ৰভাঙা বীচ্ছ দেখিবলৈ পালোঁ।

ভুৱনেশ্বৰলৈ পুনৰ উভতি আহিলোঁ। তাত আমি নন্দনকানন চিৰিয়াখানা, লিংগৰাজ মন্দিৰ, পৃথিৱী বিখ্যাত উদয়গিৰি আৰু খান্দগিৰি গুহা, শান্তিস্তূপ আদি চালোঁ। নন্দনকাননত মাতৃহীনা 'মামা' নামৰ মৰমলগা ডেৰ বছৰীয়া হাতী পোৱালিটোৱে আমাক হেঁপাহ পলুৱাই মৰম আৰু আশীৰ্বাদ দিয়া কথাটো মোৰ সদায়ে এক সুন্দৰ স্মৃতি হৈ ৰ'ব। ❖

রোমন্থন

# এৰি অহা বিদ্যালয়ৰ স্মৃতি আৰু নতুন বিদ্যালয়ৰ কিছু অনুভৱ

**ধৃতিমান ঠাকুৰীয়া**
পঞ্চম শ্ৰেণী



অংকুৰ শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ এই ছয় বছৰ মই পঢ়াৰ ক্ষেত্ৰত মা-দেউতা, শিক্ষাগুৰু কাকো খুব বেছি অসন্তুষ্ট কৰা নাই। বিদ্যালয়খনৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী আৰু ছাৰ-বাইদেউৰ সৈতে মোৰ যি আত্মীয়তা, মৰম-স্নেহৰ ভাব গঢ়ি উঠিছিল সেইবোৰ যে হঠাৎ এৰি থৈ আহিব লাগিব ভবাই নাছিলোঁ।

সকলো ঠিকে চলি আছিল। কিন্তু কিয় জানো মা-দেউতাই প্ৰায়ে আলোচনা কৰা শুনিছিলোঁ মোক হেনো 'অসম জাতীয় বিদ্যালয়'ত পঢ়ুৱাৰ মন। প্ৰতি বছৰে দেউতা 'অসম জাতীয় বিদ্যালয়'লৈ আহে আসন খালী হৈছে নে খবৰ ল'বলৈ। কিন্তু আসন খালী নোহোৱাৰ বাবে এটা এটাকৈ ছটা বছৰ পাৰ হৈ যায় জ্ঞানপীঠ জাতীয় বিদ্যালয়ত। লগতে বাঢ়ি গৈ থাকে বিদ্যালয়খনৰ সৈতে মোৰ আত্মীয়তা। কিন্তু ২০১৯ চনৰ শেষৰ ফালে এদিন দেউতাই জনালে যে 'অসম জাতীয় বিদ্যালয়'ত পঞ্চম শ্ৰেণীত নতুন নামভৰ্তি হ'ব। অৰশ্যে প্ৰৱেশ পৰীক্ষা এটা হ'ব। য'ত মই ভাল ফলাফল দেখুৱাব লাগিব। খবৰটো পোৱাৰ দিনাৰ পৰাই

মাৰ তৎ নাইকিয়া হ'ল। চতুৰ্থ শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষা আৰু আনফালে নতুন বিদ্যালয়ত প্ৰৱেশৰ বাবে দিবলগীয়া পৰীক্ষা দুয়োটাৰে সমানে অনুশীলন চলিল। বছৰেকীয়া পৰীক্ষা শেষ হোৱাৰ পিছত এদিনো জিৰণি নোলোৱাকৈ মায়ে মোক চৰকাৰী-বেচৰকাৰী স্কুলৰ চতুৰ্থ শ্ৰেণীৰ কিতাপবোৰ আদিৰ পৰা অন্তলৈকে পঢ়োৱালে। 'জানানে', 'সঁফুৰা', 'প্ৰশ্নবান'—একো বাদ নপৰিল। এনেদৰে পৰীক্ষাৰ দিনটো আহি পালে আৰু মই পৰীক্ষা দিলোঁ। সাধাৰণ জ্ঞানৰ প্ৰশ্ন কেইটামানৰ বাহিৰে বাকী সকলোখিনি ঠিকে ঠিকে কৰিলোঁ। ২৮/১২/২০১৯ তাৰিখৰ দিনাখন প্ৰৱেশ পৰীক্ষাৰ ফলাফল ওলাল। যিসকল ছাত্ৰ-ছাত্ৰী পঞ্চম শ্ৰেণীত নামভৰ্তিৰ বাবে নিৰ্বাচিত হ'ল তাত মোৰ নামটোৱেও ঠাই পালে। মা-দেউতা যথেষ্ট সুখী হ'ল। তেওঁলোকৰ ছটা বছৰৰ আশা আৰু অপেক্ষাৰ ফল যেন এইবাৰ পালে। কিন্তু মই? ইমানদিন পঢ়া-শুনাৰ ব্যস্ততাত মই ভবাই নাছিলোঁ যে মোৰ অতিকৈ আপোন বিদ্যালয়খন, মোৰ বন্ধু-বান্ধৱী, ছাৰ-বাইদেউ সকলোকে এৰি থৈ যাব লাগিব সম্পূৰ্ণ এখন নতুন বিদ্যালয়লৈ, জ্ঞানপীঠতকৈ যথেষ্ট ডাঙৰ এখন বিদ্যালয়লৈ,—য'ত সকলো কথা নতুন হ'ব। ছাৰ-বাইদেউ নতুন, বন্ধু-বান্ধৱী নতুন, নিয়ম-নীতি সকলো নতুন। প্ৰথমদিনা যেতিয়া দেউতাই মোক গেটত নমাই থৈ গুচি গৈছিল, মোৰ বৰ অকলশৰীয়া অনুভৱ হৈছিল। কোনোমতেহে নকন্দাকৈ থাকিলোঁ। এতিয়া ডাঙৰ হৈছোঁ যে। তাৰ পিছত নিজৰ শ্ৰেণীকোঠাটো বিচাৰি উলিয়ালোঁ আৰু নিজেই গৈ এখন বেঞ্চত বহিলোঁ। প্ৰথমে মোক চিনি নোপোৱাৰ বাবে বহুতে কাষত বহুৱাবলৈ বিচৰা নাছিল। কাৰণ সকলোৰে নিজৰ নিজৰ বন্ধু-বান্ধৱী আছিলেই আৰু নিৰ্দিষ্ট বহা ঠায়ো আছিল। জিৰণিৰ সময়তো মোক কোনেও খেলিবলৈ লগ ধৰা নাছিল। মই মনে মনে চকুপানী মচিছিলোঁ। ঘৰলৈ আহি মাক কওঁ যে মোৰ অকণো ভাল লগা নাই। মোক কোনেও চিনি নাপায়। সকলোৱে 'নতুন ল'ৰাজন' বুলি মাতে। আনকি বাইদেউহঁতেও মোৰ নামটো নাজানে, মোক বেছি প্ৰশ্নও নোসোধে। জ্ঞানপীঠত মোক সকলোৱে চিনি পাইছিল। কিমান মৰম কৰিছিল মোক। মায়ে মোক বুজাইছিল যে নতুনতে তেনেকুৱা হয়েই। লাহে লাহে সকলোৱে চিনি পাব। মই ধৈৰ্য্য ধৰিছিলোঁ। এনেদৰে সময়বোৰ পাৰ হোৱাৰ লগে লগে দুই-এজনকৈ বন্ধু-বান্ধৱী গোট খাবলৈ ধৰিলে। ছাৰ-বাইদেউসকলে যেতিয়া সকলোৰে মাজত মোক থিয় কৰাই প্ৰশ্ন সোধে, মোৰ যেন আনন্দৰ সীমাই নাথাকে। লাহে লাহে অনুভৱ কৰিলোঁ যে পুৰণি স্কুলখনক, তাৰ ছাৰ-বাইদেউ, বন্ধু-বান্ধৱীৰ পৰা পোৱা মৰমখিনিক হেৰুৱালোঁ যদিও মই যেন বহু কিবাকিবি পাবলৈও আৰম্ভ কৰিলোঁ। আগতকৈও বেছি বন্ধু-বান্ধৱী, পুথিভঁৰাললৈ গৈ কিতাপ পঢ়াৰ সোৱাদ, বিজ্ঞানৰ কথাবোৰ পৰীক্ষা কৰি চোৱাৰ সুযোগ, ভুল হ'ব বুলি ক'বলৈ লাজ কৰা ইংৰাজী ভাষাটো ক'বলৈ সাহস আৰু বহুত কিবাকিবি। কিন্তু সকলো ঠিকে চলি থাকোঁতে, বিদ্যালয়খন ভাল লাগিবলৈ আৰম্ভ কৰোঁতে সকলোৱে মোক 'নতুন ল'ৰাজন'ৰ ঠাইত ধৃতিমান বুলি জানিবলৈ আৰম্ভ কৰাৰ সময়তে কিযে এক ক'ৰোনা নামৰ মহামাৰী গোটেই বিশ্বতে বিয়পি পৰিল যে আজিও আমি ঘৰতে আবদ্ধ হৈ আছোঁ। উপায় নাই। মহামাৰীৰ পৰা ৰক্ষা পোৱাৰ ইয়ে একমাত্ৰ উপায় যে আমি ঘৰতে থাকিব লাগে। কিন্তু ঘৰত থাকি থাকি মোৰ ভয়হে বাঢ়ি গৈ আছে। যেতিয়া বিদ্যালয় খুলিব আকৌ কথাবোৰ নতুনকৈ আৰম্ভ হ'ব নেকি? ছাৰ-বাইদেউ, বন্ধু-বান্ধৱী সকলোৱে যদি মোক পাহৰি পেলায়, কোনেও মোক খেলিবলৈ লগ নধৰে, মোৰ সৈতে যদি কথা নাপাতে মোৰ কিন্তু সঁচায়ে বৰ বেয়া লাগিব। ❖

# এই যাত্ৰা...

**ডেইটী ডেকা**
দশম শ্ৰেণী

সপোনৰ শীৰ্ষতম বিন্দুত উপনীত হ'বলৈ মানুহৰ যেনেদৰে অদম্য হেঁপাহ থাকে, মোৰ ক্ষেত্ৰতো তাৰ ব্যতিক্ৰম নাছিল। এই সপোন আছিল অসমৰ অন্যতম আগশাৰীৰ অসমীয়া মাধ্যমৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান 'অসম জাতীয় বিদ্যালয়'ত অধ্যয়ন কৰা।

ষষ্ঠ শ্ৰেণীৰ নামভৰ্তিৰ বাবে অনুষ্ঠিত প্ৰৱেশ পৰীক্ষাৰ ফলাফল ঘোষণাৰ দিনাখন মই এটা বুজাব নোৱৰা অনুভৱ লাভ কৰিছিলোঁ। স্কুলীয়া জীৱনৰ অন্যতম দ্বিতীয় এই যাত্ৰা আৰম্ভ হৈছিল ২০১৬ চনৰ ১ জানুৱাৰী তাৰিখে, এপাহি ফুলৰ সৈতে। এয়া আছিল 'অসম জাতীয় বিদ্যালয়'ৰ প্ৰতিষ্ঠা দিৱসৰ পৰম্পৰা। পিছদিনাৰে পৰা অবিৰতভাৱে সোমাই পৰিছিলোঁ বন্ধু-বান্ধৱীসকলৰ মাজত। দিন বাগৰাৰ লগে লগে এই সম্পৰ্কবোৰ অধিক গভীৰ হৈ উঠিছিল।

অসম জাতীয় বিদ্যালয়ে আমাক সুনাগৰিক হ'বলৈ জ্ঞান প্ৰদান কৰে। বিদ্যালয়ৰ নিয়মানুৱৰ্তিতা শলাগিবলগীয়া এটি আদৰ্শ। বিদ্যালয়ৰ এটা এটা শ্ৰেণীকোঠা আৰু 'মুকলি মঞ্চ'খন আমাৰ জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। ই আমাৰ ভৱিষ্যৎ জীৱনৰ বাবে স্মৰণীয় হৈ থাকিব।

মই নিজকে এগৰাকী সৌভাগ্যবান ছাত্ৰী বুলি অনুভৱ কৰিছোঁ। কাৰণ বিদ্যালয়ৰ ২৫ বছৰীয়া যাত্ৰাৰ বৰ্তমানৰ শিক্ষাৰ্থী হিচাপে অংশীদাৰ হ'বলৈ পাইছোঁ।

মই বৰ্তমান দশম শ্ৰেণীৰ ছাত্ৰী। স্কুলীয়া জীৱনৰ অন্তিমটো বছৰ। বিদ্যালয়খনৰ লগত জড়িত তিতা-মিঠা সকলো অনুভৱ আজীৱন স্মৰণীয় হৈ থাকিব। বিদ্যালয়খনে মোক যিমান দিলে সেয়া লিখি শেষ কৰাটো মোৰ বাবে অসম্ভৱ।

বন্ধু-বান্ধৱী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মোৰ প্ৰতি যি মৰম, সহযোগিতা আগবঢ়ালে তাৰ বাবে মই আটাইৰে ওচৰত কৃতজ্ঞ।

অসম জাতীয় বিদ্যালয় আমাৰ স্বাভিমান, আৱেগ, অনুভূতি—যাক লৈ আমি সদায় গৌৰৱ অনুভৱ কৰোঁ।

বৰ্তমানৰ নিচিনাকৈ অসম জাতীয় বিদ্যালয় সদায় শীৰ্ষস্থানত থাকক—তাকে কামনা কৰিলোঁ। ❖

# স্মৃতি

**ঈশামণি দাস**
দশম শ্ৰেণী

অসম জাতীয় বিদ্যালয় কেৱল এটা নাম নহয়, ই এক আৱেগ, অনুভূতি; এক আন্দোলন, অসমৰ এক জাতীয় সত্তা। অসমীয়া জাতিৰ আশা-ভৰসাৰ স্থলী।

সকলো পিতৃ-মাতৃৰ নিজ সন্তানক এখন আগশাৰীৰ বিদ্যালয়ত পঢ়োৱাৰ আশা থকাৰ দৰে মোৰ দেউতাৰো এক হেঁপাহ আছিল যাতে মই এখন ভাল বিদ্যালয়ত পঢ়ি নিজকে সু-নাগৰিক হিচাপে গঢ়ি তুলিব পাৰোঁ।

কিন্তু মই জাতীয় বিদ্যালয় কি, ইয়াত পঢ়িলে আনতকৈ কি বেলেগ হয় এই কথাবোৰ নুবুজাকৈয়ে আকাশী নীলা ছাৰ্ট আৰু ধোঁৱা বৰণীয়া স্কাৰ্ট পিন্ধি ২০১১ চনৰ ১ জানুৱাৰীত মা-দেউতাৰ হাতত ধৰি বিদ্যালয়খনত প্ৰথমটো খোজ পেলাইছিলোঁ। আজিও মই মনত পেলাওঁ সেই দিনটোৰ কথা, সিদিনা নতুনকৈ নামভৰ্তি কৰোঁৱা শিক্ষাৰ্থীসকলক এপাহ ফুলেৰে আদৰণি জনোৱা হৈছিল। সেইদিনাখনৰে পৰা ক'ব নোৱৰাকৈয়ে অসম জাতীয় বিদ্যালয় মোৰ আপোন হৈ পৰিছিল। য'ত গেটখনৰ পৰা ভিতৰলৈ সোমাই যোৱাৰ লগে লগেই যিফালে চকু ফুৰোৱা যায়, আপোন লাগি যাব পৰাকৈ আটাইবোৰ পোৱা যায়। আলি দাদাই ফুলত পানী দি মাৰি থকা হাঁহিটোৰ পৰা সৰুকৈ থকা পুখুৰীটোৰ মাছকেইটা, শাৰী শাৰী বকুলকেইজোপা। তাৰ পিছত অকণমান আগুৱাই গ'লেই বেছিভাগৰে জীৱনৰ প্ৰথমখন প্লেটফৰ্ম অৰ্থাৎ 'মুকলি মঞ্চ'খন, যিখন মঞ্চ কেইবাটাও দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠানৰ সাক্ষী—যিবোৰ দিৱস হয়তো বহু বিদ্যালয়ত বন্ধৰ দিন হিচাপে ঘোষণা কৰা হয়। এইখন মঞ্চতেই বিভিন্ন শ্ৰেণীৰ শিক্ষাৰ্থী অসম তথা দেশ-বিদেশৰ বিশিষ্ট ব্যক্তিৰ সৈতে চিনাকি হয়, তেওঁলোকৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠানত ভাগ লোৱাৰ সৌভাগ্য লাভ কৰে।

মা-দেউতাৰ পিছতে জীৱনৰ প্ৰথম শিক্ষাগুৰু আছিল এই বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল। শিক্ষাগুৰুসকলৰ মৰম-চেনেহ আৰু অনুশাসনৰ মাজত থাকি আমি শিকিবলৈ লৈছিলোঁ অ, আ, ক, খ আদি। সুবিধা পালেই খেলপথাৰলৈ দৌৰি যোৱা, ধূলি-বালিৰে ওমলা, পুৰা বকুল গছৰ তলত বহি বকুল ফুলৰ মালা গাঁঠা, টিফিনক লৈ টনা-আঁজোৰা কৰা—এই মুহূৰ্তবোৰ মনত পৰিলে আজিও মনটো সেমেকি উঠে।

বিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানৰ লগতে বাৰ্ষিক অনুষ্ঠান গীত-মাতৰ গধূলি, বাৰ্ষিক খেল-ধেমালি, চেনেহৰ ভোগালী চ'ৰা, মেজিৰ কাষত নাম গোৱা, কণী যুঁজ উপভোগ কৰা মুহূৰ্তবোৰ মোৰ সদায় মনত ৰৈ যাব। সঁচাকৈয়ে স্কুলীয়া অনুভৱ এটি পাহৰিব নোৱৰা অনুভৱ।

ৰাজগড়স্থিত এটা ভাৰাঘৰত গজালি মেলা সপোনটোৱে ২০১৮ চনৰ ১ জানুৱাৰীত ২৫টা বছৰ অতিক্ৰম কৰিলে। এই ৰূপালী জয়ন্তী অনুষ্ঠানে সমগ্ৰ অসমতে আলোড়নৰ সৃষ্টি কৰিছিল। চাওঁতে চাওঁতে মই এই বিদ্যালয়খনৰ সৈতে ১০টা বছৰ অতিক্ৰম কৰিলোঁ। এই ১০ বছৰে মোৰ লগত বহুতো স্মৃতি জড়িত হৈ আছে, যিবোৰ লিখি বা কৈ শেষ কৰিব নোৱাৰি। আমি মাথোঁ ১০ বা ১২টা বছৰ বিদ্যালয়ৰ সৈতে কটাওঁ, কিন্তু এই দহ-বাৰ বছৰ আমাৰ জীৱনৰ এক পাহৰিব নোৱৰা অতীত হৈ পৰে। যিবোৰ ল'ৰা-ছোৱালী প্ৰথমে আমাৰ বাবে অচিনাকি আছিল সেইবোৰৰ লগত শেষত গৈ গভীৰ বন্ধুত্ব হৈ উঠিছিল।

হাঁহি-কান্দোনেৰে পাৰ কৰা এই স্কুলীয়া সময়বোৰ পাখি লগা কাঁড় এডালৰ দৰে। ২০২০ চনত মোৰ এই বিদ্যালয়ত অন্তিমটো বছৰ। এইখন বিদ্যালয়ৰ প্ৰতিটো বস্তুৰ সৈতে মই এক আত্মীয়তা অনুভৱ কৰোঁ। অসম জাতীয় বিদ্যালয় মোৰ আবেগ। আকাশী নীলা সেই চোলাটো মোৰ অহংকাৰ। অসম জাতীয় বিদ্যালয়ে মোক মানুহ হিচাপে গঢ় দিয়াত বহুখিনি সহায় কৰিছে। যদিও মই এই বিদ্যালয়খনৰ পৰা বিদায় ল'ব লাগিব কিন্তু মই এক স্মৃতিৰ টোপোলা মোৰ লগত লৈ যাম।

আশা কৰোঁ, মোৰ এই বিদ্যালয়খনৰ যি গৌৰৱোজ্জ্বল যাত্ৰা সেয়া নিৰৱধি সময়লৈ বৰ্তি থাকক। ❖

প্ৰবন্ধ

# অসমীয়া জাতি গঠনত সত্ৰসমূহৰ ভূমিকা

**বিষ্ণুৰাত বৰা**
একাদশ (কলা) শ্ৰেণী

অসমৰ সমাজ জীৱনৰ সৈতে সংপৃক্ত অতিপৰিচিত অনুষ্ঠানটোৰ নাম 'সত্ৰ'। সত্ৰ শব্দটো সংস্কৃত 'সত্ৰ' শব্দৰ অসমীয়া ৰূপান্তৰ বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। সৎ + ত্ৰ = সত্ৰ, অৰ্থাৎ সৎ লোকক ত্ৰাণ কৰোঁতা, পুণ্যধামলৈ গতিদান কৰোঁতা অৰ্থত 'সত্ৰ' শব্দই দীৰ্ঘকালীন যজ্ঞ বা যজ্ঞস্থলীক বুজাইছিল। আনহাতে সাধাৰণতে যিবোৰ যজ্ঞ বাৰ দিনতকৈ অধিক সময় ব্যাপি অনুষ্ঠিত হৈছিল সেইবোৰক কোৱা হৈছিল 'সত্ৰযজ্ঞ'। যজ্ঞ পুণ্য-কৰ্ম। তেনে পুণ্যকৰ্মই সাধু লোকক ত্ৰাণ কৰে। গতিকে কৰ্মৰ ক্ষেত্ৰ বা পৰিধি বেলেগ হ'লেও 'সত্ৰ' শব্দৰ মূল অৰ্থ একে থাকে। সৰ্বতোকালৰ সৰ্বশ্ৰেষ্ঠ মহাপুৰুষ গুৰু শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্বত প্ৰসাৰ ঘটা ভক্তিজাগৰণৰ ফলতে সৃষ্ট অসমৰ সত্ৰানুষ্ঠানৰ জীৱন্ত ইতিহাস আৰু পৰম্পৰাৰ ৰেখাডাল নৱ-বৈষ্ণৱ ভক্তি আন্দোলনৰ পৰাই টানিব লাগিব। অসমৰ ভক্তিধৰ্মকেন্দ্ৰিক ধৰ্ম, সাহিত্য, সংস্কৃতিৰ এনে চৰ্চাকেন্দ্ৰক বুজাবলৈ প্ৰথমে ধাম, থান আদি শব্দ প্ৰয়োগ কৰা হৈছিল। যেনে : বৰপেটা ধাম, বৰদোৱা থান আদি। পিছলৈ এনে ক্ষেত্ৰবিলাক 'সত্ৰ' নামেৰে পৰিচিত হয়। কিন্তু সত্ৰ পোনপ্ৰথমে কোনে, কেতিয়া, ক'ত প্ৰতিষ্ঠা কৰিছিল সেই লৈ ইতিহাসবিদসকলৰ মাজত মতভেদ আছে। অৱশ্যে মহাপুৰুষ শংকৰদেৱ প্ৰচাৰিত ধৰ্ম, সাহিত্য, সংস্কৃতিৰ চৰ্চা আৰু প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যেই যে প্ৰায় চাৰিশ বছৰৰ পূৰ্বে সত্ৰ অনুষ্ঠানৰ জন্ম হৈছিল, এই লৈ কোনো সন্দেহৰ অৱকাশ নাই।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ এজন কেৱল ব্যক্তি নহয়, তেওঁ সুমহান জাতীয় প্ৰতিষ্ঠান বিশেষ। অসমীয়া সামগ্ৰিক জীৱনৰ স্তৰে স্তৰে, কোঁহে কোঁহে তেওঁ বিদ্যমান। দিগন্ত প্ৰসাৰী প্ৰতিভাৰ শাশ্বত প্ৰমূল্যবোধেৰে শংকৰদেৱ সমুজ্জ্বল হৈ আছে। অসমীয়া জাতিকো জগতসভাত সগৌৰৱে পৰিচয় দিব পৰাকৈ উদ্বুদ্ধ কৰি ৰাখিছে। তেওঁ আছিল অসমীয়া সমাজৰ ভেঁটি টনকিয়াল কৰা প্ৰথমজন নেতা। তেৰাৰ একশৰণ হৰিনাম ধৰ্ম বা নৱ-বৈষ্ণৱ ধৰ্মৰ ভক্তি আন্দোলনে সমাজৰ নিষ্পেষিত, বঞ্চিত, অৱহেলিত, পিছপৰা, অনুন্নতসকলক একত্ৰ কৰি এটা বৃহৎ অসমীয়া সমাজ গঢ়ি থৈ গ'ল। এখন সমাজক সুসংগঠিত কৰি একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ ভাষা, সাহিত্য, সংস্কৃতি, কলা-কৃষ্টি আদি সকলো উপাদান অপৰিহাৰ্য্য। শংকৰদেৱে এই সকলোবোৰ দিলে। সমাজ সংগঠনৰ বাবে শংকৰদেৱৰ অনন্য প্ৰচেষ্টা হৈছে সমাজৰ সকলো লোকৰ মনত উদাৰ-ওখ সাম্যভাব বিস্তাৰ। শংকৰদেৱৰ এই উদাৰ সাম্যভাবৰ মোহন-মন্ত্ৰৰ বলতেই অসমীয়া সমাজ আজি একতাৰে মহীয়ান। তেৰাৰ ধৰ্মশিক্ষাৰ মূলমন্ত্ৰ আছিল—

"কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।"

ধৰ্মশিক্ষাৰ এই বিশেষত্বই শংকৰদেৱৰ কাৰ্য্যৰো বিশেষত্ব। উচ্চ-নীচ, ধনী-দুখীয়াৰ ভেদাভেদ নাৰাখি সমাজৰ সকলো শ্ৰেণীৰ, সকলো জাতিৰ লোককে তেৰাৰ প্ৰৱৰ্তিত 'একশৰণ হৰিনাম ধৰ্ম'ত শৰণাগত কৰি 'ওবা নৱলোক'ক নিজৰ বিশাল বক্ষত 'মোৰ' বুলি

সাৰটি ধৰিলে। নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মুছলমানৰ চান্দসাই, আহোমৰ নৰহৰি, মিৰিৰ পৰমানন্দ, কৈৱৰ্তৰ পূৰ্ণানন্দ, কছাৰীৰ ৰমাই, জয়ন্তীয়াৰ মাধৱ, কাৰ্বিৰ জয়হৰি আদিয়ে 'একশৰণ হৰিনাম ধৰ্ম' গ্ৰহণ কৰি হৰিনামৰ ধ্বনিৰে চৌপাশ জীপাল কৰি তুলিলে।

শংকৰদেৱৰ ভাষাত—

"কিৰাত কছাৰী খাচী গাৰো মিৰি
যৱন কংক গোৱাল।
অসম মুলুক ৰজক তুৰুক
কুবাচ ম্লেচ চণ্ডাল।।
আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সংগত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চনয়।।"

মহাপুৰুষ শংকৰদেৱৰ মহাপ্ৰয়াণৰ কালাতিক্ৰমণত তেওঁৰ ধৰ্ম, সাহিত্য, সংস্কৃতি আদিৰ লগতে সাম্যবাদী আদৰ্শৰ ধাৰক আৰু বাহকৰ ভূমিকাত অৱতীৰ্ণ হৈ অসমৰ পাঁচ শতাধিক সত্ৰ অসমীয়া জাতি গঠনত কেইবা শতিকাজুৰি গভীৰভাৱে সংযুক্ত হৈ আছে। গুৰুজনাৰ আদৰ্শৰ লগত ৰজিতা খুৱাই সত্ৰসমূহে বৃহত্তৰ অসমীয়া জাতি গঠনৰ হকে ধাৰাবাহিক আৰু সময় সাপেক্ষ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। অসমীয়া জাতি গঠনত সত্ৰসমূহৰ অনন্য ভূমিকা হৈছে—সমাজৰ সকলো লোকৰ মনত উদাৰ আৰু সাম্যভাৱৰ বিস্তাৰ ঘটোৱাটো। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন ঠাইত সত্ৰসমূহ স্থাপন হোৱাৰ ফলত বিভিন্ন জাতি-জনগোষ্ঠীৰে ভৰপূৰ বৰ্ণিল সমাজখন একতাৰ ডোলেৰে বন্ধাত যেন বহু সহজ হৈ পৰিল। বিশেষকৈ শংকৰদেৱৰ দিনৰে নামঘৰকেন্দ্ৰিক সৰ্বসাধাৰণ সমাজক গীত, নাট, ভাওনা আদিৰ জৰিয়তে একত্ৰিত কৰি ৰখাত। উচ্চ-নীচ, ধনী-দুখীয়াৰ ভেদাভেদ নাৰাখি সমাজৰ সকলো জাতিৰ, সকলো শ্ৰেণীৰ লোককে সত্ৰসমূহে সমানে দৃষ্টি দি আহিছে। বৃহত্তৰ অসমৰ জাতিগোষ্ঠীক বুকুত সামৰি সত্ৰসমূহ গৰীয়ান, মহীয়ান হৈ আছে। ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত অসমত অস্পৃশ্যতাৰ প্ৰভাৱ তেনেই কম। বিয়া-বাৰুৰ বাহিৰে আন সামাজিক কাম-কাজত বৰ্ণগত প্ৰভেদ বিশেষ দেখা পোৱা নাযায়। তুলনামূলকভাৱে উদাৰ দৃষ্টি সম্ভৱ হৈছিল সত্ৰসমূহৰ সাম্যবাদী মনোভাৱৰ ফলত। সমাজৰ তথাকথিত নিম্ন বৰ্গৰ জাতি আৰু জনজাতিৰ লোকক সত্ৰসমূহে শৰণ-ভজনৰ সুবিধা প্ৰদান কৰি তেওঁলোকক সংযত ধৰ্মীয় জীৱন-যাপন কৰাৰ পথ দেখুৱাইছিল। এই কাৰ্য্যই প্ৰকাৰান্তৰে অসমীয়া জাতি গঠনত বিশেষ বৰঙণি যোগাই আহিছে।

এটা শক্তিশালী জাতি গঠনত সাহিত্য আৰু সংস্কৃতিৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। এই দুয়োটা বিষয়েই এটা আনটোৰ পৰিপূৰক। অসমীয়া সাহিত্যৰ শংকৰোত্তৰ কালৰ পৰা বৰ্তমান সময়লৈকে অসমীয়া সাহিত্যলৈ সত্ৰসমূহৰ বৰঙণি অপৰিসীম। এই বৰঙণি ৰাজকীয় পৃষ্ঠপোষকতাত সৃষ্টি হোৱা সাহিত্যতকৈ কোনোগুণে কম নহয়। চৰিত-সাহিত্য, নাট্য-সাহিত্য আৰু গীতি-সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত সত্ৰসমূহে বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। ধৰ্মগুৰুসকলৰ জীৱনী আৰু কৰ্মাৱলীৰ লিপিবদ্ধ ৰূপেই হৈছে চৰিত-সাহিত্য। সত্ৰসমূহৰ নামঘৰত ভাওনা নিয়মীয়াকৈ প্ৰদৰ্শন কৰা হৈছিল। ধৰ্মৰ আন কোনো তাত্ত্বিক কথা বুজি নাপালেও কেৱল ভাওনা চোৱাৰ আৰু পৰিৱেশন কৰাৰ হেঁপাহতে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে বিনাদ্বিধাই নামঘৰত প্ৰৱেশ কৰিব পাৰিছিল। এইদৰে তেওঁলোক লাহে লাহে সত্ৰৰ প্ৰতি আকৃষ্ট হৈ সুসংস্কৃত হৈ পৰিছিল। অংকীয়া নাট আৰু বৰগীতৰ আৰ্হিত নাট-গীত আদি ৰচনা কৰাটো আছিল সত্ৰৰ সৃষ্টিশীল পৰম্পৰা। গীত, নাট, কাব্য আদি বিভিন্ন লেখা লিখিবলৈ কাপ, মৈলাম আৰু মহীৰ প্ৰয়োজন হৈছিল। মূল পুথিৰ প্ৰতিলিপি কৰোঁতাসকলক বোলা হৈছিল 'খনিকৰ'। সাঁচিপতীয়া, তুলাপতীয়া আদি পুথিৰ বাবে লেখন সামগ্ৰীৰ পৰা

লেখন প্ৰক্ৰিয়ালৈকে সকলো কাম সত্ৰাধিকাৰ বা কোনো বিজ্ঞজনৰ তত্ত্বাৱধানত খনিকৰসকলে কৰিছিল। এইদৰে পুথি প্ৰস্তুত আৰু চৰ্চাৰ জৰিয়তে বিভিন্ন শ্ৰেণীৰ অনেক লোক সাক্ষৰ হৈ উঠিছিল।

অনুবাদ সাহিত্যৰ ক্ষেত্ৰতো সত্ৰসমূহে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। ভট্টদেৱ, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, গোৱিন্দ মিশ্ৰ, গোপাল মিশ্ৰ, গোপাল আতা, ৰঘুনাথ মহন্তকে আদি কৰি কবিসকল হয় সত্ৰৰ অধিকাৰ আছিল, নহয় সত্ৰীয়া পৰিৱেশত থাকি তেওঁলোকে কাব্য ৰচনা কৰিছিল। সত্ৰসমূহেই আছিল এসময়ৰ ঘাই শিক্ষাকেন্দ্ৰ। সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে সত্ৰত থাকি বিদ্যা অৰ্জন কৰাৰ সুবিধা লাভ কৰিছিল। ধৰ্মতত্ত্ব-দৰ্শনৰ উপৰি ব্যাকৰণ, জ্যোতিষ আদি বিষয়ৰ চৰ্চা হৈছিল। সত্ৰৰ পৰম্পৰাগত বিভিন্ন শিল্পকলা, ভাস্কৰ্য্য-বিদ্যাৰ প্ৰতিও বিভিন্ন জাতি-জনজাতিৰ লোক আকৰ্ষিত হৈছিল। আগ্ৰহীসকলে মুখা, বাঁহ-বেতৰ শিল্প, হাতীদাঁতৰ শিল্প, মৃৎ শিল্প, বয়ন শিল্প আদিৰ বিদ্যা আহৰণত সত্ৰসমূহৰ পৰা উদাৰ সহযোগ লাভ কৰিছিল।

অসমৰ সত্ৰসমূহে জাতি-জনজাতিৰ লোকক একত্ৰিত কৰাৰ খাতিৰত অনেক ব্যৱস্থা লৈছিল। সত্ৰৰ সত্ৰাধিকাৰকে আদি কৰি বহুতো বিষয়ববীয়া তথা শিষ্যসকলে বিভিন্ন ঠাইত সত্ৰৰ সংস্কৃতি, পৰম্পৰা, ঐতিহ্য, আদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰ কৰি তথা নামঘৰ আৰু সত্ৰ প্ৰতিষ্ঠা কৰি অথবা এক সত্ৰকেন্দ্ৰিক সমাজ ব্যৱস্থা প্ৰৱৰ্তন কৰি জনজাতীয় লোকসকলৰ মন সত্ৰৰ দিশে ঢাল খুৱাইছিল। এই জনজাতীয় সৰল মনৰ মানুহখিনিয়ে লাহে লাহে সত্ৰৰ ঐতিহ্য, পৰম্পৰা, আদৰ্শকে আঁকোৱালি ল'বলৈ ধৰিলে। এওঁলোক লাহে লাহে সত্ৰৰ থলুৱা মানুহখিনিৰ সৈতে একাত্ম হৈ সত্ৰতে থাকিবলৈ ল'লে। এনেদৰে সময় বাগৰাৰ লগে লগে সত্ৰসমূহৰ প্ৰচেষ্টাত অসমীয়া জাতি গঠন হৈছিল।

সত্ৰসমূহে কেৱল ধৰ্ম সাধনা আৰু প্ৰচাৰৰ নিৰ্দিষ্ট পৰিসীমাৰ ভিতৰতেই আবদ্ধ থাকি অসমীয়া জাতি গঠনত অৰিহণা যোগাইছিল এনে নহয়; উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ পাহাৰ-ভৈয়ামৰ মাজত সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় কৰাৰ ক্ষেত্ৰত সত্ৰসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই ক্ষেত্ৰত শিৱসাগৰৰ বাৰেঘৰ (চলিহা) সত্ৰ, লখিমপুৰৰ ঘাৰমৰা সত্ৰ আৰু শোণিতপুৰৰ নিকামূল সত্ৰৰ নাম বিশেষভাৱে উল্লেখনীয়। বাৰেঘৰ সত্ৰৰ উদ্যোগত নগা খুনবাও বা নৰোত্তমৰ জৰিয়তে সপ্তদশ শতিকাত বৰ্তমানৰ টিৰাপ জিলাৰ বহুকেইখন ঠাইত ধৰ্মপ্ৰচাৰ হৈছিল। বৰ্তমান অৰুণাচলৰ সোৱণশিৰি জিলাৰ ডফলা আৰু পাহাৰীয়া মিচিং সম্প্ৰদায়ৰ বহু লোকক অসমীয়া মূল সুঁতিলৈ আনিবলৈ সক্ষম হৈছিল ঘাৰমৰা সত্ৰই। সেইদৰে নিকামূল সত্ৰৰ সত্ৰাধিকাৰ গহনচন্দ্ৰ গোস্বামীদেৱে অৰুণাচলৰ কামেং, চিয়াং জিলাত নামঘৰ প্ৰতিষ্ঠা কৰি কেইবাহাজাৰ লোকক সত্ৰৰ প্ৰতি অনুগত কৰিবলৈ সক্ষম হৈছিল। এইখন সত্ৰৰ উদ্যোগত কোনো কোনো ঠাইত ডাক্তৰখানা, সাংস্কৃতিক কেন্দ্ৰ, বিদ্যালয় আদিও নিৰ্মাণ কৰি জনগোষ্ঠীয় ভাইসকলৰ প্ৰতি উদাৰনৈতিক ভাব প্ৰকাশ কৰিছিল। শিৱসাগৰ জিলাৰ হাঁহচৰাত অৱস্থিত নগাগাঁৱৰ নগাসকলক মৈৰাম'ৰা সত্ৰই আঁকোৱালি লৈ তেওঁলোকক অসমীয়া জাতিৰ মূল সুঁতিত চামিল কৰা তথ্যই আমাক গভীৰভাৱে অনুপ্ৰাণিত কৰে। উল্লেখ্য যে এসময়ত সেই নগাগাঁৱৰ নগাসকলক স্থানীয় আন সম্প্ৰদায়ৰ লোকে ঘৃণাৰ দৃষ্টিৰে চাইছিল। মাজুলীতো মিচিংসকলৰ ক্ষেত্ৰত এনে দৃষ্টান্ত পৰিলক্ষিত হয়। একেদৰে অনিৰুদ্ধদেৱৰ উদ্যোগত তিনিচুকীয়াত মৰাণ, সোণোৱাল সম্প্ৰদায়ৰ লোকসকলক উদাৰভাৱে বুকুত আঁকোৱালি লৈ সত্ৰৰ উদাৰতাৰ পৰিচয় দিছিল। নামনি অসমত বড়ো সম্প্ৰদায়ৰ লোকসকলৰ মাজত 'শৰণীয়া', কোচ ৰাজবংশীসকলৰ মাজত 'ভকত' উপাধিৰ লোকসকলে

সত্ৰসমূহৰ বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰভাৱৰ কথাকে আমাক বাৰে বাৰে সোঁৱৰায়। এনে উদাহৰণ অলেখ আছে।

সত্ৰসমূহে যে কেৱল ধৰ্ম-সাহিত্য-সংস্কৃতিৰ চৰ্চাতে মনোনিৱেশ কৰি আহিছে এনে নহয়, অসমীয়া জাতিৰ গঠন, সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ ক্ষেত্ৰতো সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। ১৮৭১ চনত মাজুলীৰ আউনীআটী সত্ৰৰ সেই সময়ৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে সত্ৰৰ চৌহদত 'ধৰ্মপ্ৰকাশ যন্ত্ৰ' (ছপাশাল) প্ৰতিষ্ঠা কৰি পোনপ্ৰথমে 'আসাম বিলাসিনী' নামৰ থলুৱা সংবাদপত্ৰখন প্ৰকাশ কৰাটো আমাৰ বক্তব্যৰ প্ৰকৃষ্ট উদাহৰণ। 'আসাম বিলাসিনী'ত বিভিন্ন সংবাদৰ লগতে ধৰ্ম, সাহিত্য, ভাষা, কলা, সংস্কৃতি আদি বিষয়বোৰেও আলোচনাত ঠাই পাইছিল। পৰৱৰ্তী সময়ত 'আসাম তৰা', 'আসাম দীপিকা' আলোচনীৰ যোগেদি অসমীয়া সাহিত্য আৰু সমাজ জীৱনলৈ আউনীআটী সত্ৰই বিশেষ বৰঙণি আগবঢ়াইছিল। সেইদৰে ধলৰ সত্ৰৰ সত্ৰাধিকাৰ তীৰ্থনাথ গোস্বামীয়েও সত্ৰতে ছপাশাল স্থাপন কৰি সাহিত্য চৰ্চাত গভীৰভাৱে মনোনিৱেশ কৰাৰ লগতে বহুজনক জ্ঞান-সাধনাৰ প্ৰতি আকৃষ্ট কৰিছিল।

ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰাম, ভাষা আন্দোলন, বিদেশী বহিষ্কাৰৰ ছাত্ৰ আন্দোলনতো বহুজন সত্ৰাধিকাৰ আৰু সত্ৰীয়াই জঁপিয়াই পৰাৰ কথা আমি জানো। বহুতে এনেবোৰ জাতীয় আন্দোলনত অংশগ্ৰহণ কৰি কাৰাবাস খাটিবলগীয়াও হৈছিল।

মুঠতে অসমীয়া জাতিৰ উন্নতিকল্পে অসমৰ সত্ৰসমূহে গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ কথা আমাক ইতিহাসে সোঁৱৰাই থাকে। বিভিন্ন জাতি-গোষ্ঠীৰ মাজত সমন্বয়-সম্প্ৰীতিৰ ভাব গঢ়ি তুলি অনৈক্যৰ মাজত ঐক্য স্থাপনত সত্ৰসমূহৰ ভূমিকা অতি তাৎপৰ্য্যপূৰ্ণ হিচাপে ইতিহাসত বিবেচিত হৈ আহিছে। আশা কৰোঁ এই ধাৰা অব্যাহত থাকিব। সত্ৰসমূহে অবাটে যোৱা আৰু অবাটে যাব খোজাসকলক শুদ্ধ বাট দেখুৱাই থাকিব। ৰজাঘৰ-প্ৰজাঘৰে সত্ৰসমূহৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনত মুকলি মনেৰে, বাস্তৱিক আঁচনিৰে বিশেষ উদ্যোগ ল'ব। কাৰণ সত্ৰ আমাৰ স্বাভিমান, অসমীয়া জাতিৰ দাপোন। ❖



**বৰষা শৰ্মা,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**হৰ্ষদীপ কাশ্যপ,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# আইদেউ সন্দিকৈ

**গুঞ্জনগীত পৰাশৰ**
পঞ্চম শ্ৰেণী

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ 'জয়মতী' চলচ্চিত্ৰখন নোচোৱা অসমীয়া হয়তো খুব কমেই আছে। কিন্তু 'জয়মতী' চলচ্চিত্ৰত জয়মতীৰ চৰিত্ৰত অভিনয় কৰা আইদেউ সন্দিকৈৰ দুৰ্দশাৰ কথা কিমানে জানে? হয়তো খুব কম সংখ্যক লোকেহে তেওঁৰ দুখ ভৰা জীৱনৰ বিষয়ে জানে। কাৰণ এইকাৰণে ভাবিছোঁ যে জ্যোতিপ্ৰসাদ আগৰৱালাদেৱেও জনা নাছিল আইদেউ সন্দিকৈৰ ওপৰত চলা অত্যাচাৰৰ কথা। এই মহীয়সীগৰাকীয়ে তেওঁৰ জীৱন কালত বহুতো ঘাত-প্ৰতিঘাত সহিবলগীয়া হৈছিল। সেই সময়ত মহিলাই নিজৰ ঘৰৰ পৰা আন ঠাইত গৈ এনেদৰে বেলেগ মানুহৰ লগত চিনেমা কৰাটো বেয়া কথা বুলি সমাজে গণ্য কৰিছিল। সেইকাৰণেই আইদেউ সন্দিকৈৰ ওপৰত অনেক অত্যাচাৰ চলাইছিল।

১৯১৫ চনৰ ২৭ জুন তাৰিখে গোলাঘাট জিলাৰ পানীদিহিঙীয়া গাঁৱত আইদেউ সন্দিকৈয়ে জন্মগ্ৰহণ কৰিছিল। তেখেতৰ পিতৃ আছিল নীলাম্বৰ সন্দিকৈ আৰু মাতৃ আছিল মালক্ষ্মী সন্দিকৈ।

১৯৩৩ চনত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে 'জয়মতী' চলচ্চিত্ৰখনৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিছিল। চলচ্চিত্ৰখনত অভিনয় কৰাৰ সময়ত আইদেউ সন্দিকৈৰ বয়স আছিল যোল্ল বছৰ। অভিনয় শেষ হোৱাৰ পিছত সেইদিনায়ে আইদেউ সন্দিকৈয়ে তেওঁৰ ঘৰলৈ উভতি গৈছিল। ঘৰৰ পদূলিমুখৰ পৰা চোতাল নাপাওঁতেই মাকে আহি কৈছিল—'তই ইয়াতেই ৰৈ থাক, ভিতৰলৈ সোমাব নালাগে।' ঘৰলৈ ঘূৰি অহাৰ লগে লগে মাকৰ পৰা এনে কথা শুনি আইদেউ সন্দিকৈয়ে মাকক 'কিয়' বুলি সুধিছিল। উত্তৰত মাকে কৈছিল, 'আমাক ৰাইজে এঘৰীয়া কৰিছে, তই চিনেমা কৰিবলৈ যোৱাৰ বাবে। আজিৰ পৰা তই মূল ঘৰত থাকিব নোৱাৰ।' মাকৰ মুখৰ পৰা এনে কথা শুনি আইদেৱে মনত বৰ দুখ পাইছিল। তেওঁৰ মুখৰ মাত হৰিছিল। তেওঁ মূল ঘৰটোৰ পৰা দূৰত থকা এটা ঘৰত থাকি দুখ-বিষাদেৰে সময়বোৰ পাৰ কৰিছিল। তেওঁক ইমানেই অত্যাচাৰ কৰা হৈছিল যে ৰাইজে পানীখোৱা পুখুৰীৰ পৰা পানী আনিবলৈও বাধা আৰোপ কৰিছিল। এনেকৈয়ে আইদেৱে দুখ ভৰা জীৱন কটাইছিল।

আইদেউ অভিনীত 'জয়মতী' চলচ্চিত্ৰখনে ১৯৩৫ চনৰ ১০ মাৰ্চত কলিকতাৰ ৰাওনাক হলত মুক্তি পাইছিল। সেই বছৰৰে ২০ মাৰ্চ তাৰিখে গুৱাহাটীবাসী ৰাইজে চলচ্চিত্ৰখন চোৱাৰ সুযোগ লাভ কৰিছিল। এনেদৰে জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সপোন পূৰ্ণ হৈছিল আৰু আইদেৱে প্ৰথম অসমীয়া চলচ্চিত্ৰৰ নায়িকা হোৱাৰ খিতাপ অৰ্জন কৰিছিল।

এই মহীয়সীগৰাকীয়ে ২০০২ চনৰ ১৭ ডিছেম্বৰত শেষ নিশ্বাস ত্যাগ কৰে। আইদেউ সন্দিকৈয়ে সকলো বাধা নেওচি 'জয়মতী' চলচ্চিত্ৰখনত অভিনয় কৰি অসমীয়া চলচ্চিত্ৰ জগতৰ বাট মোকলাই থৈ গৈছে। ❖

# কৱচ

**ডিম্পী চৌধুৰী**
সপ্তম শ্ৰেণী

'কৱচ' হৈছে ধাতুৰে নিৰ্মিত এক আৱৰণ যাক পুৰণি কালত যোদ্ধাসকলে আত্মৰক্ষাৰ বাবে পিন্ধিছিল। কিন্তু আহোমসকলৰ মাজত পৰম্পৰা আছিল যে মাতৃয়ে নিজৰ সন্তানক, পত্নীয়ে নিজৰ পতিক, ভগ্নীয়ে নিজৰ ভায়েকক একে ৰাতিৰ ভিতৰতে সূতা কাটি, বাটি কাঢ়ি কবচ কাপোৰ বৈ উলিয়াই দিব লাগিছিল। আহোমসকলৰ মাজত এনে বিশ্বাস আছিল যে এই কৱচ কাপোৰ পৰিধান কৰি যুদ্ধ কৰিলে কেতিয়াও যুদ্ধত মৃত্যু নহয়।

মূলা গাভৰু আছিল ফ্ৰাচেংমুং বৰগোহাঁইৰ পত্নী। গৌড় দেশৰ নবাবৰ পুত্ৰী আছিল গড়মা। গড়মা এগৰাকী দীপলিপ কন্যা আছিল। সেয়েহে কমতাপুৰৰ ৰজাই গড়মাক পলুৱাই আনি নিজৰ পাটৰাণী পাতিছিল। ৰজাৰ ৰাজ পুৰোহিতৰ পুত্ৰ চন্দ্ৰশেখৰে তেওঁক 'হৰ-গৌৰী' পুথিখন পঢ়ি শুনাইছিল। সেই সময়ত গড়মা আৰু চন্দ্ৰশেখৰৰ মাজত চাৰি চকুৰ মিলন হৈছিল। ৰজাই এই কথা জানিব পাৰি দুয়োকে ৰাজদৰবাৰৰ পৰা বহিষ্কৃত কৰিলে। গড়মা তেতিয়া সন্তান সম্ভৱা আছিল। গড়মাৰ এনে দুৰৱস্থাৰ বাতৰি পাই গৌড়ৰ নবাবে নিজৰ পুত্ৰ তুৰ্বকক গড়মাক উদ্ধাৰৰ উদ্দেশ্যে পঠিয়ালে। তুৰ্বক অহাৰ খবৰ পাই কমতাৰ ৰজাই আহোম ৰজাৰ ওচৰত আশ্ৰয় ল'লে। গড়মাই কছাৰী ৰজাৰ ওচৰলৈ আশ্ৰয় বিচাৰি গ'ল। কছাৰী ৰজাই গড়মাৰ ৰূপত মুগ্ধ হৈ তেওঁক নিজৰ পাটৰাণী পাতিলে।

গড়মাক বিচাৰি মুছলমান চিপাহী আগবাঢ়ি আহিল। কছাৰী ৰজাৰ লগত গড়মা থকা বুলি শুনি কছাৰী ৰাজ্য আক্ৰমণ কৰিলে। কছাৰী ৰজা ৰাজ্যৰ পৰা পলাই গ'ল আৰু গড়মাক চুহুংমুঙৰ হাতত গতাই দিলে। চুহুংমুঙেও গড়মাৰ ৰূপত মুগ্ধ হৈ নিজৰ লগতে ৰাখিলে।

তুৰ্বকে গড়মাক বিচাৰি আহোম ৰাজ্য আক্ৰমণ কৰিলে। তুৰ্বকৰ লগত মুখামুখি হ'বলৈ চুক্লেনমুং আগবাঢ়ি আহিল। এই যুদ্ধত চুক্লেনমুং আহত হ'ল। তেতিয়া ৰজাই ফ্ৰাচেংমুং বৰগোহাঁইক প্ৰধান সেনাপতিৰূপে ৰণলৈ পঠিয়াই দিলে। ৰণলৈ যোৱাৰ সময়ত মূলা গাভৰুৱে নিজৰ পতিক 'কৱচ' কাপোৰ দিবলৈ সক্ষম নহ'ল। মূলা গাভৰুৱে পতিক যুদ্ধলৈ পঠিয়াবলৈ অমান্তি হৈছিল। কিন্তু শত্ৰু সৈন্য দুৱাৰডলিত অপেক্ষা কৰা বাবে সেনাপতি হৈ তেওঁ বহি থাকিব নোৱাৰিলে। পত্নীৰ অনুৰোধ ৰক্ষা নকৰাকৈ তেওঁ যুদ্ধক্ষেত্ৰত প্ৰৱেশ কৰিলে। এই যুদ্ধত ফ্ৰাচেংমুং বৰগোহাঁইৰ মৃত্যু হ'ল।

পতিৰ মৃত্যুক মূলা গাভৰুৱে সহজতে মানি ল'বলৈ টান পালে। তেওঁ উপযুক্ত সময়ত 'কৱচ' কাপোৰ তৈয়াৰ কৰিব নোৱৰা বাবে স্বামীৰ মৃত্যু হোৱা বুলি ভাবি শোকত ম্ৰিয়মান হৈ যুদ্ধলৈ যাবলৈ ঠিৰাং কৰিলে।

তুৰ্বকৰ ওপৰত প্ৰতিশোধ ল'বলৈ তেওঁৰ সখিয়েক মায়া তথা অন্য কেইগৰাকীমান নাৰীৰ সৈতে যুদ্ধলৈ ৰাওণা হ'ল। সাহসেৰে যুদ্ধ কৰি থাকোঁতে অৱশেষত তুৰ্বকৰ হাতত মূলা গাভৰু, মায়া আৰু অন্য নাৰীবোৰেও মৃত্যুবৰণ কৰিলে। পিছত কনচেং বৰপাত্ৰ গোহাঁইৰ হাতত তুৰ্বকৰ মৃত্যু হ'ল। এই যুদ্ধত আহোম জয়ী হ'ল।

মূলা গাভৰুৰ এই অমৰ কাহিনী অসম বুৰঞ্জী তথা অন্যান্য পুথিত পোৱা যায়। তেওঁৰ কৰুণ কাহিনীয়ে আজিও অসমীয়াক দেশভক্তি তথা মাতৃভূমিৰ প্ৰতি ভাল পোৱাৰ প্ৰেৰণা যোগাই আহিছে।❖

# राष्ट्र भाषा का महत्व

**जिया भार्गव**
सप्तम कक्षा

एक राष्ट्र या देश-में जो भाषा समस्त राष्ट्र में जन-जन के विचार और विनिमय का माध्यम है, उसे राष्ट्रभाषा कही जाती हैं। राष्ट्रभाषा एक देश के संस्कृति का अभिन्न हिस्सा है। राष्ट्रभाषा राष्ट्र के सरकारी काम-काज के लिये स्वीकृत भाषा हैं। जैसे भारतवर्ष की राष्ट्रभाषा हिन्दी, बांग्लादेश की राष्ट्रभाषा बंगाली, नेपाल की नेपाली आदि। राष्ट्रभाषा सारे देश की सम्पर्क भाषा होती है। हिन्दी भारतवर्ष के स्वतंत्रता संग्राम के दौरान राष्ट्रभाषा बनी। यह केवल उत्तरी भारत की नहीं बल्कि दक्षिण भारत के विद्वान रामानुज, वल्लभाचार्य आदि ने भी इसी भाषा के माध्यम से अपने मतों का प्रचार किया था। आश्यर्य की बात है कि- अहिन्दी भाषी राज्यो के भक्त-संत, कवियों जैसे असम के शंकरदेव, महाराष्ट्र के ज्ञानेश्वर व नामदेव, गुजरात के नरसी मेहता, बंगाल के चैतन्य आदि ने भी हिन्दी की अपने धर्म और साहित्य का माध्यम बनाया था। राष्ट्रपिता महात्मा गाँधी ने कहा था- राष्ट्रभाषा के बिना राष्ट्र गूंगा है। १४ सितम्बर सन १९४९ को हिन्दी को भारत की राष्ट्रभाषा के रूप में स्वीकार किया गया। इसके बाद संविधान में अनुच्छेद ३४३ से ३४२ तक राष्ट्रभाषा के सम्बन्ध में व्यवस्था की गयी।

यद्यापि हमारी राष्ट्रभाषा हिन्दी है। परन्तु हमारा चिंतन आज भी विदेशी है। जब बिश्व के अन्य देश में अपनी मातृभाषा में पढ़कर उन्नति कर सकते हैं तब हम वार्तालाप करते समय अंग्रेजी का प्रयोग करने में गौरव समझने हैं, भले ही अशुद्ध अंग्रेजी हो। इन मानसिकता को त्याग करके हमें हिन्दी का प्रयोग करना चाहिए। स्कूलों में हिन्दी पत्र-पत्रिकाएँ पढ़ने की प्रेरणा देनी चाहिए। हमें यह संकल्प लेना है कि ''गूंज उठे भारत की धरती, हिन्दी के जय गानों से। पूजित पीषित परिवद्र्धित हो बालक, वृद्ध, जवानों से।''- जगदीश चन्द्र त्यागी। ❖



**প্ৰাচুৰ্য্য কলিতা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**তন্ময় কলিতা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# বিশ্বৰ কেইটামান আশ্চৰ্য্যকৰ উৎসৱ

**কৃষ্টি দেৱী**
ষষ্ঠ শ্ৰেণী

**দা বেবী জাম্পিং উৎসৱ :** স্পেনিছসকলৰ মাজত ১৬২০ চনৰ পৰাই পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আহিছে এই বেবী জাম্পিং উৎসৱ। স্পেইনৰ কেষ্ট্ৰিল’ ডি মিউৰচিয়া গাঁৱত ৰোমান কেথলিকসকলে আয়োজন কৰা বৰভোজ কৰ্পাছ ক্ৰিষ্টিৰ সময়ছোৱাত পাঁচটা বাৰমহীয়া কেঁচুৱাক লৈ এক উৎসৱ পালন কৰা হয়। উৎসৱৰ সময়ছোৱাত খালী পথত কেঁচুৱাটোক মুকলিকৈ শুৱাই থৈ পিশাচৰ দৰে পোছাক পৰিধান কৰে আৰু ব্যক্তিজনে কেঁচুৱাকেইটাৰ ওপৰেদি জঁপিয়াই পাৰ হয়। গাঁওবাসীৰ বিশ্বাস যে এনে কৰিলে কেঁচুৱাৰ গাত কোনো অনিষ্টকাৰী শক্তিয়ে প্ৰভাৱ পেলাব নোৱাৰে আৰু সেই সময়তে অনিষ্টকাৰী শক্তিৰো পতন ঘটে বুলি বিশ্বাস কৰে স্পেনিছ গাঁওবাসীসকলে।

**ট’ ৰেষ্টলিং (ভৰিৰ আঙুলিৰে মল্লযুঁজ) :** ১৯৭০ চনৰে পৰা ব্ৰিটেইনত অনুষ্ঠিত হৈ অহা এই ভৰিৰ আঙুলিৰে মল্লযুঁজৰ বিশ্ব চেম্পিয়নশ্বিপৰ জনপ্ৰিয়তা দিনকদিনে যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বাহু মল্লযুঁজৰ দৰে সম্পূৰ্ণ একেই এই ভৰিৰ আঙুলিৰ মল্লযুঁজ। এই চেম্পিয়নশ্বিপত মাত্ৰ তিনি ছেকেণ্ডৰ ভিতৰত ভৰিৰ বুঢ়া আঙুলিৰে ইজনে আনজনক প্ৰতিহত কৰিব লাগে।

**লা টমাটিনা :** স্পেইনৰ ভেলেমিয়া চহৰত উদযাপিত বিশ্বৰ সৰ্ববৃহৎ ‘ফুড ফাইট’ খ্যাত এই লা টমাটিনা উৎসৱ সম্পূৰ্ণ মনোৰঞ্জনধৰ্মী। প্ৰতি বছৰৰ আগষ্ট মাহৰ শেষৰটো বুধবাৰে উদ্‌যাপিত হয় এই উৎসৱ। বিউনলৰ প্ৰায় ৯০০০ জনসংখ্যাৰ বিপৰীতে এই উৎসৱত অংশগ্ৰহণ কৰেহি অতি কমেও ৫০,০০০ লোক। এঘণ্টাজোৰা এই উৎসৱৰ বাবে মুঠ ৪০ মেট্ৰিকটন বিলাহী জমা কৰা হয় আৰু উৎসৱৰ নিয়ম অনুযায়ী বিলাহীসমূহ প্ৰথমে হাতৰ মুঠিত ভাঙি কাৰোবালৈ নিক্ষেপ কৰা হয়। উৎসৱত ব্যৱহৃত বিলাহীসমূহ যোগান ধৰে এক্সিট্ৰিমডুৰা চহৰে, য’ত বিলাহীৰ মূল্য যথেষ্ট কম।

**মান্‌কী বাফেট ফেষ্টিভেল :** থাইলেণ্ডৰ পৰ্য্যটন উদ্যোগৰ শ্ৰীবৃদ্ধিৰ বাবে বিগত ২০০৭ চনৰ পৰা দেশখনত আকৰ্ষণীয় ৰূপত উদ্‌যাপিত হৈ আহিছে এই মান্‌কী বাফেট ফেষ্টিভেল বা বান্দৰক থপিয়াথপিকৈ খাবলৈ দিয়া উৎসৱ। স্পেইনৰ বেবী জাম্পিং উৎসৱৰ লগতে এই উৎসৱকো লণ্ডনৰ দা গাৰ্ডিয়ান বাতৰি কাকতখনে বিশ্বৰ সবাতোকৈ আশ্চৰ্য্যকৰ উৎসৱ হিচাপে অভিহিত কৰিছে। বেংককৰ উত্তৰ দিশে অৱস্থিত লোহপুৰী চহৰত মুঠ ২০০০ সংখ্যক বান্দৰক বিভিন্ন ফল-মূল, শাক-পাচলিকে ধৰি শীতল পানীয় খোৱাৰ ব্যৱস্থা কৰি দিয়া হয়। অতি লোভনীয় ৰূপত সজাই থোৱা খাদ্য সামগ্ৰী খোৱাৰ বাবে বান্দৰৰ মাজত সৃষ্টি হোৱা সংঘাতে এই উৎসৱক বিশেষ আকৰ্ষণীয় ৰূপ প্ৰদান কৰে। ❖

# Walt Disney

**Basudha Sanjay**
Class VII

Every person likes Mickey Mouse, Pooh, Princess Aurora, Oswald the Lucky Rabbit, Snowwhite, Cindrella etc. These are the most popular characters created by Walt Disney. In 1901, a man, Walt Disney, who would change the face of entertainment, was born. He was interested in animation from his early childhood. His full name is Walter Elias Disney. When he was 20 he started making short animated movies. In his later days he changed the history of the cinema. He created many cartoon characters like Mickey Mouse, Donald Duck, Pete, Goofy, Mini Mouse, Daisy Duck etc.

Disney began to make animated films in 1920. These films featured characters which were made by cutting figures out of paper. The figures could be moved while they were photographed with a hand-cranked camera.

In 1937 Walt Disney made his first animated movie. In the 19 century the cartoon were shown before a full-length live-action movie. But Walt Disney thought to make full-length animation cartoon movies. Walt Disney started to make his first animated movie, "Snowwhite and the Seven Dwarfs". "Snowwhite" was a 2D animation film. And in 1940 he made Pinochio. This was also an animated 2D film. Every person have read the story of Pinochio. But when the Pinochio animated movie was released everyone liked the movie very much. Pinochio, a marionette, who must earn the right to become a real boy by proving to be truthful, brave and selfless. Everybody knows that when Pinochio tells a lie then his nose gets longer and longer and when he tells the truth, his nose becomes normal. We can learn many things from this film. We get a moral from this story that "We should always tell the truth in any situation." These things were perfectly shown in the film of Walt Disney. This movie is based on 'The Adventures of Pinochio' by Carlo Collodi. The running time of this film is 88 minutes.

After Pinochio Walt Disney made 'Fantasia' in 1940 which was based on Mickey Mouse. In 1941 "Dumbo", in 1946 "Mine Music", in 1946 "Song of the South" and in 1950 Cinderella. We all love Cinderella the princess movie. In 1959 "Sleeping beauty", in 1953 "Peter Pan", in 1951 "Alice and the Wonderland", etc.

Walt Disney made many animation films which were based on Fairy tales

and also books. Walt Disney made the films for children. His many films like "Snowwhite", "Cinderella", "Pinochio", "The Ugly Duckling", "Three Little Pigs", "The Big Bad Wolf", "Mickey and the Beanstalk", "The Princess and the Frog" etc. are based on Fairy tales.

The process of Animation movie making is very surprising. Walt Disney made his first full-length animation movie with hard work. Many people were involved in the "Snowwhite" movie. Some people worked for the animated characters, some for the main and side music of the movie and some for the animation etc. For making an animation movie Walt Disney needed so many people to help him and many people who were expert in many platforms like drawing, music, voice helped him. At first the drawing experts drew the characters' movements for the film. Then other experts collected all the drawings and with a machine they took a picture of the drawings. Then they moved the pictures at the same time to flip the pictures. That's why, we see the cartoons' movements. Then some other experts painted the characters on a special sheet and the experts made the colours with a secret formula. After colouring the pages they coloured the background pictures. They coloured the background with water colour. After colouring all the characters and backgrounds they placed the characters' sheet on the background sheet. Then the musicians added the side and the main music. They followed the character work and take the music by dropping any object or thing. Then they also made the music and songs and the vocal artists added voice for the characters. At the end they again took pictures of the drawing and flip them. After flipping the pictures they added the music and the sounds.

This is the small summary of the process of animation. But the process is hard and the people have been working for many years.

Walt Disney created many films and after the movies the children make many dreams like the movie and they want to be like the characters. They imagine many things.

In 1950, Walt Disney began designing a huge amusement park to be built near Los Angeles. He intended Disney Land to have educational as well as amusement value and to entertain adults and their children. In the summer of 1955, 17 July Disney Land was opened. Now there are six Disney Lands all over the World.

His journey from the 2D animated movie to 3D movie is really influential. He contributed a lot in the world of Disney for which he received 26 academy awards and holds the record of the highest academy award winner in the history. ❖

# "Role of Mathematics in our Daily Life"

**Nilabh Pathak**
Class VIII

Mathematics makes our life disciplined. It increases our power of reasoning, creativity, critical thinking, problem solving ability etc. Mathematics is closely related to all our daily activities. Mathematics is incorporated in different fields like engineering, technology, physics, chemistry, statistics, astronomy etc. There is not a single field where mathematics is not required. Therefore, it is a very essential subject to run the world smoothly.

All the students from their primary level are associated with mathematics. However due to its vast dimension, most of the students suffer from mathematics related anxieties or phobias.

Following are some of the practical fields where mathematics is used–

**Time management :** Managing time is one of the difficult tasks, which is faced by a lot of people. Mathematics not only helps us to understand the management of time, but also to value it.

**Earning and Expenditure :** Earning and expending is an unavoidable part of our life. Mathematics helps us to maintain a smooth balance between income and expenditure. And also, knowledge of mathematics maintains a smooth family budget.

There is a saying, "Cut your coat according to your cloth." Most of the people don't give importance to the above saying. There are some people who earn less and spend more because of lack of knowledge of mathematics. In this regard mathematics helps a lot for wise utilisation of the earning.

**Future planning :** Each and every man has to plan his future. For our future planning we have to save money. Mathematics helps us to plan our future wisely. Wise investments of money help us to prepare for life's festivals and occasions, and also prepare us for any untoward incidents in our lives.

**Discipline and punctuality :** The school is the foundation where a child's values and habit of discipline is formed. So, the sense of correct timing for different activities like morning assembly, class routine, intervals between classes are managed by the knowledge of mathematics only.

**Sports :** Mathematics improves the decision-making skills of a person in sports, in an athletic field timing and distance are very important for a sports person. Also, in some sports like running, race, swimming etc., nanoseconds and microseconds are also calculated. Without mathematics these critical calculations will not be possible.

**Cooking :** In our day to day life, preparing meal in our home or in a function is one of the most important activities.

A cook prepare different cooking items in a function or festival. In the preparation of every item there is requirement of suitable proportion of the ingredients of the different items.

An expert cook knows this proportion. If a cook doesn't know the mathematics practically, there may be a shortage of items or wastage of items.

**Travelling :** In every kind of transportation there is a fix time of arrival and departure. If we think mathematically and give value to it, we will be able to reach our destination in proper time.

We have observed in our above discussion that mathematics is closely related to our life. Whether knowingly on unknowingly people use mathematics in every sphere of their lives. Some people may not possess basic knowledge of mathematics, but they cannot avoid the practical use of it. So, it is an important tool in our hands to make our life simpler, easier and logical to live on. ❖



**ইস্মীতা ৰাজবংশী**, প্ৰথম শ্ৰেণী



**হিয়াশ্ৰী ৰাজবংশী**, প্ৰথম শ্ৰেণী

শিক্ষকৰ কলম

# ‘নেপ-২০২০’ বনাম প্ৰাক্-বিদ্যালয় শিক্ষা

**জুলি শইকীয়া**
শিক্ষয়িত্ৰী, প্ৰাক্-বিদ্যালয়

নতুন শিক্ষা পদ্ধতি অৰ্থাৎ চমুকৈ ক’লে ‘নেপ-২০২০’ শব্দটোৰ লগত বৰ্তমান বিশেষকৈ শিক্ষা জগতৰ লগত জড়িত প্ৰত্যেকজন ব্যক্তিয়েই কম-বেছি পৰিমাণে হ’লেও পৰিচিত হৈছে। সুদীৰ্ঘ ৩৬ বছৰৰ পিছত শিক্ষা জগতত এক নতুন জোৱাৰ আহিছে। অধ্যয়ন কৰিলে দেখা যায় যে এই আঁচনিখন এখন সৰ্বাংগ সুন্দৰ আঁচনি। প্ৰাথমিক পৰ্য্যায়ৰ পৰা উচ্চ স্তৰলৈকে শিক্ষাৰ দিশত বিভিন্ন ধৰণৰ পৰিৱৰ্তনক লৈ ইয়াক প্ৰস্তুত কৰা হৈছে।

‘নেপ’ত গুৰুত্ব লাভ কৰা এটা দিশ হ’ল প্ৰাক্-বিদ্যালয় শিক্ষা ব্যৱস্থা। শিক্ষা জগতৰ লগত জড়িত প্ৰত্যেকজন ব্যক্তিয়েই প্ৰাক্-বিদ্যালয় শিক্ষাৰ বিষয়ে বিতংভাৱে জনাটো অত্যন্ত জৰুৰী। প্ৰাক্-বিদ্যালয় শিক্ষা হৈছে মূলতঃ পূৰ্ব শৈশৱ শিক্ষা। পূৰ্ব শৈশৱ শিক্ষাৰ বিষয়ে বিভিন্ন শিক্ষাবিদ, শিশু মনোবিজ্ঞানীসকলে বিভিন্ন মতবাদ আগবঢ়াই গৈছে আৰু প্ৰায়বিলাকৰে মতবাদবোৰৰ মাজত সামঞ্জস্য থকা দেখা যায়।

ফৰাচী চিন্তাবিদ ৰুছই তেওঁৰ ‘এমিল’ নামৰ উপন্যাসখনত অতি সুন্দৰভাৱে প্ৰকাশ কৰিছিল যে প্ৰকৃতিৰ পৰা যি শিক্ষা লাভ কৰা হয়, তেনে শিক্ষাহে শিশুৰ উপযোগী। এই কথা শিশুৰ ক্ষেত্ৰত এশ শতাংশই প্ৰযোজ্য হোৱা দেখা যায়। প্ৰত্যেকজন শিক্ষক শিশুৰ বাবে মাথোঁ এজন সহায়কহে। শিশুসকলক নিজ ইচ্ছা মতে মুক্ত মনেৰে জ্ঞান আহৰণ কৰিবলৈ সুন্দৰ এটা পৰিৱেশ দিয়াটো প্ৰয়োজন।

আকৌ ফ্ৰেডৰিক ফ্ৰ’বেলৰ কিণ্ডাৰ গাৰ্টেনৰ শিক্ষা ব্যৱস্থাটো লৈ মন কৰিলে দেখা যায় যে তেখেতৰ শিক্ষা পদ্ধতিৰো মূল বক্তব্য আছিল যে শিশুক খেল-ধেমালি তথা বিভিন্ন ধৰণৰ আহিলাৰ মাজেৰেহে জ্ঞান দিব লাগে। তেখেতেও শিশুক এক মুক্ত পৰিৱেশ দিয়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল।

মেডাম মাৰিয়া মণ্টেশ্বৰীৰ শিক্ষা পদ্ধতিৰ মূলমন্ত্ৰ আছিল—‘পূৰ্ণ স্বাধীনতা’ আৰু শিশুৰ ‘সক্ৰিয়তা’। এই পদ্ধতিতো শিশুক ফ্ৰ’ বেলৰ দৰে নাচ-গান, খেল-ধেমালি আৰু সৃজনীমূলক কাম-কাজৰ মাজেদিহে শিক্ষা দিয়াত গুৰুত্ব প্ৰদান কৰা হৈছিল।

লণ্ডনত প্ৰথম নাৰ্চাৰী স্কুল প্ৰতিষ্ঠা কৰোঁতা মেক্‌মিলানেও শিশুক ৰং-ধেমালিৰ মাজেৰে শিক্ষা দিয়াতহে গুৰুত্ব আৰোপ কৰিছিল।

প্ৰাক্-বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত শিক্ষাবিদ জাঁ পিয়াজে আগবঢ়োৱা মতামতো আছিল অধিক বাস্তৱসন্মত। তেখেতেও মত পোষণ কৰিছিল যে পৰিৱেশ সম্বন্ধে শিশুৱে নিজ অভিজ্ঞতাৰ পৰাই শিক্ষা লাভ কৰিব পাৰে আৰু পূৰ্ব শৈশৱ পৰ্য্যায়ৰ পৰাই শিশুৰ শাৰীৰিক আৰু মানসিক শক্তিক পূৰ্ণভাৱে আগুৱাই নিয়াৰ উদ্দেশ্যত সফলতা লাভ কৰিবলৈ হ’লে প্ৰাক্-বিদ্যালয়ৰ প্ৰয়োজন বুলি তেওঁ মতামত আগবঢ়াইছিল।

আমাৰ সকলোৰে এটা কথা জ্ঞাত যে মানুহৰ বিকাশ পৰ্য্যায়ক্ৰমেহে হয়। সেয়ে শিশুসকলৰো বিকাশ জন্মৰে পৰা (০-৩) বছৰলৈকে ক্ৰম অনুসৰি চলি থাকে

আৰু তাৰ পিছৰে পৰা শিশুসকলে বিচাৰ-বিবেচনাৰে বহুতো কাম কৰিব পৰা হয়।

'নেপ'ত প্ৰাক্-বিদ্যালয় শিক্ষাৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত শিক্ষাৰ ভেটিটো টনকিয়াল হ'ব বুলি ক'ব পাৰি। লক্ষ্য কৰিলে দেখা পোৱা যায় যে ঘৰ এটা বান্ধোতে ঘৰটোৰ ভেটিটো মজবুত হ'লেহে এটা সুন্দৰ ঘৰ আশা কৰিব পাৰি। ঘৰটোৰ মূল ভেটিৰ খুঁটাকেইটা যদি সবল নহয় তেন্তে ঘৰটো সুন্দৰ হ'লেও ইয়াৰ প্ৰকৃত সৌন্দৰ্য্য নাথাকিব। ঠিক তেনেদৰে এটি শিশুক যদি জীৱনৰ আৰম্ভণিতে প্ৰাক্-শৈশৱ শিক্ষাৰে শিক্ষিত কৰি তোলা নহয় তেন্তে তেওঁলোকৰ শিক্ষা জীৱনো আধৰুৱা হৈ ৰ'ব।

শিশুৰ জন্মৰ পৰা পাঁচ বছৰ বয়সৰ সময়ছোৱা জীৱনৰ আটাইতকৈ মূল্যবান সময়। এই সময়তে শিশুৰ শাৰীৰিক বিকাশ হোৱাৰ লগে লগে মানসিক বিকাশসমূহেও গঢ় লৈ উঠে। এই সময়ত তেওঁলোকে ডাঙৰক বৰ অনুকৰণ কৰে। সেয়ে এই সময়ত অভিভাৱক আৰু শিক্ষকসকল অতি মাত্ৰা সচেতন হোৱাটো প্ৰয়োজন। প্ৰাক্ শৈশৱ কালছোৱাত শিশুক মুক্ত পৰিৱেশত নিজৰ ভাল লগা ধৰণে ক্ৰিয়াকলাপবোৰ কৰিবলৈ দিব লাগে। শিশুৰ সৰ্বাংগীন বিকাশৰ বাবে চেষ্টা কৰিব লাগে। প্ৰাক্-বিদ্যালয় শিক্ষা পদ্ধতি হৈছে এক অনানুষ্ঠানিক শিক্ষা পদ্ধতিহে। ইয়াৰ দ্বাৰা শিশুসকলক পৰৱৰ্তী আনুষ্ঠানিক শিক্ষাৰ বাবে যোগ্য কৰি তোলা হয়। প্ৰাক্-বিদ্যালয়ৰ শিক্ষা পদ্ধতিত শিশুক কোনো কামতে চাপ বা হেঁচা প্ৰয়োগ নকৰি আনন্দৰ মাজেৰে হাতে-কামে নিজ অভিজ্ঞতাৰে শিক্ষা আহৰণ কৰাত শিক্ষকসকলে সহায়ৰ হাত আগবঢ়াব লাগে। এজন শিশু প্ৰাক্-বিদ্যালয়লৈ আহোঁতে তেওঁৰ মনত সদায়ে ভয় তথা শংকা জড়িত হৈ থাকে। সেয়ে বিদ্যালয়ৰ প্ৰথম দিনটোত যাতে তেওঁলোকে শিক্ষয়িত্ৰীসকলৰ পৰা মাতৃসুলভ মৰম লাভ কৰিব পাৰে আৰু প্ৰায় পোন্ধৰ দিনমানলৈকে তেওঁলোকক নতুন পৰিৱেশটোৰ লগত খাপ খাব পৰাকৈ ওমলা গীত, নাচ-গান, বিভিন্ন ধৰণৰ খেলাৰ সামগ্ৰী আদিৰ দ্বাৰা আকৰ্ষণ কৰাবলৈ চেষ্টা কৰিব লাগে।

প্ৰাক্-বিদ্যালয় শিক্ষা ব্যৱস্থাত শিশুৰ বাবে এখন সু-পৰিকল্পিত আঁচনি প্ৰস্তুত কৰি ল'লেও সেই আঁচনিখন একেবাৰে অপৰিৱৰ্তনীয় বা কঠোৰ কেতিয়াও হ'ব নোৱাৰে। কিয়নো প্ৰত্যেকজন শিশুৰেই পৃথক আৰু সকলোৰে কোনো এটা ক্ৰিয়া আয়ত্ত কৰাৰ সময়ো কম-বেছি হ'ব পাৰে। সেয়ে এই ক্ষেত্ৰত এটি শিশুৱে কোনো এটা ক্ৰিয়া কিমান সময়ৰ ভিতৰত শেষ কৰিলে বা কোনে আগতীয়াকৈ শেষ কৰিছে সেই কথাটোৰ ওপৰত গুৰুত্ব দিয়াতকৈ কেনেদৰে তেওঁলোকে আমনি নোপোৱাকৈ শুদ্ধভাৱে কৰিব পাৰে তাৰ ওপৰতহে গুৰুত্ব দিব লাগে। শিশুৰ অনুসন্ধিৎসু মনবোৰে সদায় নতুন নতুন কথা জানিবলৈ আগ্ৰহী হৈ থাকে আৰু এই ফুলকুমলীয়া শিশুসকলৰ মনত আঘাত নিদিয়াকৈ সুন্দৰভাৱে কথাবোৰ বুজাই দিবলৈ সাধ্যানুসাৰে চেষ্টা কৰিব লাগে।

প্ৰাক্-বিদ্যালয় শিক্ষা পদ্ধতিত শিশুৰ আচৰণৰ ওপৰত অত্যধিক গুৰুত্ব দিয়া উচিত। প্ৰথমে শিশুক সামাজিক আচৰণবোৰ শিকাব লাগে। ইয়াৰ ভিতৰত এজন ব্যক্তিৰ লগত প্ৰথমে পৰিচয় হওঁতে কেনেদৰে নমস্কাৰ দিব লাগে, কেনেকৈ কথা পাতিব লাগে, কেনেদৰে হামিয়াব লাগে, হাঁচিয়াব লাগে আদি কথাবোৰ শিকাব লাগে। কোনোবাই দুখ পালে কেনেকৈ সহায় কৰিব লাগে বা আনৰ সুখ-দুখৰ ভাগী হ'বলৈয়ো সৰুৰে পৰা শিক্ষা দিব লাগে। শিশুসকলক শাৰীৰিক ব্যায়ামৰ দ্বাৰা সুস্থ শিশু হিচাপে গঢ় দিয়াৰ চেষ্টা কৰিব লাগে। শিশুসকল শিশু অৱস্থাৰে পৰাই কেনেকৈ পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিব লাগে তাৰ যত্ন ল'ব লাগে। প্ৰাক্ বিদ্যালয়ৰ শিক্ষা পদ্ধতিত শিশুসকলৰ স্থূলপেশী অৰ্থাৎ হাত-ভৰি, উৰু আদিৰ সঞ্চালনৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিব লাগে। শিশুসকলক প্ৰাক্-বিদ্যালয়ৰ চৌহদত দৌৰা, চোঁচৰা, বগোৱা, দোলন খেল, চিৰি, জখলা বগোৱা, বল খেলা আদি খেলসমূহ মুকলিমূৰীয়াকৈ কৰিবলৈ দিব লাগে। অন্যহাতেদি এজন

শিশুৰ সৰ্বাংগীন বিকাশ বুলিলে কেৱল স্থূলপেশী সঞ্চালনকেই নুবুজায়। ইয়াৰ লগে লগে সূক্ষ্মপেশীৰো বিকাশ হ'ব লাগিব। অৰ্থাৎ চকু, হাত আদিৰ ক্ষেত্ৰত সমন্বয় স্থাপন কৰিব লাগিব। শিশুৰ হাতৰ পেশীবোৰ সবল কৰিবৰ বাবে কাগজ চিকুটি-চিকুটি ফালিবলৈ দি সেইবোৰ আকৌ আঠা দি ক'লাজ বনাবলৈ শিকাব পাৰি। ইয়াৰোপৰি ফুট-ফুট সংযোগ কৰিবলৈ দিয়া, ছবি আঁকি ৰং কৰিবলৈ দিব লাগে। শিশুসকলক তেওঁলোকৰ দৈনন্দিন জীৱনৰ সৰু সৰু কামবোৰ নিজে নিজে কৰিবলৈ শিকাই দিব লাগে। ইয়াৰ ভিতৰত জোতাৰ ফিটা মৰা, চোলাৰ বুটাম মৰা ইত্যাদি। এই কামবোৰৰ দ্বাৰা শিশুৰ আত্মবিশ্বাস বৃদ্ধি পায়।

নতুন শিক্ষা নীতিত প্ৰাক্-বিদ্যালয় শিক্ষাৰ ওপৰত যি ধৰণে গুৰুত্ব প্ৰদান কৰা হৈছে সেই ধৰণে যদি প্ৰত্যেকখন বিদ্যালয়ে শিশুক প্ৰাক্-বিদ্যালয় শিক্ষাৰ দ্বাৰা বাস্তৱসন্মতভাৱে শিক্ষা দিয়াৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰে তেনেহ'লে শিশুসকলক সুন্দৰভাৱে আগুৱাই নিব পৰা যাব। প্ৰাক্-শৈশৱ কালত যদি শিশুসকলক অত্যধিক বোজা নিদি বা লিখাৰ ওপৰত বেছি হেঁচা প্ৰয়োগ নকৰি ৰং-ধেমালিৰ মাজেৰে শিক্ষা দিয়া হয় তেন্তে আঁচনিখন ফলপ্ৰসূ হ'ব বুলি ভাবিব পাৰি। ইয়াৰ পৰিৱৰ্তে যদি অভিভাৱকসকলে এই নতুন আঁচনিৰ প্ৰকৃত অৰ্থ নুবুজি অতি কম সময়তে সকলো বিষয় আয়ত্ত কৰাৰ প্ৰতিযোগিতাৰ দৌৰত নামি পৰে তেন্তে আঁচনিখনৰ কোনো গুৰুত্বই নাথাকিব। শিশুক যদি কেইবাটাও ভাষা একেলগে শিকাব বিচৰা হয়, তেন্তে আঁচনিখন নিৰৰ্থক হৈ পৰিব। সেয়ে প্ৰত্যেকজন অভিভাৱক তথা শিক্ষকে মাতৃভাষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। 'নেপ' সাফল্যমণ্ডিত হ'বলৈ হ'লে আঁচনি প্ৰস্তুতকৰ্তা, অভিভাৱক আৰু শিক্ষকৰ মাজত যোগসূত্ৰ অতি ওচৰৰ হ'ব লাগিব।

পূৰ্বৰ ১০ + ২ শিক্ষা ব্যৱস্থাটোক 'নেপ'ত ৫ + ৩ + ৩ + ৪ ব্যৱস্থালৈ পৰিৱৰ্তন কৰা হৈছে। ইয়াৰে প্ৰথম পাঁচ বছৰীয়া ভাগবোৰক (প্ৰাক্-বিদ্যালয় ৩ বছৰ + ১ম + ২য়) শ্ৰেণীৰ দ্বাৰা গঢ় দিব বিচৰা হৈছে। ইয়াৰ বাবে বয়সৰ সীমা ধাৰ্য্য কৰা হৈছে ৩ৰ পৰা ৮ বছৰ। সেয়ে এই পূৰ্ব শৈশৱ অৱস্থাত শিশুসকলক পঢ়িবলৈ, লিখিবলৈ আৰু গণনা কৰিবলৈহে শিকাব লাগে। এই ক্ষেত্ৰত শিক্ষকসকল সম্পূৰ্ণ প্ৰশিক্ষণপ্ৰাপ্ত হ'ব লাগিব আৰু তেখেতসকলে নিজস্ব কৌশল প্ৰয়োগ কৰি শিক্ষাৰ্থীসকলক শিক্ষাদান কৰিব পাৰিব। শিশুৰ আৱেগ অনুভূতিবোৰক গুৰুত্ব দিবও লাগিব।

দেশৰ প্ৰত্যেকজন নাগৰিকেই এতিয়া নতুন শিক্ষানীতি কেনেদৰে বলবৎ হ'ব তাৰ বাবে অধিক আগ্ৰহেৰে বাট চাই আছে আৰু সুদীৰ্ঘ ৩৬ বছৰৰ পিছত যিখন আঁচনি প্ৰস্তুত কৰা হৈছে ই যদি প্ৰকৃত অৰ্থত প্ৰয়োগ হয় তেন্তে অনাগত দিনবোৰত ভাৰতবৰ্ষই শিক্ষাৰ ক্ষেত্ৰত এক নতুন জোৱাৰ আনিবলৈ সক্ষম হ'ব। ❖

*(৭ ছেপ্টেম্বৰ, ২০২০ তাৰিখে 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত নিবন্ধ)*



**নিশিত তামুলী,** প্ৰথম শ্ৰেণী



**কৌশিক পাঠক,** প্ৰথম শ্ৰেণী

# শাৰীৰিক যোগ্যতা, সুস্থতা আৰু জীৱনশৈলী

**অপৰ্ণা দেৱী**
শিক্ষয়িত্ৰী, সমাজ বিজ্ঞান বিভাগ

এক সুষম আৰু সুখৰ জীৱনৰ বাবে শাৰীৰিক যোগ্যতা আৰু সুস্থতাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মানুহৰ দৈনন্দিন কাম-কাজবোৰ সুকলমে চলাবলৈ শাৰীৰিকভাৱে সুস্থ হৈ থকা প্ৰয়োজন। শাৰীৰিক সুস্থতাই দীৰ্ঘ জীৱন দান কৰে বুলিও বহুতে বিশ্বাস কৰে। কিছুমানে আকৌ এগৰাকী খেলুৱৈৰ ক্ষেত্ৰতহে শাৰীৰিক সুস্থতাৰ (physical fitness) প্ৰয়োজন বুলি ভাবে। কিন্তু সাধাৰণ মানুহৰ বাবেও শাৰীৰিকভাৱে সুস্থ হৈ থকাটো অতি প্ৰয়োজন। কাৰণ সেই সুস্থতাই আমাৰ জীৱন ধাৰণৰ পদ্ধতি, জীৱনশৈলী সলনি কৰি দিব পাৰে। আমি যদি স্বাস্থ্যকৰ এক জীৱন অতিবাহিত কৰিব বিচাৰোঁ তেনেহ'লে আমি সুস্থ হৈ থাকিবই লাগিব। শাৰীৰিক সুস্থতাই আমাৰ চেহেৰা আৰু অৱয়বৰ ক্ষেত্ৰতো প্ৰভাৱ পেলায়। শাৰীৰিক সুস্থতাই আমাক সক্ৰিয় কৰি ৰখাত সহায় কৰে। গৱেষণামূলক অধ্যয়ন মতে, যিসকল শিশু, শৈশৱ-কৈশোৰত সক্ৰিয় হৈ থাকে পৰৱৰ্তী সময়তো অৰ্থাৎ ভৱিষ্যতেও সেইসকল সক্ৰিয় হৈ থাকে।

এগৰাকী শাৰীৰিকভাৱে সুস্থ ব্যক্তিয়ে যিকোনো কাম সঠিকভাৱে আৰু দক্ষতাৰে সম্পন্ন কৰিবলৈ সক্ষম হয়। লগতে তেওঁ অৱসৰ সময় উপভোগ কৰিব পাৰে, বেমাৰক প্ৰতিহত কৰিব পাৰে আৰু জৰুৰী তথা জটিল সময়ো হেলাৰঙে অতিক্ৰম কৰিব পাৰে। কামৰ প্ৰকৃতি, ব্যক্তিৰ আকাৰ গঠন, বয়স আৰু লিংগভেদেও শাৰীৰিক সুস্থতা ভিন্ন হ'ব পাৰে।

মানুহৰ শাৰীৰিক সুস্থতা, যোগ্যতাই মানসিক সক্ষমতাৰ চাবি-কাঠি। শাৰীৰিক যোগ্যতা আৰু সুস্থতাই উৎপাদনশীলতা আৰু কৰ্ম দক্ষতাৰ ক্ষেত্ৰত ভূমিকা পালন কৰে। সেই যোগ্যতা আৰু সুস্থতাই মানুহৰ মানসিক চাপ নিয়ন্ত্ৰণ কৰাত সহায় কৰে। কাৰণ এগৰাকী শাৰীৰিকভাৱে সুস্থ ব্যক্তি সাধাৰণতে ধনাত্মক চিন্তাৰে পৰিচালিত হোৱা সম্ভাৱনা বেছি থাকে। সেই ব্যক্তিসকলৰ জীৱনশৈলীও ভিন্ন হোৱা দেখা যায়। আমাৰ জীৱনশৈলী বা জীৱন ধাৰণ পদ্ধতিয়েও আমি কিমান সুস্থ বা অসুস্থ সেয়া প্ৰতিফলিত কৰে। উন্নত জীৱনশৈলীৰ জৰিয়তে স্বাস্থ্যজনিত বহু সমস্যা আমি সমাধান কৰাৰ দিশে লৈ যাব পাৰোঁ। উন্নত জীৱনশৈলীয়ে আমাক দীৰ্ঘ জীৱন প্ৰদান কৰাৰ লগতে আমাৰ শক্তিৰ স্তৰ (energy level) বৃদ্ধি কৰে, মানসিক অৱসাদৰ হাৰ হ্ৰাস কৰিব পাৰে, শাৰীৰিক যোগ্যতাৰ স্তৰ বৃদ্ধি, আত্মবিশ্বাস বৃদ্ধি, মানসিক হেঁচা বা চাপৰ হাৰ নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা অৰ্জন কৰিবলৈ সক্ষম কৰি তোলে।

ব্যক্তিৰ শাৰীৰিক যোগ্যতাৰ প্ৰধান উপাদানসমূহ হ'ল—শক্তি, গতি, ভাৰসাম্যতা, অশিথিলতা, বিভিন্ন অংগৰ মাজত সমন্বয় ইত্যাদি। ঠিক সেইদৰে শাৰীৰিক সুস্থতাৰ প্ৰধান উপাদানবোৰ হ'ল—সুস্থ শৰীৰ, সামাজিকতা, আৱেগিক সুস্থতা, আধ্যাত্মিক সুস্থতা (spiritual wellness), পাৰিবেশিক সুস্থতা, বৌদ্ধিক সুস্থতা ইত্যাদি। বৌদ্ধিক সক্ৰিয়তাই শুদ্ধ সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত সহায় কৰে। আৱেগিক সুস্থতাই হাঁহি, আনন্দৰে জীৱনটো যাপন কৰাৰ নিৰ্দেশনা দিয়ে। ঠিক সেইদৰে এক সুস্থ পৰিবেশে মানুহক সু-অভ্যাস গঢ়ি তোলাত সহায় কৰে। বিত্তীয় সজাগতা, পুষ্টিকৰ খাদ্য আদিও সুস্থ জীৱন যাপনৰ বাবে প্ৰয়োজনীয়।

শাৰীৰিক সুস্থতা, যোগ্যতা ব্যক্তিৰ ক্ষেত্ৰতেই অকল প্ৰযোজ্য নহয়। শাৰীৰিক যোগ্যতা আৰু সুস্থতাই এখন দেশকো শক্তিশালী ৰূপত গঢ়ি তুলিব পাৰে। এখন দেশৰ শিক্ষা, ক্ৰীড়া, স্বাস্থ্য, সংস্কৃতিক আগুৱাই নিয়াৰ বাবে সেই দেশখনৰ জনসাধাৰণ শাৰীৰিক আৰু মানসিকভাৱে সুস্থ হোৱাৰ অতি প্ৰয়োজন। ❖

# সঞ্জীৱ, তোমাক মনতে ৰাখিছোঁ...

**ধ্ৰুৱ শৰ্মা**
শিক্ষক, সমাজ বিজ্ঞান বিভাগ

পুৱাই প্ৰস্তুতি...
পুৱাই দিনটোৰ বাবে ওলাই আহে।
মুখত সততে লাগি থাকে এটি হাঁহি।
শুনা-নুশুনাকৈ গাই থাকে কেতিয়াবা গান।

বাঁওখন হাতেৰে খামুচি থাকে...
বাঁও কান্ধত এখন ধোঁৱাবৰণীয়া মোনা।
দুবিধ সম্পদ—দুপৰীয়াৰ ভাত আৰু পিয়াহৰ পানী।
দীঘলীয়া বাটটোৰ দাঁতিয়েদি
লয়লাস গতিৰে সঞ্জীৱৰ যাত্ৰা বিদ্যালয়লৈ বুলি।
মাতিলেই হ'ল...
হাজিৰ হয়হি আপোনাৰ ওচৰত।
জাক জাক শিশুৰ পিছে পিছে দৌৰি ফুৰা
ছবিখন আপুনি দেখিছিল নহয়।
সেই ছবিখন আমাৰ সোঁৱৰণীৰ সাঁচহে হ'ল।

জীৱনৰ স্থায়িত্ব কিমান বাৰু !
ইমানেই চুটি নে জীৱন !

ছাৰ ! মোৰ কি হৈছে?
"সোনকালে ভাল পাবা" বুলি প্ৰবোধহে দিছিলোঁ।
"মোৰ কাৰণে আপোনালোকৰ ইমান কষ্ট !
সকলো যন্ত্ৰণা সহি হেঁচি ৰাখোঁ চকুপানী।"

স্কুলখন যে কিমান হেঁপাহৰ !
আকৌ আহিব পাৰিমনে—প্ৰশ্নই তুলিছিল।

আমি সকলোৱে জানিছিলোঁ
সঞ্জীৱ, তুমিহে নাজানিলা !
কি ব্যাধিয়ে সাৱটিছিল তোমাক !
জানিয়ে বা হ'ব কি?
তুমি তেজৰ কৰ্কট ৰোগত আক্ৰান্ত।

সঞ্জীৱ, তুমি
তেজৰ অভাৱত মৰিব নোৱাৰিবা !
কিম্বা অৰ্থৰ অভাৱত !
এয়া আমাৰ পণ আছিল।

আমাৰ পণবোৰ সকলো উচন হ'ল
দেৱাশীষৰহে অভাৱ হ'ল !
অজান্তিমূলুকলৈ তুমি গতি কৰিলা
আমিবোৰ বোবা হৈয়ে থাকিলোঁ।

প্ৰতিষ্ঠা দিৱস
গীত-মাতৰ গধূলি
অভিজ্ঞান শিবিৰ
প্ৰশ্নকাকতৰ প্ৰস্তুতি পৰ্ব সকলোতে
তুমি সজীৱ আছিলা সঞ্জীৱ !
এইবোৰ সকলো থাকিব ! তুমিহে নাথাকিবা।

অ' সঞ্জীৱ
নতুন ATMখনৰ গোপন পিনকোড
তোমাৰ লোৱাই নহ'ল দেখোন !
নিজেই আঁতৰি গ'লা সংগোপনে
তোমাৰ জীৱনৰ শেষ পিনকোড এৰি 021020
তোমাৰ তামোলৰ বাগানখনো
সঁচাকৈয়ে আধৰুৱা হ'ল
হেঁপাহৰ ঘৰটোও নহ'ল সজা।

সঞ্জীৱ থাকক দিয়া এইবোৰ
তুমি য'তেই থাকিবা শান্তিৰে থাকিবা।
চিৰ শান্তিৰে... ❖

*(অসম জাতীয় বিদ্যালয়ৰ কৰ্মচাৰী সঞ্জীৱ বড়োৰ সোঁৱৰণত)*

# আত্মানুসন্ধান

**অসীম কৃষ্ণ বৰুৱা**
শিক্ষক, সমাজ বিজ্ঞান বিভাগ



কবিতা নিৰুদ্দেশ হোৱাৰ সময়
মনত নাই সঠিককৈ
চলাথ কৰা হৈছে
গাঁও-নগৰ পথাৰ-সমাৰ পাহাৰ-ভৈয়াম
নাই ক'তো নাই কবিতা
উকা হৈ আছে ঘৰখন
নীৰৱ-নিমাত কবিতাৰ অভিভাৱক
বহুদিনেই হ'ল কবিতা নিৰুদ্দেশ হোৱাৰ
ওচৰ-চুবুৰীয়াই হেৰুৱালে সান্ত্বনাৰ শব্দ
খাওঁতে-শোওঁতে সপোনে-দিঠকে
বৰকৈ আমনি কৰে কবিতাৰ স্মৃতিয়ে
সেই ল'ৰালিতে অকস্মাতে মুখামুখি হৈ
কবিতাৰ সৈতে খেলা লুকা-চুৰি
বালিঘৰ সজা-ভঙা
এৰা কেনেকৈ যে তাই
বুকুতে পাতি ল'লে বাহ
কবিতাৰ সুগন্ধিত আমোল-মোল উশাহ
দহো আঙুলিত কবিতাৰ মৰ্ম
তাইৰ সুৰীয়া কণ্ঠ আকণ্ঠ পান
কবিতাৰ অতলতলিৰ মুকুতা সন্ধান
প্ৰিয় ৰঙেৰে অঁকা কবিতাৰ চেহেৰা
আঃ কি বেদনা
নিৰুদ্দেশ হৈ থাকিল কবিতা
কবিতাৰ অবৰ্তমানত বিনিদ্ৰ নিশা
নিস্তেজ পুৱাৰ বেলি
প্ৰভাতী পখীৰ গান বিলাপ হ'ল
হালধীয়া হোৱা দুপৰৰ বেলি
ৰক্তাক্ত অস্ত আকাশ
পৌনঃপুনিক একাকীত্ব
এৰা কবিতা কিয় বাৰু এনেকৈ...
যৌৱনৰ ঐশ্বৰ্য্যময় অস্থিৰতাৰ মাজতো
কবিতা ছাঁয়া হৈ আছিল
সহ্য কৰি সমস্ত উদ্ভগুালি
ক্ৰমশঃ কবিতাই ভাল পোৱাকৈ
ৰং-ৰূপ-ৰসেৰে
সজাব খোজোতেই জীৱন
নিৰুদ্দেশ হ'ল কবিতা
নে তাইক অপহৰণ কৰা হ'ল
নে কবিতাৰ আত্মগোপন
মানুহ-মাটি-আকাশ চলাথ কৰি
নিৰুদ্দিষ্ট কবিতাৰ অন্বেষণ
আৰম্ভ হওকনে আত্মানুসন্ধান।। ❖

# পৰিধি মন্থন

**পংকজ দত্ত**
শিক্ষক, বিজ্ঞান বিভাগ

সূচ্যাভেদ্য অন্ধকাৰত সিঁচৰতি হয় পৰিমল দ্যুতি
পাহ মুকলি হয় হাতৰ ৰেখাৰ
ৰ'দৰ জিলিঙনিত লেহ্য হয় মাটিৰ অমৃত
এখোজ দুখোজকৈ বাট পোন হয়
গৰ যোৰা সময়ৰ ইতিহাস

সাপ হৈ খোঁটা, বেজ হৈ জৰা
পৰ্য্যাবৃত্ত সময়ৰ অপকেন্দ্ৰিক অৱয়ব
মুৰুলীধৰ
কহুৱাৰ নিৰ্য্যাস মলঙিছে মাথোঁ
ৰাস পূৰ্ণিমালৈ বহুদিন বাকী

বসন বাৰিধি ভেদি আগুৱায় কাহিনী
সূক্ষ্ম প্ৰস্থচ্ছেদৰ পৰিধি অসীম
এৰিবও নোৱাৰি যি
বেৰিবও নোৱাৰি যি
কনিষ্ঠ বসু ! ৰাজভাষা এৰি নিজ ভাষা কোৱা
শত্ৰু-মিত্ৰ ভ্ৰান্তিহে মনৰ, চকুৰ পচাৰতে
আপোনো হয় পৰ।

পৰুৱাৰ লানি ছিগে, বাট হেৰুৱায়
মানুহৰ লানি ছিগে, মন হেৰুৱায়
চেহেৰাৰ সিটো পাৰে কোনে বাৰু কান্দে
নিমাত পাঞ্চজন্যই দুখতে বিনায়
বিৰ দি নাপায় বাট
খুজিও নাপায় ভাত

চোৰ-চুৰুণী নিজৰ ঘৰৰ
শব্দভেদী বান বা কি কামৰ
আহ ! গৰখীয়া, পদূলি গৰকি যা
উশাহ নল'বি, ধুমুহা হ'ব
চকুৰে নাচাবি, বিজুলী ব'ব
এপলক ৰৈ যা, এগৰাহ খাই যা।

হাঁচতিৰ ইতিহাসৰ দৰে চমু
তলৌগুটিৰ আঘাতত উৰি যায় ব্ৰহ্মাস্ত্ৰ
কোনে বাট চায়, কোনে এৰি যায়
আজন্ম শত্ৰুৰ ৰক্ষণশীলতা
উত্তৰাৰ উত্তৰায়ণ, পোহা মেলি দে
উপচি পৰক গতিময়তা।

অনুচ্চ পাহাৰত সৰি পৰে কোন
অনুকুঞ্চ অনুনাদত ভীত হয় কোন
পাঞ্চালী, এগৰাহ ভাতৰ ভাগীদাৰ বহু
টোপ টোপ পানী হাত পাতি নলয়
নদী হৈ বয়, মৰু হৈ ৰয়
সাগৰ শুকায়, মাণিক লুকায়।

ৰওঁ বুলি ৰ'ব নোৱাৰি
যাওঁ বুলি যাব নোৱাৰি
আহোঁ বুলি অহা সহজ নহয়
সাৰি মচি যাবলৈ কষ্ট হয় বৰ
স্মিত হাঁহিৰে ঢাকিব নোৱাৰি
তিনিও লোকৰ অযুত বেজাৰ।

# জ্ঞানৰ মহত্ব

**পল্লৱী গোস্বামী**
শিক্ষয়িত্ৰী, অসমীয়া বিভাগ

'ন হি জ্ঞানেন সদৃশং পৱিত্ৰম্ ইহ্ ৱিদ্যতে' অৰ্থাৎ জ্ঞানৰ সমান পৱিত্ৰ বস্তু একো নাই। ইংৰাজীত তাকে কয় Knowledge is power। সেই কথা আজি বিশ্বমানৱে মৰ্মে মৰ্মে উপলব্ধি কৰিছে। ইয়াৰ একমাত্ৰ কাৰণটো হৈছে ক'ৰোনা ত্ৰাস আৰু তাৰ পৰা পৰিত্ৰাণৰ উপায়। মানুহে জীৱনকালত উপাৰ্জন কৰা সম্পদৰ তালিকা ভিন্ন, কিন্তু তেৱেঁই প্ৰকৃত সম্পদশালী যিয়ে প্ৰকৃত জ্ঞান আহৰণ কৰিছে। জ্ঞান আহৰণ কৰিলেই নহ'ব, তাৰ উপযুক্ত প্ৰয়োগো হ'ব লাগিব দেশৰ আৰু দহৰ স্বাৰ্থত। আজি সমগ্ৰ বিশ্ববাসীয়ে উৎকণ্ঠাৰে বাট চাইছে সেইসকললৈ যিয়ে উদ্ভাৱন কৰিব পাৰিব এই অতিমাৰীৰ প্ৰতিষেধকৰূপী মহৌষধ। অশুভ বুদ্ধিৰে জগত জিনিব খোজাসকলেও অপেক্ষাৰত সেই শুভ বুদ্ধিৰ সুমিষ্ট ফল গ্ৰহণ কৰিববৈ। তাৰ মানে ইয়াকেই বুজা যায় যে প্ৰকৃত জ্ঞানৰ মোল সবাতোকৈ চৰা। 'স্বদেশে পূজ্যতে ৰাজা ৱিদ্বান্ সৰ্বত্ৰ পূজ্যতে'—অৰ্থাৎ এজন ৰজা নিজ দেশতহে পূজ্য কিন্তু এজন বিদ্বানে সকলোতে সন্মান পায়। উক্ত আপ্তবাক্যশাৰী যে চিৰসত্য তাক নুই কৰিব নোৱাৰি। তেনে তীক্ষ্ণধীসকলৰ অহৰহ প্ৰচেষ্টাই এদিন বিশ্ববাসীৰ মুখত হাঁহি বিৰিঙাব আৰু এক নতুন প্ৰভাতৰ উন্মেষ ঘটাব বুলি আমি দৃঢ় বিশ্বাসী।

বৰ্তমান পৃথিৱীত সকলোৰে তুংগত আছে প্ৰতিযোগিতাৰ দৌৰ। এই দৌৰ ক্ষমতা, সন্মান আৰু অৰ্থ প্ৰাপ্তিৰ দৌৰ। পিছে জ্ঞান অন্বেষণৰ দৌৰৰ অংশীদাৰ তাকৰ। যিসকলে জ্ঞান সুধা পান কৰিববৈ দিগন্তত দুপাখি মেলি দিছে তেওঁলোকেই শেষৰ সেই নিৰ্মল হাঁহিটো মৰাৰ সৌভাগ্যকণ লাভ কৰিছে আৰু বাকীবোৰে সেই হাঁহিটোৰ ঈৰ্ষাত ছাটি-ফুটি মৰিছে। গতিকে যদিহে সেই হাঁহিটো মৰাৰ সৌভাগ্য লভাৰ কাৰোবাৰ হেঁপাহ আছে তেন্তে তেওঁ নিৰন্তৰ ব্ৰতী হ'ব লাগিব প্ৰজ্ঞাৰ সন্ধানত। বিশুদ্ধ জ্ঞান লাভ কৰিববৈ মৌমাখিৰ দৰে যত্নবান হ'ব লাগিব। এই আলোকৰ সন্ধানীসকল লুকাই আছে বৰ্তমান আমাৰ শিক্ষাৰ্থীসকলৰ মাজত। আনুষ্ঠানিক শিক্ষাৰ জগতখনৰ পৰাই আৰম্ভ হয় প্ৰতিযোগিতাৰ দৌৰ। কিন্তু এই দৌৰৰ বাতাবৰণ ক্ৰমাৎ অসুস্থৰ পৰা অসুস্থতৰ হৈ পৰিছে। শিক্ষা অনুষ্ঠানবোৰ, অভিভাৱকসকল আৰু বহু ক্ষেত্ৰত শিক্ষাৰ্থীসকল নিজে এই প্ৰতিযোগিতাত বিবেচনাহীনভাৱে জঁপিয়াই পৰিছে। প্ৰকৃত জ্ঞান লাভৰ লক্ষ্য বহুতৰ মাজত হেৰাই গৈছে, ফলত এটা যন্ত্ৰমানৰ হৈ দৌৰৰ শেষত ভাগৰি পৰিছে। আনহাতে জগতে সেইজন বিজয়ীকহে মনত ৰাখিছে যিয়ে সুস্থ আৰু সুপৰিকল্পিত দৌৰত অংশ লৈ চূড়ান্ত শিখৰত অৱতৰণ কৰিছে। মানুহৰ জীৱন কাল সীমিত কিন্তু জ্ঞান আহৰণৰ উৎস অপৰিসীম। এই জ্ঞান আহৰণৰ ক্ষেত্ৰত কোমল বয়সীয়াসকলক উপযুক্ত বাট দেখুৱাই দিয়াটো জ্যেষ্ঠসকলৰ প্ৰধান কৰ্তব্য।

আজি যিসকল জ্ঞানান্বেষীয়ে বিশ্বৰ জনগণৰ প্ৰাণ বচাববৈ অহৰ্নিশে গৱেষণা, পৰীক্ষা-নিৰীক্ষা চলাইছে তেওঁলোকৰ কোনে শিক্ষা জীৱনত সৰ্বোচ্চ নম্বৰ পাইছিল আৰু কোনে দুই-তিনি নম্বৰৰ বাবে সেই স্থান পোৱা নাছিল তাৰ হিচাপ কোনেও ৰখা নাই। তেওঁলোক নিঃসন্দেহে শিক্ষা জীৱনত ভাল শিক্ষাৰ্থীয়েই আছিল, নহ'লে এই অগ্ৰগতি মুঠেই সম্ভৱ নহয়। কিন্তু তেওঁলোকে প্ৰকৃত জ্ঞান আহৰণৰ এক স্পৃহা শৈশৱৰ পৰাই নিশ্চয় আয়ত্ত কৰিছিল। সেই অভ্যাসেই ভৱিষ্যৎ জীৱন গঢ়াত আৰু সফল হোৱাত

সহায় কৰিছিল। গতিকে বৰ্তমানৰ বিদ্যাৰ্থীসকলৰ প্ৰতি জ্যেষ্ঠজনৰ এয়াই উপদেশ হোৱা উচিত যে তেওঁলোকে প্ৰজ্ঞাৰ সন্ধানী হওক। তেওঁলোকৰ পাঠ্যপুথিসমূহ বয়স আৰু সময়োপযোগীকৈ বহু বিজ্ঞ লোকৰ দ্বাৰা প্ৰস্তুত কৰা হয়। গতিকে সেই পুথিবোৰৰ প্ৰতিটো শব্দ, প্ৰতিটো দিশ শিক্ষাৰ্থীসকলে অনুধাৱন কৰক বা শিকক। পাঠ্যপুথি একোখনৰ ১০০ শতাংশ জ্ঞানৰ ২০ শতাংশহে পৰীক্ষাৰ বাবে উপযোগী বুলি বাছনি কৰি পঢ়াৰ বদ্ অভ্যাস ত্যাগ কৰক। ভাটৌ চৰাই সদৃশ শিক্ষা গ্ৰহণ ত্যাগ কৰি চিন্তা শক্তিৰ কছৰৎ কৰক। 'অনন্ত পাৰং কিল শব্দশাস্ত্ৰং'—অৰ্থাৎ শব্দশাস্ত্ৰৰ পাৰাপাৰ নাই, মানে জ্ঞান অৰ্জন কৰিবলৈ পুথিৰ অভাৱ নাই, ই অংখ্যাত অসীম। শিক্ষাৰ্থীসকলে মাত্ৰ ৰুচি অনুযায়ী বিষয় নিৰ্বাচন কৰি অধ্যয়নত ব্ৰতী হ'ব লাগে। পৰীক্ষা পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই যিহেতু শিক্ষাৰ ঢাপবোৰ পাৰ হ'ব লাগিব, গতিকে তাৰ বাবে প্ৰস্তুতিও অতি প্ৰয়োজনীয়। কিন্তু তাৰ বাবে প্ৰস্তুত হওঁতে নম্বৰকেন্দ্ৰিক কথাবোৰ পাহৰি, বুজি মনত ৰখা কথাটোত অধিক গুৰুত্ব দিব লাগে। সেই কথাই ভাল নম্বৰ অৰ্জনত ফলদায়কেই হ'ব। আনৰ লগত নম্বৰৰ তাৰতম্য তুলনা কৰাতকৈ পূৰ্বৰ কিবা কথা নুবুজাকৈ ৰৈ গ'ল নেকি তাৰ ওপৰতহে মনোনিৱেশ কৰা উচিত।

পৰিশ্ৰমেই উদ্গতিৰ মূল। যি বিদ্যা আৰহণত শ্ৰম নাই, সকলো বেলেগে হাততে তুলি দিয়ে, সেই বিদ্যা অস্বচ্ছ। জটিল প্ৰশ্ন এটাৰ উত্তৰ বিচাৰি শিক্ষাৰ্থীয়ে পোনে পোনে শিক্ষকক খাটনি ধৰাতকৈ তাক যদি নিজে সমাধান কৰিবলৈ চেষ্টা কৰে আৰু সম্পূৰ্ণ বা আংশিক সফলতা লাভ কৰে, তেনেহ'লে সেই জ্ঞান স্থায়ী হয়। শিক্ষাগুৰুসকলে পথ প্ৰদৰ্শকৰ ভূমিকাহে ল'ব লাগে। এই সকলোবোৰৰ বাবে শিক্ষাৰ্থীক লাগে এটা অনুসন্ধিৎসু মন। বিশ্ববিখ্যাত বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনে কৈছিল— 'Once you stop learning you start dying.' গতিকে অনবৰত নতুন কিবা এটা শিকাৰ আগ্ৰহীসকলহে প্ৰাণৱন্ত হৈ থাকে। ঠিক সেইদৰে ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বিজ্ঞানী ড° আব্দুল কালামে কৈছিল— 'তুমি শুই থাকোঁতে দেখা সপোনটো সপোন নহয়, সেইটোহে সপোন যিয়ে তোমাক শুবলৈ নিদিয়ে।' এই বাণীবোৰ তেওঁলোকৰ জীৱনৰ অভিজ্ঞতাৰ পৰা উদ্ভৱ হোৱা ধাৰণা, যাৰ বাবে তেওঁলোকৰ জীৱন আমাৰ বাবে পাথেয় হৈ ৰৈছে।

বৰ্তমানৰ বিশ্ব আধুনিক প্ৰযুক্তিৰ প্ৰভাৱত এখন ক্ষুদ্ৰ গাঁৱলৈ পৰিৱৰ্তিত হৈছে। জ্ঞান আহৰণৰ আহিলাবোৰ সহজলভ্য হৈ পৰিছে। গতিকে শিক্ষাৰ্থীসকলে সেইবোৰৰ সুপ্ৰয়োগৰ দ্বাৰা নিজক একোজন গাত ৰ'দ নলগা আৰু বৰষুণ নপৰা শ্ৰমিকলৈ ৰূপান্তৰিত কৰিব লাগে। যাৰ ফলশ্ৰুতিত তেওঁলোকে জ্ঞানৰ বহল পথাৰখনৰ পৰা সোণগুটি চপাবলৈ সক্ষম হ'ব আৰু নিজৰ লগতে দহজনৰ জীৱন প্ৰাচুৰ্য্যৰে ভৰাই তুলিব। ❖



**অংশু মেধি,** তৃতীয় শ্ৰেণী



**চতুৰ্থী শিৱম,** দ্বিতীয় শ্ৰেণী

# শিশুৰ আৱেগিক বিকাশ

**ৰুমী কলিতা**
শিক্ষয়িত্ৰী, প্ৰাক্-বিদ্যালয়

আৱেগ হ'ল সহজাত প্ৰবৃত্তিৰ লগত জড়িত হৈ থকা এটা মানসিক অৱস্থা। সাধাৰণ অৰ্থত ক'বলৈ গ'লে যিবোৰ অনুভূতিয়ে মনক সক্ৰিয় কৰি তুলিব পাৰে সেইবোৰেই হ'ল আৱেগ। সেইদৰেই পাৰিপাৰ্শ্বিক জগতখনৰ সংস্পৰ্শত ইন্দ্ৰিয়সমূহে সংবেদন আৰু সংবোধনৰ যোগেদি অনুভূতিৰ সৃষ্টি কৰে। মনোবিজ্ঞানী মেকদুগলে কৈছে, 'আৱেগ হ'ল মানসিক উত্তেজনা ভৰা বাহ্যিক প্ৰকাশ থকা একপ্ৰকাৰৰ অমাৰ্জিত আচৰণ।' (Emotion is an unlearned reaction rich is mental content and accomonied latent expression).

শিশুৰ জীৱনত আৱেগৰ প্ৰভাৱ আৰু ইয়াৰ ব্যাপকতালৈ লক্ষ্য ৰাখি মনোবিশ্লেষণকাৰীসকলে জন্মপূৰ্ব বা গৰ্ভকালীন অৱস্থাৰ পৰাই আৱেগৰ বিকাশ আৰম্ভ হোৱা বুলি মত প্ৰকাশ কৰে। শিশুৰ মৌলিক আৱেগ হৈছে তিনিটা—ভয়, ক্ৰোধ আৰু ভালপোৱা। শিশুৱে ডাঙৰ শব্দ শুনিলে আৰু স্থানচ্যুত হ'লে ভয় অনুভৱ কৰে। ঠিক তেনেদৰে দৈহিক বাধাৰ সন্মুখীন হ'লে ক্ৰোধ আৰু দেহত আলফুলকৈ হাত বুলাই দিলে ভালপোৱা আৱেগ অনুভৱ কৰে।

শিশুৱে প্ৰদৰ্শন কৰা আৱেগিক আচৰণৰ এটি পৰিচিত অভিব্যক্তি হৈছে ভয়। কোনো অস্বাভাৱিক অথবা দুখদায়ক পৰিস্থিতিৰ পৰা নিজকে আঁতৰাই ৰখা বা আত্মৰক্ষা কৰা প্ৰবৃত্তিৰেই ভয় হৈছে আৱেগিক প্ৰকাশ। প্ৰাথমিক আৱেগ স্বৰূপে প্ৰকাশ লাভ হোৱা শিশুৰ ভয় শিক্ষাবিহীন বুলি কোৱা হয়। এই ভয় কোনো শিক্ষা অভিজ্ঞতাই প্ৰভাৱিত কৰি তোলাৰ আগেয়ে লাভ কৰা এক স্বাভাৱিক প্ৰকাশ, যি পৰিৱেশৰ অৱস্থাৰ ওপৰত নিৰ্ভৰশীল। কল্পনাপ্ৰিয় শিশুৱে বহু সময়ত অপ্ৰয়োজনীয় আৰু অবাস্তৱ কল্পনাৰ যোগেদিও ভয়ৰ উত্তেজনা অনুভৱ কৰে। গৃহ আৰু স্কুলৰ শিক্ষা পৰিৱেশতো মাক-দেউতাক আৰু শিক্ষকৰ লগত অসুস্থ সম্বন্ধ গঢ়ি উঠাৰ ফলত শিশুৰ মনত ভয়ৰ সঞ্চাৰ হয়। কঠোৰ শাসন বা বন্ধনৰ মাজত থকা শিশুৱে ঘৰৰ পৰিৱেশৰ পৰা ওলাই আহি স্কুলৰ নতুন পৰিৱেশত প্ৰৱেশ কৰাৰ বেলিকাও এনে ভয়ৰ ভাব অনুভৱ কৰে। শিশুৰ শাৰীৰিক অসুস্থতা, দুৰ্বলতা অথবা ব্যক্তিগতভাৱে থকা দৈহিক অক্ষমতা আদিও ভয়ৰ কাৰণ হৈ উঠিব পাৰে। শিশুৱে যাতে অযথা কাল্পনিক ভয়ৰ দ্বাৰা প্ৰভাৱিত হ'ব লগা নহয় তাৰ বাবে শিশুক প্ৰত্যক্ষ জ্ঞান-অভিজ্ঞতা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। শিক্ষাৰ পূৰ্ব-প্ৰাথমিক স্তৰত সংবেদন অনুশীলনৰ শিক্ষাদানৰ প্ৰয়োজনীয়ৰ কথা এইখিনিতে উল্লেখ কৰিব পাৰি।

নিচেই কেঁচুৱা অৱস্থাৰ পৰাই সচৰাচৰ প্ৰদৰ্শন কৰা শিশুৰ এটি আৱেগিক অভিব্যক্তি হৈছে ক্ৰোধ। ই এবিধ অসুস্থ অনুভূতি। এই আচৰণৰ দ্বাৰা প্ৰতিকূল পৰিস্থিতিত নিজ মনৰ অসন্তুষ্টি আৰু কষ্ট ভাব বাহ্যিকভাৱে প্ৰকাশ কৰে। প্ৰাথমিক স্কুলত প্ৰৱেশ কৰাৰ আগতেই শিশুৰ প্ৰবৃত্তিত আত্মসচেতন ভাব ভালদৰে ফুটি উঠে। ঘৰৰ ভিতৰে-বাহিৰে খেলা-ধূলাৰ বিভিন্ন পৰিস্থিতিত শিশু এটা তাৰ ব্যক্তি স্বাৰ্থ, আত্মসন্মান আৰু স্বাধীনতা আদি ব্যাহত হোৱাটো সহ্য নকৰে। অৱশ্যে প্ৰাথমিক স্কুলৰ পৰ্য্যায়ত শিশুৱে নিজৰ ক্ৰোধ বহু পৰিমাণে নিয়ন্ত্ৰণ কৰিব পাৰে। এই পৰ্য্যায়ৰ শিক্ষাৰ নিয়ম-শৃংখলা, অনুশাসন ব্যৱস্থা আদিৰ নিয়ন্ত্ৰিত পৰিৱেশে শিশুৰ ক্ৰিয়া-আচৰণ যথেষ্ট সংযত আৰু যুক্তিসংগত কৰি তোলে। সেইবাবে প্ৰাথমিক আৰু পূৰ্ব-

প্ৰাথমিক পৰ্য্যায়ৰ দুটি শিশুৰ মাজৰ ক্ৰোধৰ পৰিস্থিতি আৰু তাৰ অভিব্যক্তিৰ যথেষ্ট পাৰ্থক্য থাকে।

ভালপোৱা এবিধ সুখদায়ক সামাজিক অনুভূতি। শিশুৰ এই আৱেগ মৌলিক বুলি ক'ব পাৰি। শিশুৰ ভালপোৱা ভাবৰ উৎস আনন্দ-অনুভূতি হ'লেও সামাজিক পৰিৱেশেহে তাক সক্ৰিয় কৰি তোলে। কোমল, মিহি, উজ্জ্বল আৰু মিঠা বস্তু হাতেৰে ধৰিবলৈ পালে বা মুখত দিবলৈ পালে শিশুৱে দৈহিক সুখ আৰু আনন্দ পায়। শিশুৰ মানসিক অভিজ্ঞতা আৰু ইয়াৰ বিকাশ সীমাবদ্ধ হৈ থাকে। শিশুৰ মন আৰু আচৰণ অত্যন্ত আত্মকেন্দ্ৰিক। সেয়েহে শিশুৱে আনৰ বাবে ভাবিব আৰু সহানুভূতি দেখুৱাব নোৱাৰে। প্ৰায় দুবছৰ বয়সত শিশুৱে ভাষাজ্ঞান কিছু আয়ত্ত কৰি মুখেৰে ভাল পাওঁ শব্দ উচ্চাৰণ কৰিব পাৰিলেও তাৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰিব নোৱাৰে। শিশুৰ ভালপোৱাৰ এটি বিশেষত্ব হৈছে গৃহ পৰিৱেশত সান্নিধ্য লাভ কৰা নানাবিধ পোহনীয়া জন্তু, খেলা-ধূলাৰ পুতলা আদিৰ প্ৰতি থকা আকৰ্ষণ। শিশু স্বাভাৱিকতেই মৰম আকলুৱা। ব্যক্তিগত মৰম-চেনেহতকৈ শিশুৰ বাবে এটি মৰম-মধুৰ সহানুভূতিশীল পৰিৱেশৰহে অধিক প্ৰয়োজন। এই পৰিৱেশৰ মুখ্য প্ৰভাৱশালী ব্যক্তি হৈছে মাক-দেউতাক। শিশুৰ মানসিক বিকাশৰ বাবে মৰমৰ প্ৰয়োজন। মৰম-চেনেহে শিশুৰ দেহ আৰু মন উভয়ৰ ওপৰতেই ইতিবাচক প্ৰভাৱ পেলায়। মাক-দেউতাকৰ মৰম, আশ্বাস আৰু স্বীকৃতিয়ে শিশুক সাহস, নিৰাপত্তা আৰু আত্মবিশ্বাস দিয়ে।

শিশুৰ মানসিক আৰু আনুভূতিক জীৱন পৰনিৰ্ভৰশীল নহ'বলৈ খেলা-ধূলাৰ এক মুক্ত আৰু মধুৰ গৃহ আৰু শৈক্ষিক পৰিৱেশ দিব লাগে। বয়োজ্যেষ্ঠসকলৰ সুস্থ আৰু সংযত আৱেগিক আচৰণৰ প্ৰভাৱ শিশুসকলৰ আচৰণতো দেখা যায়। সেয়ে শিশুৰ পৰিৱেশ আৰু পৰিস্থিতি যথাসাধ্য নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিব লাগে। শিশুৰ দেহ-মানসিক প্ৰয়োজনীবিলাকৰ স্বাভাৱিক পূৰণৰ ওপৰতেই তাৰ সুস্থ আৱেগিক জীৱন ঘাইকৈ নিৰ্ভৰ কৰে। সেয়ে শিশুৰ অসংযত আৰু অনিয়ন্ত্ৰিত আৱেগবিলাক সুস্থ, সংযতভাৱে প্ৰকাশ কৰিবলৈ নৃত্য-গীত, আবৃত্তি, নাটক আদিৰ সহায় লোৱা উচিত।

গৃহ আৰু শৈক্ষিক পৰিৱেশৰ নিয়ম-শৃংখলা ৰক্ষা আৰু মানৰ ওপৰতো শিশুৰ আৱেগিক বিকাশ নিৰ্ভৰ কৰে। কটকটীয়া অনুশাসনে যিদৰে শিশুৰ আৱেগিক নিৰাপত্তা আৰু মুক্ত গতিৰ স্বাধীনতা খৰ্ব কৰে, সেইদৰে ইয়াৰ অত্যধিক শিথিলতায়ো আৱেগৰ স্বাভাৱিক বিকাশত অন্তৰায়ৰ সৃষ্টি কৰে। সেয়ে অনুশাসনৰ মান সুস্থ, স্বাভাৱিক আৰু গ্ৰহণযোগ্য অৱস্থাৰ কৰি তুলিব লাগে। খেলাৰ মূল সূত্ৰ জীৱনৰ সুখানুসন্ধান নীতিৰ ওপৰত প্ৰতিষ্ঠিত। খেলাৰ যোগেদি পোৱা সুখ-আনন্দ হৈছে মৌলিক, অকৃত্ৰিম আৰু গঠনাত্মক। আৱেগে শিশুৰ বিকাশৰ বাবে শক্তিৰ ইন্ধন স্বৰূপে কাম কৰে। ইয়াক উপযুক্তভাৱে প্ৰয়োগ কৰাটো আমাৰ কৰ্তব্য। ❖



**প্ৰজ্ঞানম যোগী**, তৃতীয় শ্ৰেণী



**হৃষিতা কলিতা**, পঞ্চম শ্ৰেণী

# अमृता प्रीतम की कालजयी उपन्यास 'पिंजर' : एक झलक

**उत्पल डेका**
शिक्षक, हिंदी विभाग

देश विभाजन की त्रासदी पर आधारित सन् 1950 में प्रकाशित अमृता प्रीतम का पहला उपन्यास है। पंजाबी में लिखी गई इस उपन्यास का हिंदी अनुवाद खुशवंत सिंह ने किया। देश विभाजन की त्रासदी को अमृता प्रीतम ने न केवल अपनी आँखों से देखा बल्कि उसका दंश भी झेला था। विभाजन से उत्पन्न पीड़ा को उन्होंने शिद्दत से महसूस किया था।

प्रस्तुत उपन्यास में नारी की जन्मजात यातना एवं उससे संबंधित सामाजिक पृष्ठभूमि का यथावत चित्रण किया है। विभाजनकालीन भारत में हिंदु और मुसलमानों में निरंतर दंगे हो रहे थे, पीढ़ियों-पीढ़ियों से हर धर्म के लोग आपस में दुश्मनी और वैर-भाव बरतते आ रहे थे। देश का पूरा वातावरण हर-दम डरावना रहता था। देश में आदमी कम हिंदू-मुसलमान ज्यादा रह गए थे। नारी का यौन अतिक्रमण आम बात हो गयी थी। हिंदू लोग मुसलमान नारियों को और मुसलमान हिंदू नारियों को पीड़ित कर रहे थे। विभाजन के समय प्रेयसी, पत्नी, माता, बेटी आदि नाना रूपों में प्रतिष्ठित नारी प्रताड़ित हो रही थी। प्रताड़ना की नारकीयता में हिंदू नारी, मुसलमान नारी, सिख नारी, ईसाई नारी में कोई भेद नहीं था। प्रीतम जी ने अपनी आँखों देखी घटनाओं को गहन अनुभूतियों के सहारे पिंजर उपन्यास में साहसपूर्ण वाणी दी है, जिसमें भारतीय नारी की चिर व्यथा की क्रांतिकारी दृष्टिकोण दिखाई पड़ता है।

उपन्यास की नायिका पूरो को केन्द्र बनाकर नारी-जीवन की त्रासदियों को मूर्त करनेवाला उपन्यास 'पिंजर' के कथानक की समयावधि 1935 से लेकर 1947 तक है। उपन्यास की नायिका पंद्रह वर्षीय पूरो हिंदू परिवार की कन्या है, जो अपने माता-पिता के साथ छत्तोआना में रहती है। जिसका चरित्र अत्यंत गरिमामय है। विभाजन से उत्पन्न तानाशाही का शिकार बनकर अभिशप्त जीवन बिताने के बाध्य होने पर भी वह अपने मातृत्व और पत्तीत्व की जिम्मेदारियों को निभाने में कोई कसर नहीं छोड़ती। पूरो के अतिरिक्त कम्मो, लाजो, पागल औरत आदि नारी पात्र हैं, जिनको पुरुष प्रधान समाज व्यवस्था का कुठाराघात सहना पड़ा था।

तत्कालीन भारत की नारियाँ पशुतुल्य जीवन-जीती थी। उन्हें भोग की सामग्री एवं बच्चे पैदा करने की मशीन मात्र समझी जाती थीं। समाज में बहु-पत्नी प्रथा, अदली-बदली विवाह प्रथा, दहेज प्रथा, बाल-विवाह, अनमेल विवाह आदि प्रचलित था। चौदह साल की उम्र में पूरो की सगाई अदली-बदली प्रथा के अनुसार रत्तोवाल गाँव का युवक रामचंद्र से हो हुई थी। दूसरी ओर पूरो के भाई त्रिलोक का विवाह रामचंद्र की बहन से तय हुआ था। पंद्रह साल की उम्र में पुश्तैनी दुश्मनी के चलते एक दिन रशीद नामक युवक पूरो को उठा ले जाता है। एक दिन मौका मिलते ही वह रशीद के चंगुल से मुक्त होकर अपने घर वापस लौट जाती है परंतु, उसके माता-पिता उसे-अशुद्ध एवं उपवित्र मानते हुए स्वीकार नहीं करते हैं। पूरो मजबूरन रशीद के पास चली आती है। पूरो को अनुभव हुआ कि कोई अपहृत लड़कियों के लिए माँ-बाप तथा अपने समाज के पास जगह नहीं होती। किस के किए की साजा नारी को ही भोगतनी पड़ती है। रशीद के

साथ उसका निकाह हो जाता है और वह पूरो से हमीदा बनजाती है।

नारी जीवन की विंडबना यह रही कि अविवाहित किसी नारी अगर एक पल के लिए भी किसी अन्य गृह में गुजार ले तो उस पर अनैतिकता का आरोप लगा दिया जाता है। समाज उसे स्वीकार करने में हिचकने लगेगा। लेकिन उसी समाज के किसी पुरुष द्वारा सुंदर लड़कियों को उठा ले  जाकर अपनी स्त्री बनाने में कोई सामाजिक प्रतिबंध न था। उपन्यास का एक पात्र लाजो अपने परिवार समेट काफिला में जा रही थी तब अल्लादित्ता ने लाजे को काफिला से उठा ले जाकर उसे अपने कब्जे में रख लिया। इसके साथ-साथ अल्लादित्ताने लाजो के परिवारवालों द्वारा छोड़े हुए मकान पर भी अपना अधिकार जमा लेता है। लाजो अपने ही घर में कैदी बन जाती है। आखिर पूरो की चारित्रिक दृढ़ता और दृढ़ संकल्प के कारण ही लाजो अल्लादित्ता के चंगुल से मुक्त होती है और अपने ठिकाने में पहुँचाती है।

उपन्यास का अन्य एक नारी पात्र तारो को अनमेलिववाह की विडंबनाओं से जुझना पड़ता है। जिसके साथ उसकी शादी हुई है, उसने नीच जाति की एक औरत को रखेल बनाकर रखा है, मगर घर में बहू का स्तान सजाने के लिए अपनी जाति की लड़की तारो से शादी की। तारो के माता-पिता ने बेटी की जिंदगी पर जरा भी ध्यान नहीं दिया। उसे न ससुराल में मुख-चैन है, न मायके में। यही लड़कियों की नियति है कि माँ-बाप चाहे जिसके हाथ में उसको थमा दो। उसे अपना वैवाहिक जीवन बैश्यावृति से बढ़कर लगती है। वह कहती-

*''रोटी कपड़े के लिए मैं अपना शरीर बैचती हूँ... मैं बैश्या हूँ। नारी की जिंदगी को नरकतुल्य बनाते दमनकारी कूट सामाजिक संरचनाओं पर तारो कहती है- 'मेरे मुँह पर ताला डाल दिया गया, मेरे पैरों में बेड़ी डाल दी गयी उसका क्या बिगाड़ा! भगवान ने उसे बंधन में न डाला। उसे बाँधने के लिए भगवान जन्मा ही नहीं। सारी रस्सियाँ भगवान ने मेरे पैरों में ही डाल दी।''*

विभाजनकालीन भारत के हर एक कौम के लोग एक-दूसरे को नीचा दिखाने चाहते थे लेकिन जब सुंदर लड़कियों को उठा ले जाकर कोई अपनी स्त्री बना लेतनतो लड़की का धर्म, संपदाय से कोई मतलब नहीं रहता था। पुरुष प्रधान समाज व्यवस्था में नारी भोग की सामग्री रही। उपन्यास में एक पागल औरत का प्रसंग आता है, जो हिंदू है या मुसलमान किसी को कुछ पता नहीं था। उस औरत को भी पुरुष के भोग-विलास एवं काम-कुंठा से राहत नहीं मिलती।

हमारी अधम सामाजिक व्यवस्था की सजा सभी नारियों को भूगतनी पड़ती है। फिर भी मातृत्व का पद पाकर नारी धन्य हो जाती है, मन की सभी आशाएँ-निराशाएँ-अभिलाषाएँ एक ही जगह स्थिर हो जाती है। पूरो ने एक पुत्र का जन्म दिया तब से वह स्वर्ग की रानी महसूस करने लगी। पुरुष सत्तात्मक समाज से मिले यातनाओं ने उनके मन में अपने बेटे को स्तनपान कराते समय गहन आंतरिक संघर्ष फूटकर बाहर आती  जो एक नारी हृदय का अनुभव है-

*''यह लड़का... इस लड़के का पिता... सब पुरुष जाति... पुरूष... पुरूष... जो स्त्री के शरीर को कुत्ते की हड्डीकी भाँति चूसते है, कुत्ते की हड्डी की भाँति चबाते हैं।''*

पिंजर उपन्यास में उपन्यासिका ने पूरो, कम्मो, लाजो, पागल औरत आदि पात्रों के जरिए नारी शोषण परंपरा को विस्तार दिया है। कामांध पुरुष सत्तात्मक समाज में जीना नारी के लिए दूधर हो गया है। इसलिए उपन्यासिका को कहानी पड़ी कि इस युग में लड़की का जन्म लेना ही पाप है।

नारी पर अपना वर्चस्व स्थापित करने के लिए पुरुष द्वारा अपनाए गये शोषण तंत्रों में सबसे घिनोना उनका यौन शेषण है। इसको समाप्त करने के लिए सबसे अनिवार्य है- पुरुष मानसिकता में परिवर्तन। नारी को भोग की सामग्री मानने के बजाय उसे पहले इंसान के रूप में स्वीकारना है। ❖

প্ৰকল্প

# নৰ্দমাৰ আৱৰ্জনাৰ পৰা প্লাষ্টিক পৃথকীকৰণ

বৰ্তমান যুগত প্লাষ্টিকৰ ব্যৱহাৰেই প্ৰদূষণৰ এটা অন্যতম কাৰণ। প্লাষ্টিকৰ ব্যৱহাৰে মাটি, পানী, বায়ু এই তিনিওবিধৰে ক্ষতিসাধন কৰে। প্লাষ্টিক এবিধ জীৱ অনিম্নীকৰণীয় পদাৰ্থ। প্লাষ্টিক কেইবাশ বছৰ ধৰি বিয়োজন নঘটে বাবে মাটি বা পানীত মিহলি হোৱা প্লাষ্টিক তেনে অৱস্থাতেই বহু বছৰ ধৰি পৰি ৰয়। ইয়াৰ ফলত মাটিৰ লগতে পানী আৰু বায়ুৰ যথেষ্ট ক্ষতিসাধন হয়।

